বছৰ ১, সংখ্যা ১২

# নিউ ইণ্ডিয়া সমাচাৰ

১৬-৩১ ডিচেম্বৰ, ২০২০

বিনামূলীয়া বিতৰণৰ বাবে



## পুনৰুদ্ধাৰৰ দিশে অৰ্থনীতি

চৰকাৰখনৰ লকডাউন-পৰৱৰ্তী স্পষ্ট দৃষ্টি, মূল কৰ্মপন্থা নিৰ্দেশনা আৰু কেন্দ্ৰীভূত দৃষ্টিকোণে প্ৰত্যাশ্যাতকৈও ক্ষীপ্ৰতৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰ নিশ্চিত কৰিছে

# ভাৰতক আত্ম-নিৰ্ভৰ কৰি তুলিবলৈ সংস্কাৰসমূহ সাধন কৰা হৈছে



**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেখেতৰ মন কী বাতত কয় যে কৃষি সংস্কাৰসমূহে কৃষকসকলৰ সৰলীকৰণ কৰিছে আৰু জনসাধাৰণক সম্ভাব্য উত্তম পন্থাৰে তেওঁলোকৰ মাতৃ শিক্ষায়তন (alma mater) ৰ উন্নয়নৰ অৰ্থে বৰঙণি যোগাবলৈ তেওঁ আহ্বান জনায়**

**কৃষি সংস্কাৰঃ** কৃষকসকলক মাথো বন্ধনমুক্ত কৰিবলৈকে সংস্কাৰসমূহ সাধন কৰা হোৱা নাই বৰঞ্চ ইয়াৰ জৰিয়তে তেওঁলোকক নতুন অধিকাৰ আৰু সুযোগ প্ৰদান কৰা হৈছে। এই নতুন অধিকাৰসমূহে কৃষকৰ দুৰ্দশা দূৰ কৰিবলৈ আৰম্ভ কৰিছে। মহাৰাষ্ট্ৰৰ ধুলে জিলাৰ কৃষক জিতেন্দ্ৰ ভৈজীয়ে শেহতীয়াভাৱে ঘোষণা কৰা কৃষি আইনসমূহৰ সুফল লাভ কৰিছে। ভৈজীয়ে প্ৰায় ৩.৩২ লাখ টকাৰ তেওঁৰ উৎপাদিত গোমধান বিক্ৰী কৰিছে আৰু আগধন লাভ কৰিছে। পোন্ধৰ দিনৰ ভিতৰত বাকী থকা পৰিমাণ পৰিশোধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা যায়। তথাপি, পৰৱৰ্তী সময়ত এনে পৰিস্থিতিৰ উদ্ভৱ হয় যে চাৰি মাহ ধৰি তেওঁ বাকী থকা ধন লাভ নকৰাকৈ থাকে। ছেপ্টেম্বৰত গৃহীত হোৱা নতুন কৃষি আইনে তেওঁলৈ সাহায্য আগবঢ়ায়। এই আইনৰ অধীনত, এই সিদ্ধান্ত গ্ৰহণ কৰা হয় যে কৃষকসকলৰ সকলো পাওনা (dues) ক্ৰয়ৰ তিনি দিনৰ ভিতৰত পৰিশোধ কৰিব লাগিব, পৰিশোধত বিফল হ'লে ভুক্তভোগী কৃষকে এটা অভিযোগ দাখিল কৰিব পাৰে।

**দেৱী অন্নপূৰ্ণাৰ মূৰ্তিঃ** প্ৰতিজন ভাৰতীয়ই জানিবলৈ পাই গৌৰৱ অনুভৱ কৰিব যে কানাডাৰপৰা দেৱী অন্নপূৰ্ণাৰ এটি অতিশয় পুৰণি মূৰ্তি ভাৰতলৈ ঘূৰি আহিছে। বাৰাণসীৰ এটা মন্দিৰৰপৰা ইয়াক চুৰি কৰা হৈছিল আৰু প্ৰায় ১৯১৩ ত দেশখনৰ বাহিৰলৈ চোৰাংভাৱে চালান দিয়া হয়। কাশীৰ সৈতে মাতা অন্নপূৰ্ণাৰ এটা অতি বিশেষ সম্পৰ্ক আছে।

**ভাৰ্চুৱেল বীথিকাঃ** বহু সংগ্ৰহালয় আৰু গ্ৰন্থাগাৰেই তেওঁলোকৰ সংগ্ৰহসমূহ সম্পূৰ্ণৰূপে ডিজিটেল কৰি তুলিবলৈ কাম কৰি আছে। দিল্লীত, নেশ্যনেল মিউজিয়ামে প্ৰায় দহটা ভাৰ্চুৱেল গেলাৰী প্ৰৱৰ্তনেৰে এটা অবিশ্বাস্য কাম কৰি আছে।

**ব্ৰাজিলৰ বেদান্ত ইনষ্টিটিউটঃ** বিশ্বনাথ হিচাপেও পৰিচিত জোনাছ মাছেট্টীয়ে ব্ৰাজিলৰ জনসাধাৰণক বেদান্ত আৰু শ্ৰীমদ ভাগৱত গীতাৰ শিক্ষা দান কৰে। তেওঁ বিশ্ববিদ্যা নামেৰে এখনি শৈক্ষিক প্ৰতিষ্ঠান চলাই আছে, ৰিঅ' ডি জেনেৰিঅ'ৰ পেট্ৰ'পলিছ পৰ্বতত ই অৱস্থিত।

**গুৰু নানক জয়ন্তীঃ** ৩০ নৱেম্বৰ আছিল গুৰু নানক দেৱজীৰ ৫৫১ সংখ্যক জন্ম বাৰ্ষিকী, যিয়ে তেওঁৰ আধ্যাত্মিক যাত্ৰা উদাসীৰ সময়ছোৱাত লখপট গুৰুদ্বাৰ চাহিবত বসবাস কৰিছিল। ২০০১ ৰ ভূমিকম্পত, এই গুৰুদ্বাৰটি ধ্বংসপ্ৰাপ্ত হয়। গুৰু নানক দেৱজীৰ একমাত্ৰ আশীৰ্বাদত মই ইয়াৰ নৱীকৰণ আৰু ইয়াৰ মহিমা আৰু চমৎকাৰিতা পুনৰুদ্ধাৰ নিশ্চিত কৰিবলৈ সক্ষম হৈছো।

**ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময়ঃ** যোৱা কেইটামান দিনত, মই আইআইটি গুৱাহাটী, আইআইটি দিল্লী, গান্ধীনগৰৰ দীনদয়াল পেট্ৰ'লিয়াম বিশ্ববিদ্যালয়, দিল্লীৰ জেএনইউ, মহীশূৰ বিশ্ববিদ্যালয় আৰু লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে যোগাযোগ কৰিবলৈ সক্ষম হৈছো। দেশখনৰ যুৱ সমাজৰ মাজত কটাবলৈ পাই অতিশয় সতেজতা আৰু উৎসাহ অনুভৱ কৰো। বিশ্ববিদ্যালয়সমূহৰ চৌহদসমূহ ক্ষুদ্ৰ ভাৰতৰ দৰে।

**মাতৃ শিক্ষায়তনলৈ বৰঙণিঃ** বিদ্যালয় বা মহাবিদ্যালয় শিক্ষা সাং কৰাৰ পাছত, দুটা বস্তু কেতিয়াও শেষ হৈ নাযায়। এটা হৈছে আপোনাৰ শিক্ষাৰ প্ৰভাৱ, আৰু দ্বিতীয়তে, আপোনাৰ বিদ্যালয় বা মহাবিদ্যালয়ৰ সৈতে সম্বন্ধ। যেতিয়াই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে পাৰস্পৰিকভাৱে মত-বিনিময় কৰে, পুথি আৰু অধ্যয়নতকৈ চৌহদ আৰু বন্ধু-বৰ্গৰ সৈতে কটোৱা সময়ৰ পুনঃস্মৰণত অধিক সময় দিয়ে, তেতিয়া এই স্মৃতিসমূহৰপৰা শিক্ষানুষ্ঠানখনিৰ প্ৰতি কিবা এটা কৰাৰ ইচ্ছা জাগে। আপোনাৰ ব্যক্তিত্ব গঢ় লোৱা স্থানখনিৰ উন্নয়নত হাতে হাত ধৰাতকৈ অধিক সুখ আৰু কি হ'ব পাৰে?

**শ্ৰী অৰবিন্দলৈ শ্ৰদ্ধাঞ্জলিঃ** ৫ ডিচেম্বৰ হৈছে শ্ৰী অৰবিন্দৰ মৃত্যু বাৰ্ষিকী। আমি তেওঁৰ বিষয়ে যিমানেই অধিক অধ্যয়ন কৰো, সিমানেই অধিক তেওঁৰ অন্তৰ্দৃষ্টি লাভ কৰো। আমি 'ভকেল ফৰ লোকেল' অভিযানটোৰ সৈতে অগ্ৰসৰ হোৱাত, আমাক শ্ৰী অৰবিন্দৰ স্বদেশী দৰ্শনে বাট দেখুৱাইছে। ■

কিউআৰ ক'ডটো স্কেনৰদ্বাৰা মন কী বাত শুনক

# নিউ ইণ্ডিয়া সমাচাৰ

বছৰ ১, সংখ্যা ১২

১৬-৩১ ডিচেম্বৰ, ২০২০

## সূচীপত্ৰ

1 সম্পাদকীয় পৃষ্ঠা 02

2 মেইল বক্স পৃষ্ঠা 03

3 সংক্ষিপ্ত সংবাদ পৃষ্ঠা 04-05

4 ক'ৰোনাৰ বিৰুদ্ধে যুঁজ পৃষ্ঠা 06-07

5 সু-শাসন দিৱস পৃষ্ঠা 08-10

6 ব্যক্তিত্বঃ পৃষ্ঠা 11

7 শক্তি সুৰক্ষাঃ পৃষ্ঠা 12-14

8 আন্তঃগাঁথনিঃ পৃষ্ঠা 15

9 কৃষিঃ পৃষ্ঠা 16-17

10 প্ৰকাশোৎসৱ পৃষ্ঠা 18-19

11 প্ৰচ্ছদ লেখাঃ পৃষ্ঠা 20-29

12 ভোট সংস্কাৰ পৃষ্ঠা 30-31

13 সা-সুবিধা পৃষ্ঠা 32

14 কাৰ্যক্ৰমণিকা পৃষ্ঠা 33-34

15 কেবিনেটৰ সিদ্ধান্তসমূহ পৃষ্ঠা 35

16 ধনাত্মক দৃষ্টিকোণঃ পৃষ্ঠা 36

**সম্পাদক**
কুলদীপ সিং ধাতৰালিয়া,
মুখ্য সঞ্চালক প্ৰধান, পিআইবি, নতুন দিল্লী

**পৰামৰ্শকাৰী সম্পাদক**
বিনোদ কুমাৰ
সন্তোষ কুমাৰ

**সহকাৰী পৰামৰ্শকাৰী সম্পাদক**
শৰৎ কুমাৰ শৰ্মা

**অলংকৰণ**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**প্ৰকাশ ও মুদ্ৰণ**
সত্যেন্দ্ৰ প্ৰকাশ,
ডিজি, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণঃ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

**প্ৰকাশৰ স্থান**
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং . : DELASS/2020/78827

response-nis@pib.gov.in

# সম্পাদকৰ মেজৰপৰা

*সাদৰ নমস্কাৰ,*

বিজ্ঞানীসকলে থলুৱা ক'ভিড-১৯ ভেকচিন প্ৰস্তুতৰ সীমনাত ভৰি দিয়াকে ধৰি ভাৰতত ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে যুঁজখন স্পষ্টভাৱে এটা নিৰ্ণায়ক বিন্দুত উপনীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনৰ তিনিটা ভেকচিন প্ৰস্তুত ব্যৱস্থা প্ৰত্যক্ষ কৰা আৰু আন একাংশৰ সৈতে ভাৰ্চুৱেল ধৰণেৰে মত-বিনিময় কৰাই কেৱল মাত্ৰ দেশখনৰ জনতাক আশা প্ৰদানেই নহয় বৰঞ্চ বিশ্বখনকে আশা প্ৰদান কৰিছে। এই ভেকচিন কিদৰে জনতাৰ কাষ পাবগৈ, সেয়া নিউ ইণ্ডিয়া সমাচাৰৰ শেহতীয়া সংখ্যাটোত সামৰি লোৱা হৈছে।

এই সংখ্যাৰ প্ৰচ্ছদ লেখাটিত মহামাৰীটোৰ সময়ত চৰকাৰখনৰ ভিন্ন মধ্যৱৰ্তিতাসমূহে কিদৰে অৰ্থনীতি পুনৰুদ্ধাৰত সহায় কৰিছে, তাৰ উল্লেখ কৰা হৈছে। মুখ্য অৰ্থনৈতিক উপদেষ্টাগৰাকীয়ে তেওঁৰ আলোচনাত চৰকাৰখনৰ পন্থা আৰু কৌশলৰ আঁৰত থকা আশাবাদৰ ব্যাখ্যা আগবঢ়াইছে।

জান ভি ঔৰ জাহান ভী আৰু সংকটক সুযোগলৈ ৰূপান্তৰিত কৰাৰ সঁচা উদ্দীপনাৰে, অৰ্থনীতিক বিকাশৰ পথলৈ অনাৰ অৰ্থে চৰকাৰখনৰ অংগীকাৰে পুনৰ এবাৰ দৃশ্যমান সেউজীয়া অংকুৰণ প্ৰতিফলিত কৰিছে আৰু ভিন্ন খণ্ডই উত্তৰণৰ দিশে গতি কৰিছে। প্ৰচ্ছদ লেখাটিত ইয়াৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। দেশখনৰ মুখ্য অৰ্থনৈতিক উপদেষ্টাই জটিল অৰ্থনৈতিক প্ৰসংগসমূহক পাঠকৰ বাবে সহজতৰ কৰি কৈছে যে চৰকাৰখন কেৱল সতৰ্কই নহয় বৰঞ্চ ইয়াৰ দীৰ্ঘ-ম্যাদী পন্থাৰে আশাবাদী হৈ উঠিছে।

২৫ ডিচেম্বৰত মহামান্য মদন মোহন মালব্য আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম বাৰ্ষিকী উপলক্ষে এই সংখ্যাত তেওঁলোকলৈ শ্ৰদ্ধা নিবেদন কৰা হৈছে। দেশখনে বাজপেয়ীৰ জন্ম বাৰ্ষিকী সু শাসন দিৱস হিচাপে পালন কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অন্তৰ্দৃষ্টিসহ ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দৰ গ্ৰন্থ উন্মোচনকো এই সংখ্যাত সামৰি লোৱা হৈছে তথা আন নিয়মীয়া শিতানসমূহৰে আলোচনীখনক সমৃদ্ধ কৰা হৈছে।

আপোনাৰ মতামত আৰু পৰামৰ্শৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

অনুগ্ৰহ কৰি আপোনাৰ প্ৰতিক্ৰিয়া প্ৰেৰণ কৰকঃ


ঠিকনা ঃ ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, দ্বিতীয় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

ই-মেইল ঃ response-nis@pib.gov.in

(কে এছ ধাতৱালিয়া)

# মেইল বক্স




আৰম্ভণিতে, আপোনাৰ পযেকীয়া প্ৰকাশ “নিউ ইণ্ডিয়া সমাচাৰ”ৰ বাবে আপোনাক অভিনন্দন জনাইছো

মই ভাগ্যক্ৰমে ডিচেম্বৰৰ সংখ্যাটি লাভ কৰিলো আৰু তথ্যসমৃদ্ধ আৰু মূল্যৱান বিষয়বস্তুৰে ইয়াৰ উপস্থাপন সঁচাকৈয়ে প্ৰশংসনীয়। অনুগ্ৰহ কৰি এই মেইল আইডিত নিয়মীয়াকৈ পৰৱৰ্তী সংখ্যাসমূহ প্ৰেৰণ কৰিব। যদি কোনো চাবচক্ৰিপশ্যন আছে, অনুগ্ৰহ কৰি মোক জনাব

তদুপৰি এই আলোচনীখনৰ ছপা সংস্কৰণ উপলব্ধ হয়নে সেয়া জানিব খুজিছো। যদি হয়, তেন্তে মোৰ মাৰ বাবে মালায়ালম সংস্কৰণ ক্ৰয় কৰিব বিচাৰো।

santosh@fibre2fashion.com

এনে এখন তথ্যসমৃদ্ধ আলোচনী আগবঢ়োৱাৰ বাবে মই আপোনাক অভিনন্দন জনাইছো। মই মোৰ পৰিয়ালৰ বয়সস্থসকলৰ বাবে “নিউ ইণ্ডিয়া সমাচাৰ” খনি ক্ৰয় কৰিব বিচাৰো যিসকলে ডিজিটেল সংস্কৰণ পঢ়িব পৰাকৈ অভ্যস্ত নহয়। সেয়ে অনুগ্ৰহ কৰি মোক ইয়াৰ ক্ৰয় পদ্ধতি অৱগত কৰিব।

bablupavitra@gmail.com

মোলৈ এই আলোচনীখনৰ বিশেষ সংস্কৰণ প্ৰেৰণৰ বাবে ধন্যবাদ জনালো। ইয়াৰ উপস্থাপন আকৰ্ষণীয় আৰু বিস্তৃত পৰিসৰৰ বাতৰিয়ে আমাক জ্ঞানৰে সমৃদ্ধ কৰিছে। অনুগ্ৰহ কৰি মোলৈ নিয়মীয়াকৈ প্ৰেৰণ কৰি থাকিব

iamchilwal@gmail.com

এখনি অতি সুন্দৰ আৰু তথ্যসমৃদ্ধ আলোচনী আগবঢ়োৱাৰ বাবে অনুগ্ৰহ কৰি মোৰ অভিনন্দন গ্ৰহণ কৰিব।

ashishkalyane1986@gmail.com

এনে এখনি তথ্যসমৃদ্ধ আলোচনী আগবঢ়োৱাৰ বাবে নিউ ইণ্ডিয়া সমাচাৰৰ টীমটোলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো। আগ্ৰহী পাঠকসকলৰ বাবে ছপা সংস্কৰণ প্ৰেৰণ কৰিবলৈ মই আপোনাক অনুৰোধ জনালো।

mayadharmishraa@gmail.com

মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে যোৱা কেইসপ্তাহমানৰপৰা মই নিয়মীয়াভাৱে নিউ ইণ্ডিয়া সমাচাৰৰ ডিজিটেল সংস্কৰণসমূহ পঢ়ি আহিছো। ই বাস্তৱিকতে উপযোগী আৰু তথ্যসমৃদ্ধ।

মই অতিকমেও দুটা ভাষা যথাঃ ইংৰাজী আৰু হিন্দীত নিউ ইণ্ডিয়া সমাচাৰৰ ছপা সংস্কৰণ প্ৰকাশ কৰিবলৈ মতামত আগবঢ়াব বিচাৰিছিলো। পিছে মেইল বক্সৰ মেছেজৰপৰা, এই আলোচনীখনৰ ছপা সংস্কৰণ ইতিমধ্যেই প্ৰকাশ পাই আহিছে বুলি জ্ঞাত হৈছো।

ছপা সংস্কৰণৰ ক্ষেত্ৰত, মই মোৰ ঠিকনাত ইয়াৰ ইংৰাজী সংস্কৰণ লাভ কৰিব খুজিছো যাতে মোৰ আৰু পৰিয়ালৰ সদস্যসকলৰ পৰৱৰ্তী অধ্যয়ন আৰু ৰেকৰ্ডৰ বাবে ইয়াক সংৰক্ষণ কৰি থ'ব পৰা যায়। মই ইয়াক ক্ৰয় কৰিবলৈ আৰু প্ৰয়োজনীয় ধন প্ৰদান কৰিবলৈ আগ্ৰহী।

ritabrata446@gmail.com

# উমংগৰ সম্প্ৰসাৰণ

উমংগ (ইউনিফাইড ম'বাইল এপ্লিকেশ্যন ফৰ নিউ এজ গৱৰ্ণেন্স) এপ এতিয়া ভাৰতীয় শিক্ষাৰ্থী, পৰ্যটক আৰু বিদেশত থকা ভাৰতীয়সকলেও চাব পাৰিব। এই এপ এতিয়া মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, কানাডা, অষ্ট্ৰেলিয়া, ইউএই, নেদাৰলেণ্ড, ছিংগাপুৰ আৰু নিউজিলেণ্ডতো ডাউনলোড কৰিব পাৰিব। ২০১৭ চনত শুভাৰম্ভ কৰা ১৬৩টা বৈশিষ্ট্যসম্পন্ন এই এপত বিভিন্ন চৰকাৰী সেৱা আৰু বিল পেমেণ্টৰ তথ্য পাব পাৰি। এই এপত ২৭খন ৰাজ্যৰ ইপিএফ, পান, ডিজিল'কাৰ, গেছ বুকিঙকে ধৰি ৮৬০টা চৰকাৰী সেৱা আৰু বিল আৰু চালান পেমেণ্টৰ ১,১৮০টা সেৱা প্ৰদান কৰে। ইয়াত ৮৮টা বিভাগৰ ৩৭৩টা সেৱা, ১০১টা বিভাগত ৪৮৭টা সেৱাও সন্নিৱিষ্ট কৰা হৈছে। বৰ্তমানলৈকে ভাৰতত ৩.৭৫ কোটি লোকে এই এপ ডাউনলোড কৰিছে। অন্যান্য দেশতো এই এপৰ সুবিধা প্ৰদান কৰা হ'ব। ইয়াৰ সংখ্যা ধাৰাবাহিকভাৱে বৃদ্ধি পাই আছে।



## লণ্ডনৰ পৰা ঘূৰাই অনা হৈছে তামিলনাডুৰ এটা মন্দিৰৰ পৰা চুৰি হোৱা প্ৰাচীন শিল্পকলা

দেশৰ প্ৰাচীন শিল্পকলাক সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে ত্ৰয়োদশ শতিকাত নিৰ্মিত ভগৱান ৰাম, লক্ষ্মণ আৰু দেৱী সীতাৰ প্ৰতিমা ২০২০ৰ ১৮ নৱেম্বৰত তামিলনাডু চৰকাৰৰ প্ৰতিমা শাখাক হস্তান্তৰ কৰা হৈছে। ১৯৭৮ চনত শ্ৰীৰামগোপাল বিষ্ণু মন্দিৰৰ পৰা চুৰি হোৱা এই প্ৰতিমাসমূহ ২০২০ৰ ১৫ ছেপ্টেম্বৰত ব্ৰিটেইনৰ ভাৰতীয় উচ্চায়ুক্তক লণ্ডন মেট্ৰ'পলিটান আৰক্ষীয়ে ঘূৰাই দিয়ে। এই মন্দিৰটো তামিলনাডুৰ নগাপট্টিনাম জিলাৰ আনন্দমংগলমত বিজয়ানগৰৰ সময়ত নিৰ্মাণ কৰা হৈছিল।

## অনুসূচীত জনজাতি শিক্ষাৰ্থীৰ বাবে জলপানি বৃদ্ধি

অনুসূচীত জনজাতি শিক্ষাৰ্থীসকলৰ বাবে ৰাষ্ট্ৰীয় বিদেশী জলপানিৰ বছৰি ২লাখ টকাৰ পৰা ৬ৰ পৰা ৮লাখ টকালৈ বৃদ্ধি কৰাটোৱে সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ সংকল্পকে প্ৰতিফলিত কৰিছে। এই ঘোষণা ২০২০-২১ বাছনি বৰ্ষৰ পৰা, যিসকলে বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানত নামভৰ্তিৰ সুবিধা লাভ কৰিছে সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্যকৰী হ'ব। ইয়াৰ বাবে যোগ্যতাৰ নম্বৰ ৫৫শতাংশৰ পৰা ৬০শতাংশলৈ বৃদ্ধি কৰা হৈছে।

## বৰ্তমান ৫০,০০০তকৈ অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য আৰু আৰোগ্য কেন্দ্ৰ কাৰ্যক্ষম অৱস্থাত আছে

৫০কোটিতকৈ অধিক লোকক বিনামূলীয়া চিকিৎসা প্ৰদানৰ লক্ষ্যৰে শুভাৰম্ভ কৰা প্ৰধানমন্ত্ৰী জন আৰোগ্য-আয়ুষ্মান ভাৰত যোজনাই আন এক মাইলৰ খুঁটিত পৰিণত হৈছে। বৰ্তমান ৫০,০০০তকৈ অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য আৰু আৰোগ্য কেন্দ্ৰ (এবিএইচডব্লিউচিএছ) কাৰ্যক্ষম অৱস্থাত আছে। ২০২২ চনৰ ডিচেম্বৰৰ ভিতৰত প্ৰায় ১.৫লাখ এবিএইচডব্লিউচিএছ স্থাপন কৰা হ'ব। এই এবিএইচডব্লিউচিসমূহত ইতিমধ্যে দেশৰ ৬৭৮খন জিলাক সামৰি লৈছে, য'ত ২৭,৮৯০টা উপ-স্বাস্থ্য কেন্দ্ৰ, ১৮,৫৩৬টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩,৫৯৯টা নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে।

## অপাৰেশ্যন গ্ৰীণ টপ টু টোটেলৰ অধীনত পৰিবহণত ৰাজসাহায্য




খাদ্য সংসাধন উদ্যোগ মন্ত্ৰালয় (এমঅ'এফপিআই)য়ে কৃষকসকলৰ উন্নয়নৰ অৰ্থে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। অপাৰেশ্যন গ্ৰীণ টপ টু টোটেল হৈছে এনে এখন আঁচনি, যাৰ জৰিয়তে নিৰ্দিষ্ট ফলমূল আৰু শাক-পাচলিৰ পৰিবহণ আৰু সংৰক্ষণত ৫০শতাংশ ৰাজসাহায্য প্ৰদান কৰা হয়। এই ৰাজসাহায্য কিষাণ ৰে'ল আঁচনিৰ অধীনত লাভ কৰে। একেদৰে, উত্তৰ-পূৰ্বাঞ্চলৰ, হিমালয় ৰাজ্যসমূহৰ ফলমূল, শাক-পাচলি বিমানযোগে কৰা পৰিবহণৰ ক্ষেত্ৰতো এই ৰাজসাহায্য উপলব্ধ হ'ব।

## পিএম স্বনিধিৰ অধীনত সহায় কৰাৰ বাবে পদপথৰ ব্যৱসায়ীসকলৰ কাষত বেংক



পদপথৰ ব্যৱসায়ীসকলৰ বাবে গ্ৰহণ কৰা পিএমস্বনিধি আঁচনিৰ অধীনত যথেষ্ট ভাল ফল পোৱা পৰিলক্ষিত হৈছে। বৰ্তমানলৈকে ৭,৮৮,৪৩৮টা ঋণ প্ৰদানেৰে পদ পথৰ দোকানীসকলক উপকৃত কৰা হৈছে। বৰ্তমানলৈকে লাভ কৰা ২৭,৩৩,৪৯৭খন ঋণ আবেদনৰ ভিতৰত ইতিমধ্যে ১৪,৩৪,৪৩৬খন আবেদনত অনুমোদন জনোৱা হৈছে। যিসকল দোকানীয়ে ক'ভিড-১৯ লকডাউনৰ বাবে নিজৰ গাঁৱলৈ ঘূৰি গৈছিল, তেওঁলোক কামলৈ ঘূৰি অহাৰ পাছত এই আঁচনিৰ বাবে যোগ্য হিচাপে বিবেচিত হ'ব।

## "ভাৰত জলবায়ু পৰিৱৰ্তন জ্ঞান প'ৰ্টেল" শুভাৰম্ভ

পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ সংকল্প সুদৃঢ় কৰাৰ লক্ষ্যৰে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে 'ভাৰত জলবায়ু পৰিৱৰ্তন জ্ঞান প'ৰ্টেল' শীৰ্ষক এক প'ৰ্টেল শুভাৰম্ভ কৰিছে। এইটো একক তথ্য উৎস হ'ব, য'ত বিভিন্ন মন্ত্ৰালয়ে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ সন্দৰ্ভত তথ্য লাভ কৰিব পাৰিব। ভাৰতৰ জলবায়ু প্ৰফাইল, ৰাষ্ট্ৰীয় নীতি পৰিকাঠামো, ভাৰত এনডিচি গ'ল, গ্ৰহণযোগ্য কাম-কাজ, কাম-কাজৰ সমাধান, দ্বিপাক্ষিক আৰু বহুপাক্ষিক সহযোগিতা, আন্তঃৰাষ্ট্ৰীয় জলবায়ু আলাপ-আলোচনা, প্ৰতিবেদন আৰু প্ৰকাশন ইত্যাদি হৈছে ইয়াৰ প্ৰধান দিশ। ৱেব প'ৰ্টেল শুভাৰম্ভ কৰি সুখী অনুভৱ কৰা কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে কয় যে দেশে বাস্তৱ ক্ষেত্ৰত ২০২০ৰ পূৰ্বে জলবায়ু কাম-কাজৰ লক্ষ্যত উপনীত হৈছে। এই প'ৰ্টেল চাবলৈ https://www.cckpindia.nic.in/ লিংকত ক্লিক কৰক।

## প্ৰগতিৰ জৰিয়তে ১.৪১লাখ কোটি টকা মূল্যৰ প্ৰকল্প পৰ্যালোচনা

কেন্দ্ৰীয় মন্ত্ৰালয় আৰু প্ৰাসংগিক ৰাজ্য চৰকাৰসমূহক একে মঞ্চত সমবেত কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰগতি শীৰ্ষক মাহেকীয়া ই-প্ৰশাসন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ২৫ নৱেম্বৰ, ২০২০ত ৩৩ সংখ্যক বৈঠকত ১০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১.৪১ লাখ কোটি টকাৰ প্ৰকল্পৰ পৰ্যালোচনা কৰা হয়। ইয়াৰে ভিতৰত ৰে'ল মন্ত্ৰালয়, পথ পৰিবহণ আৰু ঘাইপথ (এমঅ'আৰটিএইচ) আৰু শক্তি মন্ত্ৰালয়ৰ কেতবোৰ প্ৰকল্প আছে। ওড়িশা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, উত্তৰপ্ৰদেশ, জম্মু আৰু কাশ্মীৰ, গুজৰাট, হাৰিয়ানা, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু দাদৰা আৰু নগৰ হাভেলীত এই প্ৰকল্প চলি আছে। প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰালয়ৰ সচিব আৰু ৰাজ্য চৰকাৰসমূহৰ মুখ্যসচিবসকলক নিৰ্দিষ্ট সময়ৰ পূৰ্বে এই কামসমূহ সম্পূৰ্ণ কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ক'ভিড-১৯ আৰু পিএম আৱাস যোজনা সম্পৰ্কীয় কেতবোৰ অভিযোগৰ সন্দৰ্ভতো আলোচনা কৰা হয়। ■






# ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজত ভাৰতে এক নিৰ্ণায়ক পৰ্যায়ত উপনীত হৈছে

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণে বিশ্বজুৰি জনসাধাৰণৰ জীৱনত ব্যাপক প্ৰভাৱ পেলাইছে। মহামাৰীৰে আৰম্ভ হোৱা ২০২০ বৰ্ষত ইয়াৰ সংক্ৰমণ সমগ্ৰ বিশ্বৰ বহু দেশলৈ বিয়পি পৰিছে। এই ভাইৰাছে বিশ্বজুৰি জনসাধাৰণৰ জীৱন গতিৰুদ্ধ কৰি তুলিছে। অৱশ্যে বছৰটোৰ শেষভাগত এটা থলুৱা ক'ৰোনা ভাইৰাছৰ ভেকচিনে আশা সজীৱ কৰি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বিভিন্ন প্ৰান্তত ভেকচিনৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিছে। নৱেম্বৰ মাহত তেওঁ ভেকচিনৰ বিকাশ সাধন কৰি থকা আহমেদাবাদ, হায়দৰাবাদ আৰু পুণে পৰিদৰ্শন কৰে।

ভাৰতে বিশ্বৰ ভেকচিনৰ ৬০ শতাংশই উৎপাদন কৰিছে। সেয়েহে, এয়া নিশ্চিতভাৱে ক'ৰোনা ভাইৰাছবিৰোধী যুঁজত বাকী বিশ্বৰ বাবে ভাৰতে বৃহৎ আশা কঢ়িয়াই আনিছে। ক'ৰোনা ভাইৰাছৰ সংক্ৰমণৰ বিৰুদ্ধে বিশ্বজুৰি ২১২টা ভেকচিনৰ বিকাশ সাধন কৰি থকা হৈছে। বিশ্ব স্বাস্থ্য সংস্থা(হু)ই কৈছে যে এই ২১২টা ভেকচিনৰ ভিতৰত ৪৮টা পৰীক্ষণ মূল্যায়ন পৰ্যায়ত আছে আৰু ১৬৪টা পৰীক্ষণ পূৰ্বৰ অৱস্থাত আছে।

পৰীক্ষণ মূল্যায়ন পৰ্যায়ত থকা ১১টাৰ তৃতীয় পৰ্যায়ৰ পৰীক্ষণ সম্পূৰ্ণ হৈছে। তদুপৰি, আৰু দুটা ভেকচিনৰ দ্বিতীয় পৰ্যায়ৰ পৰীক্ষণ সম্পন্ন কৰা হৈছে। প্ৰায় ১৩টা ১/২ পৰ্যায়ত আৰু ২১টা প্ৰথম পৰ্যায়ত আছে। ছটা ভেকচিন জৰুৰীকালীনভাৱে ব্যৱহাৰৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। ভাৰতত আহমেদাবাদৰ জাইডাছ বায়'টেক পাৰ্ক, হায়দৰাবাদৰ ভাৰত বায়'টেক আৰু পুণেত ছেৰাম ইনষ্টিটিউট অফ ইণ্ডিয়াত ভেকচিনৰ বিকাশ সাধন কৰি থকা হৈছে। আত্মনিৰ্ভৰ ভাৰত পেকেজ-৩.০ৰ অধীনত ৯০০ কোটি টকা ক'ভিড-১৯ ভেকচিন সম্পৰ্কীয় গৱেষণা আৰু বিকাশমূলক কাম-কাজৰ বাবে প্ৰদান কৰা হৈছে। ২০২০ৰ ২৮ নৱেম্বৰত প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদৰ জাইডাছ বায়'টেক পাৰ্ক, হায়দৰাবাদৰ ভাৰত বায়'টেক আৰু পুণেত ছেৰাম ইনষ্টিটিউট অফ ইণ্ডিয়া(এছআইআই) পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পাছত এছআইআই মুখ্য কাৰ্যবাহী বিষয়া আদৰ পুনাৱালিয়াই কয় যে ভেকচিন আৰু ভেকচিন উৎপাদনৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ জ্ঞানক লৈ তেওঁ আচৰিত হৈ পৰে।

## ভেকচিন বিতৰণৰ সন্দৰ্ভত আঠখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে বৈঠক

- আঠখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলক ক'ভিড-১৯ৰ মোকাবিলা আৰু ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ কোৱা হৈছে। তেওঁলোকে আশ্বাস দিয়ে যে ক'ভিড-১৯ বিৰোধী যুঁজত প্ৰত্যেকৰে জীৱন ৰক্ষাৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে আৰু সকলোৰে যাতে ভেকচিন লাভ কৰে সেই দিশত অগ্ৰাধিকাৰ দিয়া হ'ব।
- হাৰিয়ানা, দিল্লী, চত্তীশগড়, কেৰালা, মহাৰাষ্ট্ৰ, ৰাজস্থান, গুজৰাট আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিংযোগে এই বৈঠক অনুষ্ঠিত হয়
- এইখন এই বিষয়ক লৈ মুখ্যমন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত প্ৰধানমন্ত্ৰীৰ একাদশ বৈঠক
- প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে টিকাকৰণৰ ক্ষেত্ৰত দিবলগীয়া অগ্ৰাধিকাৰ ৰাজ্যসমূহৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ব
- অতিৰিক্ত প্ৰয়োজনীয় ক'ল্ড চেইন ষ্টৰেজৰ সন্দৰ্ভত ৰাজ্যসমূহৰ সৈতে আলোচনা কৰি থকা হৈছে
- তেওঁ মুখ্যমন্ত্ৰীসকলক উন্নত ফলাফলৰ বাবে ৰাজ্যিক পৰ্যায়ৰ তদৰ্থ কমিটী আৰু ৰাজ্য আৰু জিলা পৰ্যায়ৰ টাস্ক ফৰ্চৰ সৈতে নিয়মীয়াকৈ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে




- বৰ্তমানলৈকে ২৮,০০০তকৈ অধিক কল্ড চেইন পইণ্ট স্থাপন কৰা হৈছে আৰু ইয়াৰ সংখ্যা বৃদ্ধিৰ দিশত কাম কৰি থকা হৈছে
- প্ৰতিটো ভেকচিন ট্ৰেক কৰিবলৈ এটা ডিজিটেল প্লেটফৰ্ম প্ৰস্তুত কৰাৰ লগতে পৰীক্ষা কৰা হৈছে। ইয়াৰ জৰিয়তে কোম্পানীৰ পৰা ওলোৱাৰ পৰা মানুহৰ ওচৰ পোৱালৈকে প্ৰতিটো পৰ্যায় ট্ৰেক কৰা হ'ব।
- টিকাকৰণৰ ক্ষেত্ৰত স্বাস্থ্যকৰ্মী, আগশাৰীৰ কৰ্মচাৰীৰ লগতে যিসকল সহজতে সংক্ৰমণ হোৱাৰ আশংকা থাকে, তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হ'ব।
- ছিৰিঞ্জ ক্ৰয়ৰ কাম একেবাৰে অন্তিম পৰ্যায়ত উপনীত হৈছে

(প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণ শুনিবলৈ এই কিউআৰ ক'ড স্কেন কৰক)

# চূড়ান্ত পৰীক্ষণ সম্পন্ন হোৱা ভেকচিন



## ক'ভিশ্বিল্ড

ক'ভাক্সিনৰ ক্ষেত্ৰত ৯০%লৈকে কাৰ্যক্ষম হোৱাৰ ফল পোৱা গৈছে

- অক্সফৰ্ড বিশ্ববিদ্যালয় আৰু অস্ত্ৰজেনেকাৰ সৈতে ছেৰাম ইনষ্টিটিউট অফ ইণ্ডিয়াই এই(ক'ভিশ্বিল্ড) ভেকচিন প্ৰস্তুত কৰিছে। ছেৰামে কয় যে ভাৰতত এই ভেকচিন জৰুৰীকালীনভাৱে দুসপ্তাহৰ ভিতৰত ব্যৱহাৰ কৰা হ'ব।

## ক'ভাক্সিন



২৫টা স্থানত আৰম্ভ কৰা ক'ভাক্সিনৰ ক্ষেত্ৰত তৃতীয় পৰ্যায়ৰ পৰীক্ষণত ৯০%লৈকে কাৰ্যক্ষম হোৱাৰ ফল পোৱা গৈছে।

- নেচনেল ইনষ্টিটিউট অফ ভাইৰ'লজি আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ(আইচিএমআৰ)ৰ সৈতে হায়দৰাবাদৰ ভাৰত বায়'টেকে এই ভেকচিনৰ বিকাশ সাধন কৰিছে। ২০২১ৰ প্ৰথম ত্ৰিমাসিকত এই ভেকচিন শুভাৰম্ভ কৰাৰ লক্ষ্য লোৱা হৈছে।

### কোনো শিথিলতা নাই

| | | | মুঠ | পৰীক্ষাগাৰ |
|---|---|---|---|---|
| ৯৪.২৮ % আৰোগ্যৰ হাৰ | ১.৪৫ % মৃত্যুৰ হাৰ | ৪,০৯,৬৮৯ জন ৰোগী চিকিৎসাধীন | ৯,৬০৮,২১১ জন লোক আক্ৰান্ত | চৰকাৰী ১,১৮৭ |
| বৰ্তমানলৈকে আৰোগ্য ৰোগী-৯০,৫৮,৮২২জন | | | | বেচৰকাৰী ১০১২ |

[তথ্য ৫ ডিচেম্বৰ, ২০২০লৈ]

## প্ৰথম পৰ্যায়ত ৩১ কোটি লোকক টিকাকৰণ কৰা হ'ব

- মুখ্য বৈজ্ঞানিক উপদেষ্টা কে. বিজয়ৰাঘৱনে কয় যে ডঃ ভি. কে. পালৰ নেতৃত্বত নেচনেল ভেকচিন কমিটীয়ে কাক প্ৰথমে টিকাকৰণ কৰা হ'ব, সেই ক্ষেত্ৰত এক ব্লুপ্ৰিণ্ট প্ৰস্তুত কৰিছে।
- বিজ্ঞান মন্ত্ৰালয় আৰু ভাৰতীয় উদ্যোগ মহাসংঘৰ সৈতে অনুষ্ঠিত বৈঠকত তেওঁ জনায় যে মাৰ্চ আৰু মে' মাহৰ ভিতৰত ৩১ কোটি লোকক টিকাকৰণৰ বাবে চিনাক্ত কৰা হৈছে।
- বিজয়ৰাঘৱনে কয়, "এই ভেকচিনৰ প্ৰথম ১ কোটি স্বাস্থ্য কৰ্মী, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ আৰক্ষী বাহিনী, সেনা জোৱান, গৃহৰক্ষী জোৱান, ৫০ বছৰৰ উৰ্দ্ধৰ আৰু ৫০ বছৰৰ উৰ্দ্ধৰ অতি ক্ষতিশংকা থকা ২৬ কোটি লোকক টিকাকৰণ কৰা হ'ব।"

**জাইডাছ কেডিলা হেল্থকেয়াৰ**

আহমেদাবাদস্থিত জাইডাছ কেডিলা হেল্থকেয়াৰৰ ভেকচিনৰ পৰীক্ষণো দ্বিতীয় পৰ্যায়ত আছে। কেডিলা হেল্থকেয়াৰৰ ভেকচিনৰ ফলাফল সোনকালে প্ৰকাশ কৰা হ'ব। এই ভেকচিন ২০২১ৰ এপ্ৰিলৰ ভিতৰত লাভ কৰাৰ আশা কৰা হৈছে। ■

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীক তেওঁ জনতাকেন্দ্ৰিক নীতি আৰু স্বচ্ছ আৰু জবাবদিহি প্ৰশাসনৰ বাবে সদায় মনত ৰখা হ'ব। তেওঁৰ সন্মানাৰ্থে তথা তেওঁৰ ধ্যান-ধাৰণাসমূহ আগুৱাই নিয়াৰ বাবে ২৫ ডিচেম্বৰত তেওঁৰ জন্মদিনটো প্ৰতি বছৰে সু-শাসন দিৱস হিচাপে পালন কৰা হয়।



# সু-শাসনৰ হোতা

ৰাষ্ট্ৰনেতা, কবি, জননেতা আৰু সমগ্ৰ জনসাধাৰণৰ আদৰৰ ব্যক্তি, প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ২০১৮ চনত এই সংসাৰ ত্যাগ কৰে। ৯৬সংখ্যক জন্ম বাৰ্ষিকীত এইটো ক'ব পাৰি যে বৰ্তমানৰ চৰকাৰে বাজপেয়ীৰ ধ্যান-ধাৰণাৰ দিশত কাম কৰিছে আৰু তেওঁৰ সপোনৰ স্বৰাজক বাস্তবায়িত কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তিনিবাৰৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সফলতাৰে প্ৰথম অ-কংগ্ৰেছী মৰ্চা চৰকাৰ গঠন সম্পূৰ্ণ কৃতিত্ব অৰ্জনই কৰাই নহয় 'মৰ্চা ধৰ্ম'ৰে এটা কাৰ্যকালো সম্পূৰ্ণ কৰে।

প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত চৰকাৰে কেতবোৰ উল্লেখযোগ্য মাইলখুঁটিত উপনীত হৈছিল। পোখৰান পাৰমাণৱিক পৰীক্ষণো তেওঁৰ দ্বিতীয় কাৰ্যকালত সম্পন্ন কৰা হৈছিল আৰু বাজপেয়ীজীৰ নেতৃত্বৰ চৰকাৰে আন্তঃৰাষ্ট্ৰীয় অনুমোদনৰ ক্ষেত্ৰত থিয় দিছিল। তেওঁ কেতিয়াও আন্তঃৰাষ্ট্ৰীয় আৰু বহিঁ চাপৰ সন্মুখীন হোৱা নাছিল আৰু ওড়িশাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গিৰিধৰ গামাঙে তেওঁৰ চৰকাৰৰ বিৰুদ্ধে ভোট দিয়াৰ পাছতো, সেই পৰিস্থিতি সুকলমে চম্ভালি লৈছিল। তেওঁ এটা ভোটৰ বাবে চৰকাৰ হেৰুৱাইছিল, কিন্তু জনতাৰ বিশ্বাস পুনৰ জয়ী হৈছিল। তেওঁ কাৰ্যকালতে পাকিস্তানৰ সৈতে শান্তি প্ৰচেষ্টা আৰু লাহোৰ ঘোষণা পত্ৰ স্বাক্ষৰৰ বাবেও উল্লেখযোগ্য হিচাপে বিবেচিত হৈছে। সু-শাসনৰ প্ৰচেষ্টাৰ জৰিয়তে বাজপেয়ীজীয়ে ভাৰতক এক পৃথক পৰ্যায়লৈ লৈ যায়।

তেওঁৰ চৰকাৰে আৰম্ভ কৰা স্বৰ্ণীল চতুৰ্ভূজ প্ৰকল্পক বৰ্তমানৰ নৰেন্দ্ৰ মোদী চৰকাৰে ভালদৰে গঢ় দিছে। এইগৰাকী দূৰদৰ্শী নেতাই যোগাযোগ ব্যৱস্থাৰ সক্ষমতাক ভালদৰে উপলব্ধি কৰিছিল। ম'বাইল যোগাযোগ, সমগ্ৰ দেশৰ গাঁওসমূহক সংযোগ কৰি নিৰ্মাণ কৰা পথে এইগৰাকী বিশিষ্ট ৰাষ্ট্ৰনেতাৰ দূৰদৰ্শিতাকে প্ৰমাণিত কৰে। তেওঁ ভাৰতৰ ম'বাইল ফোনৰ নৱজাগৰণৰ সূচনা কৰিছিল, কিয়নো তেওঁৰ কাৰ্যকালতে ইনকামিং কল বিনামূলীয়া কৰা হৈছিল। তেওঁৰ শাসনকালতে এক নতুন টেলিকম পলিচি গঢ় দিয়া হৈছিল, যিটোৰে ব্যক্তিগত

কোম্পানীসমূহক ইয়াৰ সেৱা সম্প্ৰসাৰণৰ বৃহৎ সুযোগ প্ৰদান কৰিলে। তেওঁ কাৰ্যকালতে ভাৰতে পাকিস্তানৰ বিৰুদ্ধে যুদ্ধত জয় হৈছিল, যিখন যুদ্ধ ১৯৯৯ চনৰ মে'ৰ পৰা জুলাইৰ মাজৰ সময়ছোৱাত কাৰ্গিল সীমান্তত হৈছিল। শাসন ব্যৱস্থা সৰল কৰাৰ বাবে বাজপেয়ী চৰকাৰে ঝাৰখণ্ড, উত্তৰাখণ্ড আৰু চত্তিশগড় গঠন কৰিছিল। নদী-সংলগ্নীকৰণ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ স্বপ্নৰ প্ৰকল্প আছিল।

সু শাসনৰ অৰ্থই হৈছে সকলোৰে ওজৰ-আপত্তিৰ সু-মীমাংসা, সকলো নাগৰিকৰ বাবে লাভ আৰু সুযোগৰ সম বিতৰণ, প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সুৰক্ষা; যাতে প্ৰতিগৰাকী নাগৰিকক চৰকাৰী কাম-কাজে স্পৰ্শ কৰিবণে পাৰে। ভাল আৰু জনতা-কেন্দ্ৰিক সিদ্ধান্তৰ উত্তৰাধিকাৰিত্ব প্ৰদান কৰি থৈ যোৱা অটলজীক সু শাসনৰ পুৰোধা বুলি গণ্য কৰা হয়। উন্নয়ন-মুখী, স্বচ্ছ আৰু দায়বদ্ধ চৰকাৰ গঠন কৰাই তেওঁৰ লক্ষ্য আছিল, যিয়ে দ্ৰুত ভাবে আৰু সহজ প্ৰক্ৰিয়াৰে ৰাইজক সুফল দিব পৰাকৈ কাম কৰিব। তেওঁৰ কাৰ্যকালত তেওঁ এয়া বাস্তৱ কৰাৰ প্ৰয়াসত ব্ৰতী হৈছিল।

তেওঁলৈ শ্ৰদ্ধাৰ্ঘ্য আগবঢ়োৱাৰ লগতে তেওঁৰ আদৰ্শক আগুৱাই নিয়াৰ উদ্দেশ্যেৰেই তেওঁৰ জন্মদিনত প্ৰতি বছৰে 'সু শাসন দিৱস' উদযাপন কৰি অহা হৈছে। ২০১৪ চনত শাসন ভাৰ গ্ৰহণ কৰাৰ পিচতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ ডিচেম্বৰ তাৰিখটো 'সু শাসন দিৱস' হিচাপে উদযাপন কৰাৰ কথা ঘোষণা কৰিছিল।

'প্ৰথমে নাগৰিক'-ৰ মন্ত্ৰ, আদৰ্শ আৰু পথক সাৰোগত কৰি লোৱা ভাৰতে শাসনৰ প্ৰক্ৰিয়াসমূহত জনতাৰ সহযোগ নিশ্চিত কৰিব পৰাকৈ চৰকাৰক নাগৰিকৰ কাষ চপাই অনাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। জনতাৰ ওজৰ-আপত্তিসমূহৰ মীমাংসাৰ প্ৰসংগক প্ৰশাসনৰ অতিকৈ গুৰুত্বপূৰ্ণ প্ৰ-ভাগ বুলি বিবেচনা কৰিছে চৰকাৰে।

২০১৪ চনৰ পৰা সকলোবোৰ চৰকাৰী কাৰ্যালয়তে ৰাজহুৱা ওজৰ-আপত্তি মীমাংসাৰ প্ৰসংগই সৰ্বাধিক প্ৰাথমিকতা লাভ কৰিবলৈ লৈছে। ইয়াৰ বাবে ব্যৱস্থাৰ বহুখিনি সাল-সলনিও কৰা হৈছে। চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগসমূহে তেওঁলোকৰ কাম-কাজ পৰ্যবেক্ষন কৰিবলৈ লোৱাৰ ফলত আভ্যন্তৰীণ পদ্ধতিৰ বহু উত্তৰণ সম্ভৱ হৈছে। প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত ৰাইজে ঘৰতে বহিয়েই চৰকাৰৰ সৈতে সংযুক্ত হোৱাৰ পৰিৱেশ সৃষ্টি হৈছে। চৰকাৰ আৰু নাগৰিকৰ মাজত থকা দূৰত্বত ই সেঁতু বান্ধিছে। ২০১৪ চনৰ প্ৰথম 'সু শাসন দিৱস'ৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে সু শাসনৰ বাবে সমগ্ৰ ব্যৱস্থটোকে স্বচ্ছ আৰু দ্ৰুত কৰি তোলাৰ বাবে চৰকাৰী কাম-কাজৰ প্ৰক্ৰিয়া সৰলীকৰণক অতিকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছিল।

"শপতনামা আৰু প্ৰামাণিকৰণৰ ঠাইত স্ব-প্ৰত্যয়িতকৰণৰ বাবে উদ্বুদ্ধ কৰাটো আন এটা সূচক নাগৰিক আৰু চৰকাৰৰ মাজৰ সম্পৰ্ক।

## সু শাসনৰ বাবে চৰকাৰে গ্ৰহণ কৰা উদ্যোগসমূহ

- প্ৰগতি : সৰ্ব সাধাৰণ ৰাইজৰ আপত্তি নিষ্পত্তি কৰাৰ লগতে চৰকাৰৰ গুৰুত্বপূৰ্ণ কাৰ্যক্ৰম আৰু প্ৰকল্পসমূহৰ নিৰীক্ষণ আৰু পৰ্যালোচনাৰ লক্ষ্যৰে সক্ৰিয় শাসন আৰু সময়সাপেক্ষ ৰূপায়ণৰ ব্যৱস্থা
- জীৱন প্ৰমাণ : পেঞ্চনৰ বাবে প্ৰয়োজনীয় জ্যেষ্ঠ নাগৰিসকলৰ বাৰ্ষিক 'জীৱন প্ৰত্যায়িতকৰণ'ৰ বাবে ইলেক্ট্ৰনিক ব্যৱস্থা
- ডিজি-লকাৰ : কাকতবিহীন শাসন-ব্যৱস্থাৰ বাবে
- উমংগ : ই কেন্দ্ৰৰ পৰা স্থানীয় প্ৰশাসন পৰ্যন্ত দেশৰ সকলো চৰকাৰী নিকায়ৰ সৈতে সংযোগ স্থাপন কৰিব পৰা একত্ৰ মঞ্চৰ সুবিধা প্ৰদান কৰে
- অনুভৱ : ই অৱসৰী কৰ্মচাৰীসকলৰ প্ৰশংসাযোগ্য কৰ্মৰাজীৰ বিৱৰণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰে
- অনলাইন আৰটিআই প'ৰ্টেল
- অদক্ষ বিষয়াৰ বিৰুদ্ধে অসহনশীলতা আৰু দক্ষ বিষয়াক উৎসাহিত কৰা নীতি গ্ৰহণ
- ইলেক্ট্ৰনিক হিউমেন ৰিছ'ৰ্চেচ মেনেজমেণ্ট ছীষ্টেম(ই-এইচআৰএমএছ) : উচিত ব্যক্তিক উচিত কামত নিয়োগৰ ক্ষেত্ৰত চৰকাৰক সহযোগিতা আগবঢ়াব পৰা ই এক কম-ব্যয়সাপেক্ষ পদক্ষেপ। ইয়াৰ জৰিয়তে কৰ্মচাৰীসকলে তেওঁলোকৰ সবিশেষ প্ৰত্যক্ষ কৰাৰ লগতে বিভিন্ন প্ৰসংগত ব্যৱস্থা গ্ৰহণৰ আৰ্জি দিয়াৰ বাবে একক মঞ্চ হিচাপে ইয়াক ব্যৱহাৰ কৰিব পাৰে
- আধাৰ-সংযোজিত বায়'মেট্ৰিক-চৰকাৰী কৰ্মচাৰীৰ বাবে বায়'মেট্ৰিক সঞ্চালিত উপস্থিতিৰ তথ্যজ্ঞাপক ব্যৱস্থা
- ৰাষ্ট্ৰীয় ডিজিটেল সাক্ষৰতা মিছন
- ই-পোষ্ট : গ্ৰাহকৰ ছপা অথবা হাতে লিখা বাৰ্তা স্কেন কৰি ই-মেইলৰ ৰূপত প্ৰেৰণ কৰা ই এক সেৱা। লক্ষ্যস্থানৰ কাৰ্যালয়ত এইসমূহ বাৰ্তা ছপাই, খামত ভৰাই ডাকোৱালৰ জৰিয়তে বিতৰণৰ দিহা কৰা হয়।
- ই-সম্পৰ্ক : ৯০ লাখ পঞ্জীয়ণভুক্ত ব্যৱহাৰকাৰীসহ ই এক অনলাইন বাৰ্তাবাহী মঞ্চ




## সু শাসনৰ বাবে ই-গভাৰ্নেন্স

সু শাসন হ'ল বুনিয়াদ আৰু ই-গভাৰ্নেন্স হ'ল সাধন। শাসনৰ ফলাফল আৰু পদ্ধতিগত উত্তৰণৰ বাবে সু শাসনে এইসমূহ উপকৰণৰ আৰ্হি আৰু আকাৰৰ নিৰ্দেশনা প্ৰদান কৰে। ই-গভাৰ্নেন্সৰ প্ৰভাৱশালী ৰূপায়ণে তথ্য প্ৰযুক্তিৰ জৰিয়তে চৰকাৰক সাধাৰণ মানুহৰ কাষ চপাই নিব পাৰে, নাগৰিক আৰু অংশীদাৰী পক্ষসমূহৰ পৰিৱৰ্তিত প্ৰয়োজনীয়তাৰে জড়িত হ'ব পৰাকৈ চৰকাৰক সহযোগিতা আগবঢ়াব পাৰে।

## 'সু শাসন দিৱস' উদযাপনৰ উদ্দেশ্য

মুক্ত আৰু দায়বদ্ধ প্ৰশাসনিক ব্যৱস্থা আগবঢ়োৱাৰ বাবে চৰকাৰী প্ৰক্ৰিয়াসমূহক পুণৰ-গঠন কৰিবলৈ

- স্বচ্ছ আৰু দায়বদ্ধ প্ৰশাসন প্ৰদানৰ বাবে চৰকাৰে দিয়া প্ৰতিশ্ৰুতিৰ বিষয়ে জনগণক অৱগত কৰিবলৈ
- সৰ্ব সাধাৰণ ৰাইজৰ উন্নত জীৱনৰ বাবে কল্যাণৰ পৰিসৰ বৰ্দ্ধনৰ বাবে
- চৰকাৰী কাম-কাজৰ মান নিৰূপণ কৰাৰ লগতে ৰাইজৰ বাবে অধিক প্ৰভাৱশালী আৰু দায়বদ্ধ শাসনব্যৱস্থা গঢ়ি তুলিবলৈ
- সু শাসনৰ মিছন পূৰ্ণ কৰিব পৰাকৈ নিৰ্দ্ধাৰণ কৰা সু আৰু প্ৰভাৱশালী নীতিৰ ৰূপায়ণ কৰিবলৈ

## সু শাসনৰ সূচকাংক

২০১৯ৰ 'সু শাসন দিৱস'ৰ দিনা 'সু শাসন সূচাংক'(জিজিআই) ঘোষণা কৰা হৈছিল। শাসনৰ বিভিন্ন সূচকসমূহৰ সমীক্ষাৰে এই সূচকাংকৰ আৰ্হি বিজ্ঞানসন্মত ভাবে যুগুতোৱা হৈছিল। ই নিতান্তই নাগৰিক-কেন্দ্ৰিক আৰু আজিৰ তাৰিখত বৰ্তি থকা শাসনৰ স্থিতি নিৰ্ণয় কৰিব বিচৰা ধৰণৰ।

সকলো ৰাজ্যৰ শাসনৰ স্থিতি আৰু কেন্দ্ৰ আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ চৰকাৰসমূহে গ্ৰহণ কৰা হস্তক্ষেপসমূহৰ সমীক্ষা কৰিব পৰা ই এক সমাবেশী উপকৰণ। 'জিজিআই'-য়ে সকলো ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চলৰ শাসনব্যৱস্থাৰ তুলনাত্মক তথ্যাৱলীৰ যোগান ধৰা, শাসন প্ৰক্ৰিয়াৰ উত্তৰণ সম্ভৱ কৰিব পৰাকৈ যথোচিত কৌশল ৰচনা কৰাত সহযোগিতা কৰা আৰু সাফল্য আহৰণ কৰিব পৰাকৈ ইয়াক প্ৰশাসনলৈ হস্তান্তৰিত কৰাত সহায় আগবঢ়ায়।

সূচকৰ নিৰ্বাচন প্ৰক্ৰিয়াত বিভিন্ন নীতি-আদৰ্শক সাৰোগত কৰা হয়, উদাহৰণ স্বৰূপে ই সহজবোধ্য আৰু সহজে গণনা কৰিব পৰা বিধৰ হ'ব লাগিব; নাগৰিক-কেন্দ্ৰিক, উন্নত ফলদায়ী আৰু সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে সমানে ব্যৱহাৰযোগ্য হ'ব লাগিব।

## দহোটা খণ্ডক 'জিজিআই'-য়ে বিবেচনাৰ বাবে গ্ৰহণ কৰিছে


- কৃষি আৰু আৰু আনুষংগিক খণ্ড
- বাণিজ্য আৰু উদ্যোগ
- মানৱ সম্পদ উন্নয়ণ
- জন স্বাস্থ্য
- ৰাজহুৱা আন্তঃগাঁথনি আৰু সা-সুবিধা
- অৰ্থনৈতিক শাসনব্যৱস্থাপনা
- সমাজ কল্যাণ আৰু উন্নয়ণ
- ন্যায়িক আৰু গণ সুৰক্ষা
- পৰিৱেশ
- নাগৰিক-কেন্দ্ৰিক শাসন

শাসনৰ এই দহোটা খণ্ডক মুঠ ৫০টা সূচকৰে সমীক্ষা কৰা হয়। প্ৰমূল্য নিৰ্দ্ধাৰণৰ বাবে শাসনৰ একোটা খণ্ডত ভিন ভিন সূচকৰ বাবে পৃথক গুৰুত্ব প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

যিবিলাক আইন পুৰণি হৈছে অথবা গ্ৰহণযোগ্যতা হেৰুৱাইছে তেনেবোৰ আইন-বিধিক আঁতৰোৱাত গুৰুত্ব আৰোপ কৰা হৈছে" বুলি মত প্ৰকাশ কৰে প্ৰধানমন্ত্ৰীয়ে। 'সু শাসন দিৱস' হিচাপে জন্মদিনটো উদযাপন কৰাৰ লগতে ইয়াৰ বাবে আমি উতসৰ্গিত হোৱাৰ পণ লোৱাতকৈ অটলজীলৈ শ্ৰদ্ধাৰ্ঘ্য আগবঢ়োৱাৰ বাবে আন কোনো ডাঙৰ পন্থা হ'ব নোৱাৰে। ২০১৮ চনৰ ১৬ আগষ্টত তেওঁ ইহলীলা সম্বৰণ কৰে। ৰাষ্ট্ৰীয় ৰাজধানীৰ যমুনাৰ পাৰত থকা তেওঁৰ স্মাৰকক 'সদৈৱ অটল' বুলি নামংকিত কৰা হৈছে। ■

# দূৰদৃষ্টিসম্পন্ন ব্যক্তিত্বক স্মৰণ

গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে সমাজৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু কৰ্মৰাজীক স্বীকৃতি দিবলৈকে উচিত ভাবেই পণ্ডিত মদন মোহন মালব্যক 'মহামনা' বুলি অভিহিত কৰিছিল। তেওঁ কেৱল উদাৰ কাশী নৰেশৰ পৰা বিশ্ববিদ্যালয়ৰ বাবে বিশাল পৰিসৰৰ ভূমিখণ্ড আদায় কৰাই নহয়, বৰং হাইদৰাবাদৰ নিজামৰ পৰা বিশাল পৰিমাণৰ ধনৰাশিও আদায় কৰিবলৈ সক্ষম হৈছিল। চৌৰিচৌৰাত সংঘটিত ঘটনাৰ পৰিণতিত ফাঁচিকাঠত ওলমিবলগীয়া একাংশ বিপ্লৱীৰ প্ৰাণ ৰক্ষা কৰাটোও তেওঁ সম্পাদন কৰা অনবদ্য কৰ্মৰাজীৰ অন্যতম আছিল, যিয়ে তেওঁৰ নামৰ আগত যুক্ত হোৱা 'মহামনা' শব্দৰ যথৰ্থতাকে প্ৰতিপন্ন কৰে।



**[জন্ম ২৫ ডিচেম্বৰ ১৮৬১ মৃত্যু ১২ নৱেম্বৰ ১৯৪৬]**

পণ্ডিত মদন মোহন মালব্য, এগৰাকী দূৰদৃষ্টি সম্পন্ন ব্যক্তি, সমাজ সংস্কাৰক, সংবাদসেৱী, শিক্ষাবিদ আৰু এগৰাকী বৰেণ্য নেতা আছিল। ভাৰতৰ এইগৰাকী মহান আত্মাৰ ব্যক্তিত্ব দৰাচলতেই বহুমুখী প্ৰতিভাৰ আকৰ আছিল। তেওঁৰ অভ্যন্তৰত থকা দূৰদৃষ্টিৰ বাবেই এইগৰাকী ব্যক্তিয়ে অনুভৱ কৰিব পাৰিছিল যে এদল প্ৰগতিবাদী আৰু সংস্কৃতিবান যুৱকে শাসন কৰিব পাৰিলেহে দেশে লাভ কৰা স্বাধীনতা সাৰ্থক হ'ব। ৰাষ্ট্ৰই 'ভাৰতৰত্ন' পণ্ডিত মদন মোহন মালব্যৰ ১৫৯ সংখ্যক জয়ন্তী উদযাপন কৰাৰ মুহূৰ্তত এইগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিৰ আদৰ্শই প্ৰজন্মৰ পিচত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি আশা কৰিব পাৰি।

- মালব্য জীয়ে দেশক 'সত্যমেব জয়তে'(সত্যৰহে সদায় জয়)ৰ দৰে বাণীৰ উত্তৰাধিকাৰিত্ব প্ৰদান কৰি থৈ গৈছে।
- তেওঁ হৰিদ্বাৰৰ 'হৰ কী পৌৰী'ত 'গংগা আৰতি'ৰ পৰম্পৰা প্ৰতিষ্ঠা কৰিছিল। তেওঁ হিন্দী, গংগা আৰু গাই-ৰ মহত্ব প্ৰতিষ্ঠাৰ নামত উৎসৰ্গিত আছিল

তেওঁৰ দৃষ্টিভংগীৰ আধাৰতে ১৯১৬ চনত 'বেনাৰস হিন্দু বিশ্ববিদ্যালয়'(বিএইচইউ)ৰ বুনিয়াদ ৰচনা হৈছিল। যিকোনো লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰহ-নিপানীকৈ প্ৰয়াস কৰাৰ ক্ষেত্ৰত 'মহাত্মা'ৰ সমকক্ষ তেনেই বিৰল আছিল। কোৱা হয় যে বিশ্ববিদ্যালয় স্থাপনৰ বাবে নিজামে দান দিবলৈ অস্বীকাৰ কৰোতে তেওঁৰ পাদুকাজোৰকে নিলামত দিবলৈ সন্মত কৰায় আৰু ঘটনাক্ৰমে, এইগৰাকী নিজামেই বৃহৎ পৰিমাণৰ ধনৰ বিনিময়ত নিজৰ পাদুকাযোৰ ডাকত ক্ৰয় কৰিবলৈ বাধ্য হ'বলগীয়া হৈছিল। চাৰিবাৰকৈ 'ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ'ৰ

> "মালব্য জীৰ সমান মহান দেশপ্ৰেমিক আন কোনোবা আছে বুলি মই নাভাবো, মই সদায়ে তেওঁক প্ৰণাম কৰো। তেওঁতকৈ অধিক ভাৰতৰ বাবে সেৱা আগবঢ়োৱা আন এজন জীৱিত ভাৰতীয়সকলৰ মাজত নাই"।
>
> মহাত্মা গান্ধী

সভাপতি আৰু 'অখিল ভাৰতীয় হিন্দু মহাসভা'ৰ অধ্যক্ষ হিচাপে তেওঁ কেতিয়াও নিজৰ আদৰ্শৰে আপোচ কৰা নাছিল। মহাত্মা গান্ধীৰ বাবে 'মহামনা' আছিল তেওঁৰ বিবেক-ৰখীয়া, জ্যেষ্ঠ ভ্ৰাতৃ সদৃশ। ১৯০৯ চনত তেওঁ 'দি লীডাৰ' নামৰ বাতৰি কাকতখন প্ৰকাশিত কৰিছিল। কাকতখন তেতিয়াৰ এলাহাবাদৰ পৰা প্ৰকাশিত হৈছিল। এগৰাকী অধিবক্তা হিচাপে তেওঁৰ দক্ষতা ১৯২২ চনত চৌৰিচৌৰাত সংঘটিত এটা ঘটনাত অভিযুক্ত ১৭০জন ব্যক্তিৰ হৈ কৰা ওকালতিৰ সাফল্যতে প্ৰতিপন্ন হৈছিল। এইসকল অভিযুক্তৰ কমেও ১৫৫গৰাকীক ফাঁচিকাঠতে উঠাৰ পৰা ৰক্ষা কৰা লগতে বাকীসকল অভিযুক্তৰ মৃত্যুদণ্ডকো যাৱজ্জীৱন কাৰদণ্ডলৈ ৰূপান্তৰিত কৰাত সফল হৈছিল মালব্যজী। ১৯১৬ চনত সম্পাদিত 'লক্ষ্ণৌ চুক্তি'ৰ আধাৰত মুছলমানৰ বাবে পৃথক নিৰ্বাচন বিধিৰ তেওঁ বিৰোধিতা কৰিছিল। তেওঁ হৰিদ্বাৰত গংগাৰ বাধাহীন প্ৰবাহ অব্যাহত ৰখা আৰু ভৱিষ্যতেও কোনো বাধাৰ সন্মুখীন হোৱাৰ পৰা গংগাক সুৰক্ষিত ৰখা সন্দৰ্ভত 'গংগা মহাসভাৰে' এক চুক্তি সম্পাদিত কৰিবলৈ ব্ৰিটিছ চৰকাৰক বাধ্য কৰাইছিল। এইগৰাকী বিশিষ্ট স্বাধীনতা সংগ্ৰামীক ২০১৫ চনত মৰণোত্তৰভাৱে 'ভাৰতৰত্ন' সন্মানৰে সন্মানিত কৰা হয়। ■

# শক্তি বিপ্লৱৰ শিখৰত

**সমগ্ৰ পৃথিৱীয়েই জলবায়ু পৰিৱৰ্তনৰ প্ৰচণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাৰ মুহূৰ্ত্তত 'নৱীকৰণযোগ্য শক্তি' নিৰ্ভৰতাত মনোনিৱেশ কৰাটো হ'ব সময়ৰ আহ্বান। এই প্ৰত্যাহ্বান স্বীকাৰ কৰি যোৱা ছটা বছৰত ভাৰতে 'নৱীকৰণযোগ্য শক্তি'ৰ উৎপাদনৰ সংস্থাপিত সামৰ্থ্য আঢ়ৈ গুণে বৃদ্ধি কৰাৰ লগতে ইয়াৰ পৰিসৰ আৰু অধিক বৃদ্ধিৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে**

২০১৪ চনত প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ লোৱাৰে পৰা ভাৰতে 'নৱীকৰণযোগ্য শক্তি' আহৰণত মনোনিৱেশ কৰি আহিছে। 'গোলকীয় নৱীকৰণযোগ্য শক্তি বিনিয়োগ সন্মিলন তথা এক্সপো' (আৰই-ইনভেষ্ট ২০২০)ৰ শুভাৰম্ভ ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে 'নৱীকৰণযোগ্য শক্তিক্ষেত্ৰ' আৰু পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা প্ৰয়াসৰ শলাগ লয়। ৮০খনৰো অধিক দেশৰ প্ৰতিনিধিমণ্ডলীক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে তেনেই কম সময়তে 'নবীকৰণযোগ্য শক্তি'ৰ উৎপাদন 'মেগাৱাট'ৰ পৰা 'গিগাৱাট'লৈ আগবঢ়া কথাত আৰু 'এক সূৰ্য, এখন পৃথিৱী, এক গ্ৰীড'-ৰ সপোন বাস্তৱায়িত হোৱা কথাত সন্তুষ্টি প্ৰকাশ কৰে। শেহতীয়া ছটা বছৰত দেশে শক্তি বিপ্লৱৰ ক্ষেত্ৰত বহুখিনি আগবঢ়িলে। 'নৱীকৰণয়োগ্য শক্তি'ৰ উৎপাদন সামৰ্থ্যৰ ক্ষেত্ৰত

3rd GLOBAL RE-INVEST
RENEWABLE ENERGY INVESTORS' MEET & EXPO
26-28 NOVEMBER 2020 • NEW DELHI, INDIA
NEW INDIA • NEW ENERGY

ভাৰত পৃথিৱীৰ চতুৰ্থ সৰ্ববৃহৎ উৎপাদনকাৰী আৰু সবাতোকৈ দ্ৰুত গতিবেগেৰে আগবঢ়া দেশ। এই মুহূৰ্তত 'নৱীকৰণযোগ্য শক্তি' উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থ্য ১৩৬ গিগাৱাট, যি মুঠ উৎপাদন সামৰ্থ্যৰ ৩৬%।

## ঔদ্ৰোজ্জ্বল খণ্ড

- ২০২০চনৰ অক্টোবৰ পৰ্যন্ত উৎপাদিত মুঠ ৩,৭৩,৪৩৬ মেগাৱাট শক্তিৰ ভিতৰত 'নৱীকৰণযোগ্য শক্তি'ৰ অংশ হ'ল ৮৯,৬৩৬ মেগাৱাট। ২০২২ চনৰ ভিতৰত ১৭৫ গিগাৱাট আৰু ২০৩০ চনৰ ভিতৰত ৪৫০ গিগাৱাট শক্তি উৎপাদনৰ সামৰ্থ্য অৰ্জন কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে চৰকাৰে। (১ গিগাৱাট - ১০০০ মেগাৱাট-১ বিলিয়ন ৱাট)
- সৌৰ বিপ্লৱৰ ক্ষেত্ৰত অধিক সংগঠিত হোৱা গুজৰাট, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, ৰাজস্থান, তামিল নাডু আৰু হিমাচল প্ৰদেশৰ দৰে ৰাজ্যই 'নৱীকৰণযোগ্য শক্তি' ৰ ক্ষেত্ৰত নেতৃত্ব দান কৰিব
- বায়ু, জৈৱ, জলবিদ্যুতৰ দৰে উৎসৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাই ২০৩৫ চনৰ ভিতৰততে দেশে লক্ষ্যত উপনীত হ'বগৈ পাৰিব সেই কথাকে প্ৰতীয়মান কৰে
- মধ্য প্ৰদেশৰ ৰেৱাত অলপতে ১৫০০ হেক্টৰ মাটিত এটা ৭৫০ মেগাৱাট বিজুলী উৎপাদনক্ষম বৃহত সৌৰ শক্তি প্ৰকল্পৰ শুভাৰম্ভ কৰা হৈছে। এই প্ৰকল্পই ২.৬০



কোটি জোপা গছে শোষণ কৰিব পৰা পৰিমাণৰ কাৰ্বন ডাই অক্সাইডৰ সমান প্ৰদূষণ ৰোধ কৰিব পাৰিব।

- 'আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁট-বন্ধন'-ক লৈ ভাৰতে গ্ৰহণ কৰা উদ্যোগ নিতান্তই এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। 'ৰাষ্ট্ৰীয় সৌৰ মিছন'ৰ আধাৰত সৌৰ-উপকৰণ নিৰ্মাণত মনোনিৱেশ কৰিব পাৰিলে সিয়ে দেশক ২০৩০ৰ ভিতৰত আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত সহায়ক কৰিব।

## পেৰিছ বুজাবুজি ভাৰতৰ সাফল্য

জলবায়ু পৰিৱৰ্তন হাৰ নিয়ন্ত্ৰণ কৰাৰ লগতে ইয়াৰ নেতিবাচক প্ৰভাৱ প্ৰশমিত কৰাৰ ক্ষেত্ৰত ২০১৫ চনৰ 'পেৰিছ বুজাবুজি' এক গুৰুত্বপূৰ্ণ দস্তাবেজ। এই বুজাবুজিৰ আধাৰত পৃথিৱীৰ ১৭৯খন দেশে এই শতিকাৰ বাকী থকা সময়কালত তাপমান বৃদ্ধিৰ পৰিমাণ ২ডিগ্ৰী চেলচিয়াছ অথবা সম্ভৱ হ'লে ১.৫ ডিগ্ৰী চেলচিয়াছত সীমিত ৰখাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। 'ক্লাইমেট ট্ৰেন্সপাৰেঞ্চি'ৰ এক প্ৰতিবেদনৰ তথ্য মতে, জি-২০ দেশৰ ভিতৰত ভাৰত একমাত্ৰ দেশ, যিয়ে 'পেৰিছ বুজাবুজি'য়ে নিৰ্দ্ধাৰণ কৰা লক্ষ্যত উপনীত হোৱাত সাফল্য লাভ কৰিছে। ইয়েই 'নৱীকৰণযোগ্য শক্তি' আহৰণৰ লগতে পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণৰ প্ৰতি ভাৰতে প্ৰদৰ্শন কৰা নিৰবিচ্ছিন্ন সচেতনতাকে প্ৰতিপন্ন কৰে। ■

## ধ্বজাবাহী আঁচনি : সৌৰ মানচিত্ৰৰ বৃহত্তৰ সম্প্ৰসাৰণৰ বাবে 'পিএম-কুসুম'



দেশৰ কৃষিক্ষেত্ৰক আধুনিক প্ৰযুক্তিৰে সংযোজিত কৰাৰ বাবে 'প্ৰধানমন্ত্ৰী-কিষাণ উৰ্জা সুৰক্ষা এবং উত্থান মহাভিযান'(পিএম-কুসুম) এক গুৰুত্বপূৰ্ণ আঁচনি হিচাপে পৰিগণিত হৈছে। কৃষক ৰাইজৰ জীৱনৰ মান উন্নত কৰাই যিহেতু চৰকাৰৰ মুখ্য উদ্দেশ্য, এই আঁচনিৰ জৰিয়তে দেশত এক শক্তিশালী সৌৰ মানচিত্ৰ বাস্তৱায়িত কৰি 'নৱীকৰণযোগ্য শক্তি উৎস'ৰ সংসাধনৰ জৰিয়তে সাফল্যৰ পৰিভাষা সলনি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে।

ভাৰত অতীজৰে পৰাই এখন কৃষি নিৰ্ভৰশীল দেশ আৰু কৃষকসকলে বিভিন্ন পদ্ধতিৰ জলসিঞ্চনৰ বাবে জলবিদ্যুত বা তাপবিদ্যুত প্ৰকল্প উৎপাদিত বিদ্যুত শক্তিৰ দৰে পৰম্পৰাগত উৎসৰ ওপৰত দীৰ্ঘদিন ধৰি নিৰ্ভৰ কৰি আহিছে। পিচে, জলসিঞ্চনৰ বাবে পৰ্যাপ্ত পানীৰ অভাৱে বছৰৰ পিচত বছৰ ধৰি খেতিৰ অনিষ্ট কৰি কৃষক ৰাইজক জুৰুলা কৰি আহিছে। ২০২২ চনৰ ভিতৰত কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধিৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা চৰকাৰে ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত 'পিএম-কুসুম' শীৰ্ষক আঁচনিখন ৰূপায়ণৰ দিহা কৰে।

প্ৰচুৰ পৰিমাণে হোৱা বৰষুণ আৰু জল-সিঞ্চনৰ অভাৱৰ পৰিণতিত হোৱা শস্যৰ ক্ষতি এক নিয়মীয়া সমস্যা। 'প্ৰধানমন্ত্ৰী-কুসুম' আঁচনিৰ জৰিয়তে কৃষকসকলে সৌৰ পাম্প সংস্থাপিত কৰি জলসিঞ্চনৰ সুযোগ গ্ৰহণ কৰিব পাৰে। ইফালে পথাৰত সৌৰ-পাত সংস্থাপিত কৰি তেওঁলোকে বিদ্যুৎশক্তি উৎপাদন কৰিব পাৰে আৰু সেই বিদ্যুত 'ডিছকম'ত বিক্ৰীও কৰিব পাৰে। ২০২২চনৰ ভিতৰত ২৫,৭৫০ মেগাৱাট পৰিমাণৰ বিদ্যুত শক্তি উৎপাদনক্ষম সৌৰ-প্ৰকল্প স্থাপনৰ লক্ষ্য গ্ৰহণ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে গাঁওসমূহত নিৰবিচ্ছিন্ন বিদ্যুতৰ যোগানো নিশ্চিত কৰিব পৰা যাব। নিৰ্দ্ধাৰিত লক্ষ্যৰ আধাৰত ২০২২ চনৰ ভিতৰত আন উৎসৰ পৰা উৎপাদিত বিদ্যুত ব্যৱহাৰ নকৰাকৈ কেৱল সৌৰ-প্ৰকল্পৰ বিদ্যুতৰেই তিনি কোটি কৃষি পাম্প চলোৱাৰ দিহা কৰা হ'ব। এই আঁচনিৰ ৰূপায়ণত ব্যয় হ'ব ১.৪০ লাখ কোটি টকা। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহে উভয়ে ৪৮,০০০কোটি টকাকৈ অৰিহণা আগবঢ়াব। কৃষকসকলে আঁচনিখনৰ বাবে ১০%ৰ অৰিহণা আগবঢ়াব। আনহাতে, কুসুম আঁচনিৰ বাবে ৩৪,৪২২ কোটি টকা বেংক ঋণৰ ৰূপত আগবঢ়োৱা হ'ব।

# ‘কুসুম’ আঁচনিয়ে আগবঢ়ায় দুই ধৰণৰ লাভ

এই আঁচনিয়ে কৃষকসকলক দুই ধৰণে উপকৃত কৰিব। এক, তেওঁলোকে জলসিঞ্চনৰ বাবে বিনামূলীয়াকৈ বিদ্যুৎ শক্তি লাভ কৰিব আৰু দ্বিতীয়তে, তেওঁলোকে যদি অতিৰিক্ত বিদ্যুৎ উৎপাদন কৰে আৰু সেয়া গ্ৰীডলৈ পঠোৱাৰ ব্যৱস্থা কৰে, তেন্তে বিনিময়ত কৃষকসকলে কিছু ধন আয়ো কৰিব পাৰিব



## ‘কুসুম’ আঁচনিৰ উল্লেখনীয় দিশসমূহ

**৩০%**
ৰাজসাহায্য আগবঢ়াব কেন্দ্ৰীয় চৰকাৰে

**৩০%**
ৰাজসাহায্য আগবঢ়াব ৰাজ্য চৰকাৰসমূহে

**৩০%**
বেংকসমূহে এই ধন কৃষকসকললৈ ঋণ হিচাপে আগবঢ়াব

**১০%**
সৌৰ শক্তি উপকৰণ সংস্থাপিত কৰাৰ বাবে এই ধন কৃষকসকলে আদায় দিব

### লাভসমূহ

মাটিৰ গৰাকীসকলে আগন্তুক ২৫ বছৰৰ বাবে প্ৰতিবছৰে প্ৰতি একৰ মাটিত ৬০ হাজাৰৰ পৰা ১ লাখ টকা পৰ্যন্ত আয় কৰিব পাৰিব

### শক্তিৰ বৃহৎ সঞ্চয়

সৌৰ শক্তিৰ সুবাদত বিদ্যুতৰ ৰাহিয়েই কেৱল কৰিব পৰা নাযাব, বৰঞ্চ ৩০,৮০০মেগাৱাট পৰিমাণৰ অতিৰিক্ত বিজুলীও উৎপাদন কৰিব পৰা যাব। সৌৰ-পাত সংস্থাপিত কৰি বিজুলী উৎপাদন কৰিবলৈ কৃষকসকলক অনুমতি প্ৰদান কৰিব চৰকাৰে।

**লাভসমূহ আপুনি গ্ৰহণ কৰিব পাৰে...** ‘কুসুম’-ৰ বাবে আবেদন কৰাৰ বাবে আপুনি চৰকাৰী ৱেবছাইট https://Mnre.Gov.in/ ৰ জৰিয়তে পঞ্জীয়ণ কৰিব পাৰিব।

### আঁচনিখনৰ তিনিটা প্ৰ-ভাগ

**প্ৰভাগ ক :** নৱীকৰণযোগ্য শক্তি প্ৰকল্পলৈ ১০,০০০ মেগাৱাট বিকেন্দ্ৰীকৃত গ্ৰীডৰ সংযোজনৰ দিহা। কৃষকসকলে ব্যক্তিগত ভাবে অথবা জোঁট বান্ধি কিম্বা সমবায় নতুবা পঞ্চায়ত বা ‘কৃষক-উৎপাদক সংস্থা’ (এফপিঅ) ভিত্তিত ৫০০ কিলোৱাট (কেডব্লিউ) ১ পৰা ২ মেগাৱাট (এমডব্লিউ) পৰিমাণৰ শক্তি উৎপাদনক্ষম সৌৰ অথবা অন্য ‘নৱীকৰণযোগ্য শক্তি প্ৰকল্প’ (আৰইপিপি) স্থাপন কৰিব। বিশেষ প্ৰয়োজনীয়তাত ৫০০ কিলোৱাটৰ কম উৎপাদনক্ষম সৌৰ কিম্বা অন্য ‘নৱীকৰণযোগ্য শক্তি প্ৰকল্প’ স্থাপন কৰিবলৈ ‘পাৱাৰ-ডিছকম’-য়ে অনুমতি প্ৰদান কৰিব।

**প্ৰভাগ খ :** সৌৰ শক্তি সঞ্চালিত ২০ লাখ কৃষি পাম্পৰ সংস্থাপন। গ্ৰীডৰ পৰিসৰৰ বাহিৰৰ এলেকাত ইতিমধ্যে থকা ডিজেল সঞ্চালিত পাম্প প্ৰতিস্থাপিত কৰাৰ বাবে অকলশৰীয়াকৈ স্থাপন কৰিব খোজা ৭.৫ অশ্বশক্তি পৰ্যন্ত সৌৰ কৃষি পাম্পৰ ক্ষেত্ৰত ব্যক্তিগত পৰ্যায়ত কৃষকলৈ সহযোগিতা আবঢ়োৱা হ’ব। ৭.৫ অশ্বশক্তিৰ ওপৰৰ পাম্পৰ সংস্থাপনৰ ক্ষেত্ৰত অনুমোদন জনোৱা হ’ব যদিও কেন্দ্ৰীয় বিত্তীয় সহযোগিতা ৭.৫ অশ্বশক্তি সম্পন্ন পাম্পৰ ক্ষেত্ৰতে সীমিত ৰখা হ’ব।


**প্ৰভাগ গ :** সৌৰ শক্তি সঞ্চালিত কৃষি পাম্পৰ জৰিয়তে সংযোজিত ১৫ লাখ গ্ৰীডৰ সৌৰশক্তিকৰণ। গ্ৰীড সংযোজিত কৃষি পাম্প থকা কৃষকসকলক ব্যক্তিগত ভাবে সহযোগিতা আগবঢ়োৱা হ’ব।

### প্ৰথম পৰ্যায়ত ডিজেল-পাম্পসমূহ প্ৰতিস্থাপিত কৰা হ’ব

‘কুসুম’ আঁচনিৰ প্ৰথমটো পৰ্যায়ত ডিজেল সঞ্চালিত কৃষি পাম্পসমূহৰ সৌৰ শক্তিকৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ১৭.৫০ লাখ জলসিঞ্চন পাম্প চলোৱাৰ বাবে সৌৰ শক্তিৰে চলোৱাৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰা হ’ব। ইয়ে ডিজেলৰ ব্যয় হ্ৰাস কৰা, খাৰুৱা তেলৰ আমদানী কম কৰা আৰু পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষা নিশ্চিত কৰাত সহায় কৰিব। কৃষকসকলে তেওঁলোকৰ অনুৰ্বৰ মাটিবোৰ সৌৰ শক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব পাৰিব। ■

# কৃষকৰ সবলীকৰণ

*কৃষক-কল্যাণ সন্দৰ্ভত ভ্ৰম প্ৰচাৰত জড়িত বিৰোধী পক্ষক সমালোচনা কৰাৰ লগতে এনে অপ-চেষ্টাৰ বিৰুদ্ধে স্থিতি গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয় যে দশকৰ পিচত দশক ধৰি কৰা চল-চাতুৰীৰ বাবেই কৃষকসকল ইমানদিনে ভ্ৰমিত হৈ আহিছিল যদিও এতিয়া পৰিস্থিতি সলনি হৈছে* **"এতিয়া কামবোৰ গংগাজলৰ দৰেই নিৰ্মলতাৰে কৰা হয়"।**



কৃষক আৰু কৃষি খণ্ডৰ বাবে চৰকাৰে বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰিছে। পূৰ্বৰ চৰকাৰসমূহৰ অংগীকাৰসমূহক লৈ কৃষকসকল সন্দিহান হৈ আহিছিল। পিচে এতিয়া কৃষকসকলৰ অধিকাৰসমূহ সুৰক্ষিত কৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁলোকে অধিক আয় কৰিবলৈ সক্ষম হোৱাৰ উপৰি তেওঁলোকে উৎপাদন কৰা সামগ্ৰীসমূহ কোনো এক নিৰ্দিষ্ট মণ্ডি কিম্বা বজাৰতে বিক্ৰী কৰাৰ বাধ্যবাধকতাৰ পৰা মুক্ত হ'ব পাৰিছে। চৰকাৰে পৰিস্থিতি আৰু অধিক উন্নত কৰাৰ বাবে প্ৰয়াস অব্যাহতও ৰাখিছে। ইউৰীয়াৰ ক'লা-ব্যৱসায় বন্ধ কৰাৰ বাবে প্ৰদান কৰা প্ৰতিশ্ৰুতি চৰকাৰে পালন কৰিছে আৰু কৃষকলৈ পৰ্যাপ্ত পৰিমাণৰ ইউৰীয়াৰ যোগান ধৰিছে। সেইদৰে, 'স্বামীনাথন আয়োগ'-য়ে আগবঢ়োৱা পৰামৰ্শ সাৰোগত কৰি ১.৫ গুণ হিচাপত 'ন্যূনতম সমৰ্থন মূল্য' (এমএছপি) নিৰ্দ্ধাৰণৰ প্ৰতিশ্ৰুতিও ৰূপায়ণ কৰা হৈছে।

এলানি আঁচনিয়ে কৃষকসকললৈ সহযোগিতা আগবঢ়াইছে। অৱশ্যে, তেওঁলোকৰ মাজত এতিয়াও কেতবোৰ ভুল ধাৰণা বৰ্তী আছে। নৱেম্বৰৰ ৬ তাৰিখে বাৰানসী লোকসভা সমষ্টিত 'এনএইচ-১৯'ৰ বাৰানসী-প্ৰয়াগৰাজ শাখাত ৰূপায়ণ কৰা ৬-লেনযুক্ত পথ নিৰ্মাণ প্ৰকল্প উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কৃষকসমাজৰ কল্যাণৰ প্ৰতি তেওঁৰ উৎসৰ্গিত মনোভাৱৰ কথা দোহাৰে।

## প্ৰধানমন্ত্ৰীৰ ভাষণৰ গুৰুত্বপূৰ্ণ প্ৰসংগৰ উদ্ধৃতি

- কৃষিখণ্ডৰ নতুন সংস্কাৰে কৃষকসকলক নতুন বিকল্প, ন্যায়িক সুৰক্ষা প্ৰদান কৰাৰ লগতে যিসকলে পুৰণি ব্যৱস্থাকে সাৰোগত কৰি থাকিব খোজে তেওঁলোকৰ বাবে সেই সুবিধাও প্ৰদান কৰিছে।
- আগতে, মণ্ডিৰ বাহিৰত কৰা লেন-দেন অবৈধ বুলি গণ্য কৰা হৈছিল, পিচে এতিয়া ক্ষুদ্ৰ খেতিয়কসকলেও মণ্ডিৰ বাহিৰত বৈধ ভাবে লেন-দেন কৰিব পাৰিব।
- বৰ্তমানৰ চৰকাৰে ইতিমধ্যে কৰা কাম-কাজসমূহ পৰ্যবেক্ষণ কৰিলেই স্বতঃস্ফূৰ্ত ভাবে সত্য উদ্ভাষিত হৈ উঠিব।
- ২০১৪ চনৰ আগৰ পাঁচোটা বছৰত কৃষকৰ পৰা প্ৰায় ৬.৫ কোটি টকাৰ মাহজাতীয় শস্য কিনা হৈছিল। পিচে, ইয়াৰ পৰৱৰ্তি পাঁচোটা বছৰত মাহ কিনা হৈছিল ৪৯,০০০ কোটি টকা পৰিমাণৰ; অৰ্থাৎ ৭৫ গুণ অধিক বৃদ্ধি।
- ২০১৪ চনৰ আগৰ পাঁচোটা বছৰত কৃষকৰ পৰা প্ৰায় ২ লাখ কোটি টকাৰ ধান কিনা হৈছিল। পিচে, ইয়াৰ পৰৱৰ্তি পাঁচোটা বছৰত মাহ কিনা হৈছিল ৫ লাখ কোটি টকা পৰিমাণৰ; অৰ্থাৎ পূৰ্বতকৈ ২.৫ গুণ অধিক পৰিমাণে।
- চৰকাৰে মণ্ডিসমূহৰ আধুনিকীকৰণৰ বাবে কোটি কোটি টকা ব্যয় কৰিছে। পিচে, মণ্ডি আৰু ন্যূনতম সমৰ্থন মূল্যই যদি অসাৰ প্ৰতিপন্ন হয় তেন্তে ইমানবোৰ টকা ব্যয় কৰাৰ সাৰ্থকতা কত ?
- দেশৰ ১০ কোটিৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ সহযোগিতা পুঁজিৰ ধন প্ৰত্যক্ষ ভাবে প্ৰেৰণ কৰা হৈছে। এই পৰ্যন্ত, প্ৰায় ১ লাখ কোটি টকা কৃষকসকলে লাভ কৰিছে।
- কৃষক পৰিয়ালসমূহৰ চিন্তাও চৰকাৰে দূৰ কৰিছে। যিসকল কৃষকৰ মনত কৃষি সংস্কাৰক লৈ সন্দেহে বিৰাজ কৰি আছে, সেইসকল কৃষকেও অদূৰ ভৱিষ্যতে এইসমূহ সংস্কাৰৰ সুবিধাসমূহ গ্ৰহণ কৰি তেওঁলোকৰ আয় বৃদ্ধি কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰীয়ে।

**SCAN THE QR CODE TO HEAR THE PM'S ADDRESS)**
The New India Samachar in the October 1–15 issue clarified the veracity and misleading facts related to the agricultural reform bill. You can read it by visiting this link
http://davp.nic.in/nis/pdf/NIS%20English%20 October%201-15.pdf

# নতুন কৃষি আইনে কৃষকক বৃহৎ বজাৰ, উন্নত মূল্য আদায়ৰ সুবিধা প্ৰদান কৰিব

**খেতিয়কসকলৰ সবলীকৰণত প্ৰাথমিকতা প্ৰদান কৰিছে চৰকাৰে। ছেপ্টেম্বৰ ২০২০ত সংসদে অনুমোদন জনোৱা নতুন কৃষি আইনে ২০২২ চনৰ ভিতৰত খেতিয়কসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰদৰ্শন কৰিছে**



নতুন দিল্লীত শাসন ভাৰ গ্ৰহণ কৰাৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৃষকৰ আয় বৃদ্ধি কৰিব পৰাকৈ দেশৰ কৃষি খণ্ডৰ ৰূপান্তৰ সাধনক প্ৰাথমিকতা প্ৰদান কৰি আহিছে। বিগত ছটা বছৰত কৃষক ৰাইজৰ অৱস্থা উন্নত কৰাৰ বাবে বহু সংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধিৰ বাবে চৰকাৰে ইতিমধ্যেই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। আন বহু ব্যৱস্থাৰ লগতে বহুমুখী বিপণন আৰু আগতীয়াকৈ সম্পন্ন কৰা বন্দোবস্তি কৰিব পৰাকৈ কৃষকৰ বাবে আইনী ব্যৱস্থা সম্বললিত তিনিখন আইন- 'কৃষকৰ উৎপাদিত সামগ্ৰীৰ ব্যৱসায় আৰু বাণিজ্য (সংৰক্ষণ আৰু সুবিধা প্ৰদান) আইন'; 'কৃষক (সবলীকৰণ আৰু সুৰক্ষা) মূল্য নিশ্চয়তা বুজাবুজি আৰু পথাৰ সেৱা আইন'; আৰু 'অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধিত) আইন' বলবৎকৰণৰ দিহা কৰিছে।


X **গুজৱ :** নূন্যতম সহযোগিতা মূল্য (এমএছপি)ৰ প্ৰথা বাতিল হ'ব

- 'এপিএমচি' মণ্ডিৰ বাহিৰত যদি ফচল বিক্ৰী কৰা হয়, তেন্তে ইয়াৰ কাম বন্ধ হ'ব
- চৰকাৰে আৰম্ভ কৰা 'ই-নাম'-ৰ দৰে ইলেক্ট্ৰনিক প'ৰ্টেলৰ ভৱিষ্যত কি হ'ব

✓ **তথ্য :** নূন্যতম সমৰ্থন মূল্য'ৰ জৰিয়তে ক্ৰয় প্ৰথা অব্যাহত থাকিব, কৃষকে তেওঁলোকৰ ফচলসমূহ নূন্যতম সমৰ্থন মূল্য'ত বিক্ৰী কৰিব পাৰিব

- মণ্ডিসমূহে কাম বন্ধ নকৰে, আগৰ দৰেই বাণিজ্য অব্যাহত থাকিব। মণ্ডিৰ বাহিৰেও আন ঠাইতো খেতিয়কসকলে তেওঁলোকৰ সামগ্ৰী বিক্ৰী কৰিব পাৰিব
- 'ই-নাম' বাণিজ্য পদ্ধতি অব্যাহত থাকিব
- এই ব্যৱস্থাই কৃষকসকলক ব্যৱস্থাপক, পাইকাৰী ব্যৱসায়ী, সংগ্ৰাহক, বৃহত খুচুৰা ব্যৱসায়ী, ৰপ্তানিকাৰক আদিৰ সৈতে একেশাৰীতে থিয় হৈ কাম কৰাৰ বাবে সমৰ্থ্যবান কৰি তুলিব।
- আনকি শস্য সিঁচাৰ পূৰ্বেই কৃষকক ফচলৰ দৰ নিৰ্দ্ধাৰণ নিশ্চয়তা প্ৰদান। নূন্যতম সমৰ্থন মূল্য'ৰ বিপৰীতে উচ্চ হাৰত ফচল বিক্ৰীৰ সুযোগ ল'ব পাৰিব খেতিয়কে

- ইয়ে বজাৰৰ অনিশ্চয়তা, বিপদৰ আশংকা কৃষকৰ পৰা পৃষ্ঠপোষকসকললৈ স্থানান্তৰিত কৰিব
- ইয়ে বিপণন ব্যয় হ্ৰাস কৰাৰ বিপৰীতে কৃষকৰ আয় বৃদ্ধি কৰিব
- মীমাংসাৰ বাবে নিৰ্দিষ্ট সময়ৰ স্পষ্ট নিৰ্দেশনাৰে প্ৰভাৱশালী সিদ্ধান্ত গ্ৰহণৰ ব্যৱস্থাপনা আগবঢ়োৱা হৈছে
- কৃষি খণ্ডক উপকৃত কৰিব পৰাকৈ গৱেষণা আৰু নতুন প্ৰযুক্তিৰ সংযোজনৰ দিহা




**ই 'ৰাজ্যিক কৃষিজাত উৎপাদন বিপণন আইন'ৰ অধীনত অধিসূচিত কৰা বজাৰ-চৌহদৰ বাহিৰত বাধাহীন ভাৱে-'আন্তঃৰাজ্যিক' আৰু 'ৰাজ্যান্তৰিক' ব্যৱসায় আৰু বাণিজ্যৰ উত্তৰণ সম্ভৱ কৰি তুলিব**

X গুজৱ : 'কনট্ৰেক ফাৰ্মিং' ব্যৱস্থাত খেতিয়কসকল চাপত থাকিব লাগিব আৰু তেওঁলোকে মূল্য নিৰ্দ্ধাৰণৰ সুযোগ লাভ কৰিব নোৱাৰিব

- নতুন পদ্ধতিয়ে খেতিয়কসকলক সমস্যাত পেলাব
- মতানক্যৰ বেলিকা বৃহৎ প্ৰতিষ্ঠানসমূহে সদায়ে সুযোগ গ্ৰহণ কৰিব পাৰিব

✓ তথ্য : পচন্দ অনুসৰি উৎপাদিত ফচলৰ দৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কৃষকসকলে সম্পূৰ্ণ ক্ষমতা লাভ কৰিব। তেওঁলোকে তিনিদিনৰ ভিতৰত ধন লাভ কৰিব

- পথাৰৰ পৰাই খৰিদ্দাৰে প্ৰত্যক্ষ ভাবে ফচল উঠাই নিব
- ওজৰ-আপত্তিৰ ক্ষেত্ৰত প্ৰত্যেকবাৰেই আদালতলৈ গৈ থকাৰ প্ৰয়োজন নাথাকিব। আপত্তি নিষ্পত্তি কৰিবলৈ স্থানীয় পৰ্যায়ত ব্যৱস্থাপনা কৰা হৈছে।
- ইয়ে কৃষকৰ মাটিৰ বিক্ৰী কৰা, চুক্তি কৰা অথবা বন্ধকত দিয়াটো বাৰণ কৰিছে
- গ্ৰাহক পক্ষৰ পৰা আগধন আদি গ্ৰহণ নকৰা পৰিস্থিতিত কোনোধৰণৰ জৰিমণা নভৰাকৈয়ে কৃষকসকলে যিকোনো মুহূৰ্তত এনে বুজাবুজি বাতিল কৰিব পাৰিব
- কৃষি সংক্ৰান্তীয় বুজাবুজি নিৰ্দ্ধাৰিত ফচল আৰু নিৰ্দিষ্ট সময় কালৰ বাবেহে প্ৰযোজ্য হ'ব ■

**২০১৪-২০২০ৰ সময়ছোৱাত 'এমএছপি'-ৰ হাৰ ভালেখিনি বৃদ্ধি কৰা হৈছে**

- এম এছ স্বামীনাথনৰ অধ্যক্ষতাত গঠিত 'কৃষক সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগ'-য়ে আগবঢ়োৱা পৰামৰ্শৰ আধাৰত বহুকেইবিধ ফচলৰ নূন্যতম সমৰ্থন মূল্য' (এমএছপি) শস্য ৰোপণ ব্যয়ৰ ১.৫ গুণে বৃদ্ধি কৰা হৈছে
- শেহতীয়া ৫টা বছৰত ধানৰ ক্ষেত্ৰত চৰকাৰে 'এমএছপি'-ৰ হাৰ ২.৪ গুণে বৃদ্ধি কৰিছে। এই সময়ছোৱাত ধানৰ সংগ্ৰহৰ বিপৰীতে প্ৰদান কৰা 'এমএছপি'-ৰ পৰিমাণ ৪.৯৫ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বৱৰ্তি পাঁচোটা বছৰত এই পৰিমাণ আছিল মাত্ৰ ২.০৬ লাখ কোটি টকা
- মাহ জাতীয় ফচলৰ ক্ষেত্ৰত 'এমএছপি'-ৰ পৰিমাণ ৭৫ গুণে বৃদ্ধি পায় ৪৯,০০০ কোটি টকা হয়গৈ। ২০০৯-১৪ৰ সময়ছোৱাত এই পৰিমাণ আছিল মাত্ৰ ৬৪৫ কোটি টকা
- শেহতীয়া পাঁচোটা বৰ্ষত ঘেহুৰ 'এমএছপি' ১.৭৭ গুণে বৃদ্ধি পায়। এই সময়ছোৱাত পূৰ্বৱৰ্তি পাঁচোটা বৰ্ষৰ ১.৬৮ লাখ কোটিৰ বিপৰীতে ২.৯৭ লাখ কোটি টকাৰ 'এমএছপি' আদায় দিয়া হয়।
- এইছোৱা কালত তৈল বীজ, শুকান নাৰিকলৰ 'এমএছপি'ও ১০ গুণে বৃদ্ধি পাইছে। এই দুবিধ ফচলৰ বাবদ আদায় দিয়া এমএছপিৰ পৰিমাণ পূৰ্বৱৰ্তি পাঁচ বছৰৰ ২,৪৬০ কোটিৰ বিপৰীতে ২৫,০০০ কোটি হয়গৈ
- ২০২০ৰ ৰবি শস্যৰ বতৰত চৰকাৰী সংস্থাসমূহে সংগ্ৰহ কৰা খাদ্য দ্ৰব্যৰ মুঠ পৰিমাণ আছিল ৩৮২ লাখ মেট্ৰিকটন। এই পৰিমাণ এই পৰ্যন্ত সৰ্বকালৰ সৰ্বাধিক বুলি চিহ্নিত হৈছে



# শিখসকলৰ সৈতে বিশেষ সম্পৰ্ক

*বহু দশক জুৰি বন্ধ হৈ থকা কাৰ্তাৰপুৰ ক'ৰিডৰ মুকলি কৰি, গুৰু নানকদেৱ জীৰ ৫৫০ সংখ্যক জয়ন্তী সমগ্ৰ পৃথিৱী জুৰি ভব্য ৰূপত উদযাপন কৰি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু তেওঁৰ চৰকাৰখনে শিখ সম্প্ৰদায়ৰ ঐতিহ্য পুনৰ প্ৰতিস্থাৰ প্ৰয়াস কৰিছে। বিগত ছটা বছৰত শিখসকলৰ কল্যাণৰ লক্ষ্যৰে বহুবোৰ প্ৰতিষ্ঠানিক পদক্ষেপ গ্ৰহণ কৰিছে।*

"

"পৃথিৱী জুৰি গুৰু নানকদেৱ জীৰ প্ৰভাৱ স্পষ্ট বিদ্যমান। ভেংকুৱাৰৰ পৰা ৱেলিংটনলৈ, ছিংগাপুৰৰ পৰা দক্ষিণ আফ্ৰিকালৈ সকলোতে তেওঁৰ বাণীসমূহ শ্ৰৱণ কৰা হয়। 'গুৰু গ্ৰন্থ চাহিব'ত উল্লেখ কৰা হৈছিল, 'সেৱক কো সেৱা বুন আয়ী', অৰ্থাৎ সেৱক এগৰাকীৰ কাম হৈছে সেৱা কৰা। মই ভাবো, তেওঁৰ কামৰ সৈতে মোক অতি ঘনিষ্ঠ ভাবে জড়িত কৰি গুৰু চাহিবে মোক বিশেষ ভাবে ধন্য কৰিছে"।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

চৰকাৰে বহু বছৰ ধৰি নেৰানেপেৰাকৈ চলাই অহা প্ৰয়াসৰ সুবাদত ২০১৯ চনত অনুষ্ঠিত গুৰু নানকদেৱ জীৰ ৫৫০ সংখ্যক জয়ন্তীত পাঞ্জাৱৰ গুৰদাসপুৰ জিলাৰ 'ডেৰা বাবা নানক' আৰু পাকিস্তানৰ কাৰ্তাৰপুৰত থকা 'গুৰদ্বাৰা শ্ৰী কাৰ্তাৰপুৰ চাহিব'ৰ মাজৰ 'কাৰ্তাৰপুৰ চাহিব ক'ৰিডৰ' মুকলি কৰাত সফল হৈছিল।

- ইয়াৰ বাবে চৰকাৰে ১২০ কোটি টকা মোকলাই দিছিল
- ভাৰতৰ পৰা যোৱা তীৰ্থযাত্ৰীসকলে বছৰৰ সকলো সময়তে পাকিস্তানৰ 'শ্ৰী কাৰ্তাৰপুৰ চাহিব' দৰ্শন কৰিব পৰাটো ই নিশ্চিত কৰিছিল
- ইয়াত প্ৰতিদিনে ১৫,০০০ৰো অধিক তীৰ্থযাত্ৰীলৈ সেৱা আগবঢ়াব পৰাকৈ এটা যাত্ৰী-আস্থানকে ধৰি এক কলাসন্মত আন্তঃগাঁথনি নিৰ্মাণ কৰি উলিওৱা হৈছিল

### শিখ যুৱ-প্ৰজন্মৰ সবলীকৰণ

- ২০১৪ চনৰ পূৰ্বে শিখ সম্প্ৰদায়ৰ মাত্ৰ ১৮ লাখ শিক্ষাৰ্থীকহে জলপানী প্ৰদান কৰা হৈছিল। পিচে, নৰেন্দ্ৰ মোডী চৰকাৰে ৩১ লাখলৈ এই বৃত্তি নিশ্চিত কৰিছে শিখ শিক্ষাৰ্থীলৈ প্ৰাক-মেট্ৰিক/

## বিশ্বৰ সন্মুখত শিখ ঐতিহ্যৰ প্ৰদৰ্শন

- পৰ্যটন মন্ত্ৰালয়ে 'স্বদেশ দৰ্শন আঁচনি'ৰ অধীনত 'আনন্দপুৰ চাহিব-ফটেহগড় চাহিব-চমকুৰা চাহিব-ফিৰোজপুৰ-অমৃতসৰ-খটকাৰকলন-কলানৌৰ-পাটিয়ালাক সংযুক্ত কৰি এক 'হেৰিটেজ চাৰ্কিট' বিকশিত কৰাৰ প্ৰস্তাৱলৈ অনুমোদন জনাইছে।
- বিশেষ বিমান সেৱাৰে অমৃতসৰ আৰু নান্দেদৰ মাজত সংযোগ স্থাপনৰ উদ্যোগ গ্ৰহণ কৰা হৈছে।

## ১৯৮৪ চনৰ সংঘৰ্যত ক্ষতিগ্ৰস্তসকললৈ ন্যায় দানৰ ব্যৱস্থা

- ১৯৮৪ চনৰ সংঘৰ্যত ক্ষতিগ্ৰস্থসকলে তিনি দশকৰো ওপৰ কালে ন্যায় লাভৰ পৰা বঞ্চিত হৈ আহিছিল। চৰকাৰে শিখসকলৰ বাবে ন্যায় দানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শিখসকলে যাতে প্ৰকৃত ন্যায় লাভ কৰিব পাৰে সেই কথা নিশ্চিত কৰাৰ বাবেই চৰকাৰে এই সংঘৰ্ষৰ সকলোবোৰ গোচৰ, আনকি অভিযুক্তক দোষমুক্ত ঘোষণা কৰি ৰেহাই দান কৰা গোচৰসমূহকো পুনৰ অনুসন্ধানৰ আওতালৈ আনি বিশেষ তদন্তকাৰী গোট(এছআইটি)ৰ জৰিয়তে সম্পূৰ্ণ কৰিব পৰাকৈ তদন্তৰ পৰিসৰ সম্প্ৰসাৰিত কৰে।
- শাস্তিৰ আওতালৈ অপৰাধী : 'এছআইটি'য়ে প্ৰায় ৮০টা গোচৰৰ পুনৰ অনুসন্ধানৰ ব্যৱস্থা কৰে। 'এছআইটি' গঠনৰ তিনি বছৰৰ ভিতৰতে বিয়োগোম ৰাজনৈতিক ব্যক্তিত্বৰ বিৰুদ্ধে শাস্তিৰ বিধান
- দেশৰ ভিন্ন প্ৰান্তত থকা ক্ষতিগ্ৰস্তলৈ ক্ষতিপূৰণ : ১৯৮৪ চনৰ গণ-সংঘৰ্যত ক্ষতিগ্ৰস্থ হোৱা শিখসকলৰ নিকটাত্মীয়ৈলে ৫ লাখ টকাকৈ অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান কৰা হয়। সন্ত্ৰাসময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশৰ বিভিন্ন প্ৰান্তলৈ পাঞ্জাৱৰ পৰা প্ৰব্ৰজিত হোৱা কমেও ১,০২০ সংঘৰ্ষ পীড়িত শিখ পৰিয়াললৈ ২ লাখকৈ টকা কেন্দ্ৰীয় পুনৰ সংস্থাপন আঁচনিৰ অধীনত বিতৰণ কৰা হয়।

## বিভিন্ন পদক্ষেপৰ জৰিয়তে শিখসকলৰ বিভিন্ন দাবী পূৰণৰ দিহা

- ধৰ্মান্তৰকৰণ, সন্ত্ৰাসবাদ আৰু অন্যান্য উৎপীড়ণৰ সন্মুখীন হৈ আফগানিস্তান আৰু পাকিস্তানৰ পৰা ভাৰতলৈ অহা শিখ শৰণাৰ্থীসকললৈ নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে নাগৰিকত্ব প্ৰদানৰ দিহা কৰা
- অনুচ্ছেদ ৩৭০ৰ বাতিলকৰণৰ জৰিয়তে জম্মু আৰু কাশ্মীৰত সংখ্যালঘু শিখসকললৈ সম অধিকাৰ প্ৰদান কৰা, ১৯৪৭ চনৰ পশ্চিম পাকিস্তানী শিখ শৰণাৰ্থীলৈ অধিবাসীৰ প্ৰমাণ পত্ৰও প্ৰদান কৰা হয়।
- 'শিখ গুৰুদ্বাৰা (সংশোধিত)আইন ২০১৬'ৰ পুনৰ সংশোধনৰ ব্যৱস্থা কৰি 'শিৰোমণি গুৰুদ্বাৰা প্ৰবন্ধক সমিতি'ত অংশগ্ৰহণৰ দীৰ্ঘ দিনীয়া দাবী পূৰণৰ দিহা কৰা হয়
- 'ক'লাসূচী'ৰ পৰা অপসাৰণ : আমেৰিকা, ইউনাইটেড কিংডম, কানাডা আৰু আন কেবাখনো দেশত বসবাস কৰা একাংশ শিখক 'ক'লা তালিকাত অথবা 'কেন্দ্ৰীয় পৰিপন্থী তালিকা'ত অন্তৰ্ভুক্ত কৰা হৈছিল। চৰকাৰে এই তালিকা বিস্তৃত ৰূপত সংস্কাৰ কৰি ৩১৪ গৰাকী ব্যক্তিৰ তালিকাখনৰ অন্তৰ্ভুক্ত ব্যক্তিৰ সংখ্যা দুগৰাকীলৈ অৱনমিত কৰাৰ ব্যৱস্থা কৰে।
- জালিয়ানৱালা বাগ স্মাৰক : শতবাৰ্ষিকীত শ্বহীদসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰাৰ উদ্দেশ্যে এটি ৰাষ্ট্ৰীয় স্মাৰক নিৰ্মাণ কৰাৰ লক্ষ্যৰে চৰকাৰে 'জালিয়ানৱালা বাগ ৰাষ্ট্ৰীয় স্মাৰক(সংশোধিত) বিধেয়ক, ২০১৯' শীৰ্ষক বিধেয়ক উত্থাপন কৰে।

মেট্ৰিক-উত্তৰ বৃত্তি প্ৰদানৰ দিহা কৰা হয়

- হাট, গৰীৱ নৱাজ নিয়োগ আঁচনি, শিখো ঔৰ কমৈও, নয়ী মঞ্জিল আদি আঁচনিৰ জৰিয়তে নিয়োগৰ সুযোগ সৃষ্টি
- শিখ অধ্যুষিত পিচ পৰা এলেকাসমূহৰ উন্নয়ণৰ বাবে 'প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম'ৰ অধীনত বহু সংখ্যক সামাজিক আন্তঃগাঁথনি নিৰ্মাণ প্ৰকল্পৰ ৰূপায়ণৰ ব্যৱস্থা কৰা হয়
- শ্ৰী গুৰু নানক জীৰ দৰ্শন সম্পৰ্কীয় গৱেষণালৈ উৎসাহ দান : ভাতৃত্ববোধ আৰু বৈচিত্ৰতাৰ উত্তৰণ সাধনৰ লক্ষ্যৰে অমৃতসৰৰ 'গুৰু নানক দেৱ বিশ্ববিদ্যালয়'ত 'ৰাষ্ট্ৰীয় আন্তঃ-দৰ্শন অধ্যয়ণ প্ৰতিষ্ঠান' স্থাপন কৰা হয়। এই প্ৰকল্পৰ বাবে ৬৭ কোটি টকাৰ পুঁজিৰ অনুমোদন দিয়া হয়। ইউকে আৰু কানাডাৰ বিশ্ববিদ্যালয়ত গুৰু নানকদেৱ জীৰ নামত আসন প্ৰতিষ্ঠা কৰা হয়। ■

# অৰ্থনীতি

## দৃঢ়তাৰে পুনৰুদ্ধাৰৰ পথত

**২০২০-২১১ দ্বিতীয়টো ত্ৰিমাসিকত দৃঢ় পুনঃপ্ৰাপ্তিৰ তথ্য লাভ কৰাৰ সূত্ৰে ভাৰতৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ প্ৰসিদ্ধ গাঁথাৰ ওভতনি যাত্ৰা আগন্তুক বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। প্ৰাপ্ত তথ্যই অৰ্থনীতিৰ 'ভি-ছেপড' পুনৰুদ্ধাৰৰ ইংগিত বহণ কৰিছে।**



অভুতপূৰ্ব মহামাৰীয়ে সমগ্ৰ পৃথিৱী জুৰি মনুহৰ জীৱন, জীৱিকা আৰু অৰ্থনীতিৰ প্ৰতি ভয়াবহ দুৰ্যোগ নমাই আনিলে আৰু ক'ভিডে সৃষ্টি কৰা এই মহা সংকটৰ প্ৰভাৱ ভাৰততো বাৰুকৈয়ে পৰিছে। অৱশ্যে বিগত নটা মাহে ইয়াৰ বিৰুদ্ধে ভাৰতৰ চৰকাৰ, জনসাধাৰণ আৰু অৰ্থনীতিয়ে দৃঢ়তাৰে থিয় দিয়াৰ নিদৰ্শন দাঙি ধৰিছে।

দেশৰ জনতা আৰু অৰ্থনীতিৰ প্ৰতি অতিকে সচেষ্ট এখন চৰকাৰে মহামাৰীয়ে কাতৰ কৰি তোলা পৰিস্থিতিক দক্ষতাৰে চম্ভালি এখোজ দুখোজকৈ, অথচ পৰম দৃঢ়তাৰে সাধাৰণ অৱস্থাৰ দিশে আগবাঢ়িবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে 'আত্মনিৰ্ভৰ' পেকেজ প্ৰদানৰে মহামাৰীৰ কবলত পৰা অৰ্থনীতিক উদ্ধাৰৰ ব্যৱস্থাই কেৱল কৰা নাই বৰঞ্চ আত্মনিৰ্ভৰতাৰ দিশে আগবঢ়াৰো অৱকাশ সৃষ্টি কৰিছে, অৰ্থনীতিৰ সৰহ সংখ্যক অংশীদাৰীয়েই সুন্দৰভাৱে নিজৰ দায়িত্ব পালন কৰি চৰকাৰৰ প্ৰতি সহযোগিতা আগবঢ়াই ভাৰতৰ প্ৰগতিগাঁথাৰো ভাগীদাৰ হোৱাৰ যোগ্যতা আহৰণ কৰিছে।

অৰ্থনীতিৰ পুনঃপ্ৰাপ্তিৰ যাত্ৰা আৰম্ভ হোৱাৰ পৰত বহু সংখ্যক খণ্ডই প্ৰতিশ্ৰুতি আৰু সেউজ-সতেজতাৰ নিদৰ্শন দাঙি ধৰা পৰিলক্ষিত হৈছে। ভাৰতীয় কৃষিখণ্ডই এপ্ৰিল-ছেপ্টেম্বৰ ২০২০ৰ সময়ছোৱাত অৰ্থাত ক'ভিড-১৯য়ে সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰা মাহকেইটাত ৩.৪ শতাংশ বৃদ্ধিৰে নিজৰ শক্তি-সাৰ্মথ্য প্ৰদৰ্শন কৰিছে।

ক'ভিড-১৯ৰ আৰম্ভণীতে অৰ্থনীতিক উদ্ধাৰৰ প্ৰয়াস হিচাপে ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ঘোষণা কৰা পেকেজৰ প্ৰতি ভাৰতীয় বাণিজ্যিক পৰিমণ্ডলে ইতিবাচক দৃষ্টিভংগীৰেই সঁহাৰি জনায়। দৰাচলতে, এই সঁহাৰিয়েই ভাৰতৰ নিৰ্মাণ খণ্ডক জুলাই-ছেপ্টেম্বৰ ২০২০ৰ সময়ছোৱাত ০.৬%ৰ উত্থানৰ সাৰ্মথ্য প্ৰদান কৰে। প্ৰণিধানযোগ্য যে ইয়াৰ পূৰ্ববৰ্তি ত্ৰিমাসিকত এই খণ্ডৰ অৱনমনৰ পৰিমাণ আছিল ৩৯.৩%।

শক্তি, গেছ আৰু পানী যোগান খণ্ডয়ো বিত্তীয় বৰ্ষটোৰ দ্বিতীয়টো ত্ৰিমাসিকত ৪.৪%ৰ উত্থানৰ নিদৰ্শন দাঙি ধৰে। অথচ, এপ্ৰিল-জুনৰ ত্ৰিমাসিকত এই খণ্ডই ৭%ৰ অৱনমন প্ৰদৰ্শন কৰিছিল। ইফালে,





● 'মেনুফেকশ্যাৰিং পাৰ্চেজিং মেনেজাৰ্ছ ইণ্ডেক্স'(পিএমআই)ৰ ক্ষেত্ৰত অক্টোবৰ মাহত দশকৰ সৰ্বাধিক পৰ্যায় ৫৮.৯ৰ লাভ কৰাৰ বিপৰীতে নৱেম্বৰ মাহত সামান্য অৱনমনৰে 'পিএমআই' হয়গৈ ৫৬.৩। 'পিএমআই'-ৰ সৈতে সেৱা সূচকাংকই বিগত সাত মাহৰ সংকোচনৰ পিচত অক্টোবৰ আৰু নৱেম্বৰ মাহত ক্ৰমে ৫৪.১ আৰু ৫৩.৭ ৰে উত্থানৰ ইংগিত দিয়ে।

## ইতিবাচক উত্থানৰ সূচক

| খণ্ড | ২০১৯-২০বিত্তীয় বৰ্ষ | | ২০২০-২১ বিত্তীয় বৰ্ষ | |
|---|---|---|---|---|
| | প্ৰথম ত্ৰিমাসিক | দ্বিতীয় ত্ৰিমাসিক | প্ৰথম ত্ৰিমাসিক | দ্বিতীয় ত্ৰিমাসিক |
| কৃষি | ৩ | ৩.৫ | ৩.৪ | ৩.৪ |
| উৎপাদন | ৩ | -০.৬ | -৩৯.৩ | ০.৬ |
| বিদ্যুত-গেছ | ৮.৮ | ৩.৯ | -৭ | ৪.৪ |
| নিৰ্মাণ | ৫.২ | ২.৬ | -৫০.৩ | -৮.৬ |
| প্ৰযটন | ৩.৫ | ৪.১ | -৪৭ | -১৫.৬ |

*(শতাংশৰ হিচাপত)*






ফেব্ৰুৱাৰীৰ পিচত এই প্ৰথমবাৰৰ বাবে ‘জিএছটি’ সংগ্ৰহৰ পৰিমাণ অক্টোবৰ আৰু নৱেম্বৰ মাহত ১ লাখ কোটিৰ ওপৰলৈ উঠা পৰিলক্ষিত হৈছে। অৰ্থনৈতিক কৰ্ম-কাণ্ডৰ বৰ্দ্ধনৰ ই এক গুৰুত্বপূৰ্ণ সূচক। সকলো নিয়ন্ত্ৰণৰ অন্ত পৰাৰ পিচত বাণিজ্যিক কাৰ্যক্ৰমেও আগৰ স্থিতিলৈ উভতি অহাৰ অৱকাশ লাভ কৰিছে।


‘আইএমএফ’-য়ে উল্লেখ কৰা মতে, ‘আত্মনিৰ্ভৰ ভাৰত অভিযান’ৰ অধীনত তিনিটা পৰ্যায়ত আগবঢ়োৱা ২৯ লাখ ৮৭ হাজাৰ কোটি টকাৰ অৰ্থনৈতিক পেকেজে ভাৰতীয় অৰ্থনীতিক সহযোগিতা আগবঢ়াইছে। এই পেকেজৰ পৰিমাণ হ’ল ভাৰতৰ মুঠ ‘জিডিপি’-১ ১৫%।

বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ পৰিমাণো ৩০বিলিয়ন মাৰ্কিন ডলাৰ হয়। এই ক্ষেত্ৰতো ১৫%ৰ উত্থান দেখিবলৈ পোৱা যায়। শেহতীয়া বিত্তীয় বৰ্ষৰ একেছোৱা সময়কালতে। চলিত বৰ্ষৰ ১৫ আগষ্টত লাল কিল্লা প্ৰাংগণৰ পৰা পৃথিৱীক উদ্দেশী জনোৱা আহ্বানৰ সুবাদত বিদেশী প্ৰত্যক্ষ বিনিয়োগ (এফডিআই)-ৰ উন্নত আগমণে ‘মেক ইন ইণ্ডিয়া’ কাৰ্যক্ৰমক বাৰুকৈয়ে উৎসাহিত কৰিব। পৃথিৱীৰ বাবে এক ঔদ্যোগীক কেন্দ্ৰস্থল হিচাপে বিৱৰ্তিত হোৱা ভাৰতেও অন্য এক পথ প্ৰশস্থ কৰিছে। ইফালে, কয়লা(১১.৬%), বিদ্যুত্ (১০.৫%), সাৰ(৬.৩%) আৰু চিমেণ্ট(২.৮%) আদি খণ্ডয়ো অক্টোবৰ ২০২০ত সুস্থ প্ৰগতিৰ ইংগিত প্ৰদান কৰিছে। সেইদৰে, খাৰিফ শস্যৰ অভিলেখ পৰিমাণৰ উৎপাদন, বিদ্যুতৰ ব্যৱহাৰৰ হাৰ বৃদ্ধি, ৰে’লেৰে সৰবৰাহ কৰা মাল-বস্তুৰ বাবদ আদায় কৰা ভাৰাৰ সংগ্ৰহ বৃদ্ধি, মটৰগাড়ী আৰু দুচকীয়া যানৰ বিক্ৰীৰ বৰ্দ্ধিত হাৰ, মাচুল সংগ্ৰহৰ উন্নত হাৰ, প্ৰাক-ক’ভিড কালৰ হাৰত ‘জিএছটি’ৰ সংগ্ৰহ আদিৰ দৰে সূচকে অৰ্থনীতিয়ে দৃঢ়তাৰে পুনঃপ্ৰাপ্তিৰ দিশে আগবঢ়াৰে ইংগিত বহণ কৰিছে।

অক্টোবৰ আৰু নৱেম্বৰ মাহত উৎপাদনী ‘পিএমআই’ৰ পৰিমাণ ক্ৰমে ৫৮.৯ আৰু ৫৬.৩ হোৱা কথাই দশকটোৰ আটাইতকৈ শক্তিশালী উত্থানৰে ইংগিত বহণ কৰিছে বুলি ক’ব পাৰি। সেৱা খণ্ডৰ পিএমআই অক্টোবৰত ৫৪.১ বাঢ়িছিল। নৱেম্বৰত এয়া ৫৩.৭ আছিল যিয়ে শক্তিশালী পুনৰুদ্ধাৰ সূচায়। জুলাই-ছেপ্টেম্বৰ মাহৰ ৭.৫ %ত সীমিত সংকোচন বা তাৰ পূৰ্বৱৰ্তি ত্ৰিমাসিকৰ ২৩.৯%ৰ পিচত সামগ্ৰিক ভাবে দেশৰ অৰ্থনৈতিক পাৰদৰ্শিতা আশা কৰাতকৈ অধিক উন্নত বুলি ন দি ক’ব পাৰি। অৰ্থনীতিয়ে দৃঢ়তাৰে আৰোগ্য লাভ কৰাৰ পৰিপ্ৰেক্ষিত প্ৰায় সকলো স্বতন্ত্ৰ সমীক্ষক প্ৰতিষ্ঠানেই দেশৰ ‘জিডিপি’ৰ-অৱনমনৰ হাৰ সন্দৰ্ভত আগতে প্ৰকাশ কৰা পূৰ্বানুমানতকৈ অধিক কম হ’ব বুলিয়েই অভিমত প্ৰকাশ কৰিছে।


‘কেয়াৰ ৰেটিং’, ‘নমুৰা’, ‘আইচিআৰএ’, ‘এইচডিএফচি’, ‘আইডিএফচি ফাৰ্ষ্টি’, ‘কোৱাণ্টইক’ আৰু ‘ব্ৰিকওৱৰ্ক ৰেটিং’ আদিৰ দৰে প্ৰতিষ্ঠানে অৰ্থনৈতিক অৱস্থা সন্দৰ্ভত আগবঢ়োৱা প্ৰতিচ্ছবিৰ সংশোধন কৰাৰ উদ্যোগ গ্ৰহণ কৰিছিল। দ্বিতীয় ত্ৰিমাসিকৰ পৰৱৰ্তি সময়ত এই সমূহ প্ৰতিষ্ঠানে অৰ্থনৈতিক প্ৰগতি হাৰ আগতে প্ৰকাশিত ৮.২-১১%ৰ পৰিৱৰ্তে ৭-৯%তে সীমিত থাকিব বুলিহে

### অক্টোবৰত সৰ্বাধিক সংখ্যক ই-ৱে' বিলৰ যুগুতকৰণ




২০২০ বৰ্ষৰ অক্টোবৰ মাহত সৰ্বাধিক সংখ্যক ই-ৱে' বিল যুগুত কৰা হৈছিল। প্ৰণিধানযোগ্য যে এই বিলৰ জৰিয়তে কৰ আদায় দিহে এটা স্থানৰ পৰা আন এটা স্থানলৈ সামগ্ৰীৰ আদান-প্ৰদান প্ৰক্ৰিয়া সম্পন্ন কৰিব পৰা যায়।

### যান-বাহন বিক্ৰীৰ সংখ্যা বৃদ্ধি



- অক্টোবৰ মাহত নিৰ্মিত সকলো শ্ৰেণীৰ যান-বাহন (দুচকীয়া, তিনিচকীয়া আৰু চাৰিচকীয়া)ৰ সংখ্যা আছিল ২,৮৩০,১৫৩খন। বিগত বৰ্ষৰ এই একেছোৱা সময়ত নিৰ্মিত যান-বাহনৰ সংখ্যা আছিল ২,০৮৬,৪৭৯খন।
- বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষৰ অক্টোবৰ মাহত যাত্ৰীবাহী যান-বাহনৰ বিক্ৰী হাৰ ১৪.১৯% অধিক আছিল
- সেইদৰে, বিগত বৰ্ষৰ একে ছোৱা সময়ৰ তুলনাত চলিত বৰ্ষৰ অক্টোবৰ মাহত দুচকীয়া যানৰ বিক্ৰীৰ হাৰ ১৬.৮৮% অধিক আছিল

লকডাউনৰ সময়ছোৱাত যানবাহনৰ বিক্ৰী তেনেই হ্ৰাস পোৱাত সমস্যাৰ সন্মুখীন হবলগীয়া হোৱা খণ্ডটোৱে এতিয়া বিক্ৰীৰ ক্ষেত্ৰত উৰ্ধ্বগামী গতি লাভ কৰিছে। উৎসৱৰ বতৰ অক্টোবৰৰ সময়ছোৱাত যান-বাহনৰ বিক্ৰীৰ উত্থান ঘটাটো পৰিলক্ষিত হৈছিল

ধাৰণা প্ৰকট কৰিছিল।

আনকি ২০২১-২২ত অৰ্থনৈতিক উত্থানৰ হাৰ ১০%ৰো অধিক হ'বগৈ পাৰে বুলি সৰহ সংখ্যক অৰ্থনীতিবিদেই ধাৰণা প্ৰকাশ কৰিছে। এয়া নিতান্তই বিয়াগোম, যিয়ে ভাৰতক উচ্চ হাৰৰ প্ৰগতিশীল উত্থানৰ ধাৰা উভতি আহিছিল। ক'ভিড-১৯ৰ সংকটকালত শোচনীয় হোৱা অৰ্থনৈতিক অৱস্থাৰ পুনঃপ্ৰাপ্তিয়ে আগন্তুক কেইটামান ত্ৰিমাসিকত দুটা সংখ্যাযুক্ত প্ৰগতিৰ ইংগিত বহণ কৰিছে।


### 'মুডী', 'গল্ডমেন ছকছ আৰু 'বাৰ্কেলে'-ৰ সমীক্ষাত উন্নত 'ৰেটিং'

ক'ৰোনাৰ সময়ছোৱাত অৰ্থনীতিৰ প্ৰগতিয়ে -২৩.৯%ৰে এক ঋণাত্মক ধাৰাৰ প্ৰদৰ্শন কৰাইছিল। দ্বিতীয়টো ত্ৰিমাসিকত এই ধাৰা প্ৰায় -১২% হ'বহি বুলি বিশেষজ্ঞসকলে পূৰ্বানুমান কৰিছিল যদিও তেওঁলোকৰ ধাৰণা ভুল প্ৰমাণিত কৰি অৰ্থনীতিয়ে দৃঢ়তা প্ৰদৰ্শনৰে -৭.৫%ৰ স্থিতিহে প্ৰদৰ্শন কৰিলে। এইক্ষেত্ৰত চিমেণ্ট, তীখা, কৃষি, নিৰ্মাণ খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অৰ্থনৈতিক পৰিক্ৰমা বিভাগে যুগুতোৱা নৱেম্বৰ মাহৰ সমীক্ষাৰ তথ্য মতে দেশৰ অৰ্থনীতিয়ে 'ভি-ছেপড' পুনঃপ্ৰাপ্তিৰ দিশে অগ্ৰসৰ হৈছে। চৰকাৰে গ্ৰহণ কৰা দৃঢ় সিদ্ধান্তৰ সুবাদতে ভাৰতে গোলকীয় সংস্থাসমূহৰ ধনাত্মক 'ৰেটিং' লাভ কৰিবলৈ সক্ষম হৈছে। 'মুডী'য়ে ২০২১ ৰ ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ হাৰৰ পূৰ্বাভাস ৮.১%ৰ পৰা ৮.৬%লৈ বৃদ্ধি কৰিছে। 'গোল্ডমেন ছক ছ' আৰু 'বাৰ্কলে'-য়েও তেওঁলোকৰ পূৰ্বানুমানৰ হাৰ উন্নত কৰা পৰিলক্ষিত হৈছে। 'অক্সফোৰ্ড ইকনমিক্স'-ৰ এক প্ৰতিবেদনৰ তথ্য মতে, ভাৰতৰ অৰ্থনীতিয়ে ভবাতকৈ অধিক দ্ৰুততাৰে পুনৰুদ্ধাৰৰ দিশে আগবাঢ়িছে। ইফালে, 'আন্তঃৰাষ্ট্ৰীয় বিত্ত নিধি'(আইএমএফ) য়ে বিশ্ব অৰ্থনৈতিক প্ৰেক্ষাপট সন্দৰ্ভত প্ৰকাশ প্ৰতিবেদনত ভাৰতক এইমুহূৰ্তত সৰ্বাধিক দ্ৰুততাৰে প্ৰগতি লাভ কৰা অৰ্থনীতি হিচাপে অভিহিত কৰিছে। 'আইএমএফ'-ৰ মতে ২০২১ বৰ্ষত ভাৰতীয় অৰ্থনীতিৰ প্ৰগতিৰ হাৰ প্ৰায় ৮.৮শতাংশ হ'বগৈ বুলি উল্লেখ কৰিছে। এই হাৰ বিশ্বৰ ভিতৰতে সৰ্বাধিক হ'ব।

### এক কৌশলগত বিজয়

ক'ৰোনা-ৰ সংকট চম্ভালি লোৱাৰ ক্ষেত্ৰত অন্য দেশসমূহৰ

## ইপিএফঅ' তালিকাভুক্তিত উত্থান




আগষ্টৰ সময়ত ইপিএফঅ'ত নতুন মনোনীত ব্যক্তিৰ সংখ্যা আছিল ১০.০৫ লাখ । গড় হিচাপত, ২০২০ বৰ্ষৰ প্ৰতি মাহত ৭ লাখ কৰ্মচাৰীৰ নতুন একাউণ্ট খোলা হয়। ইপিএফঅ'লৈ বৰ্ধিত অৰদান মানে কোম্পানীবোৰে নতুন লোকৰ উত্থান কৰি আছে।




আত্মনিৰ্ভৰ ভাৰত অভিযানে ঘৰুৱা উৎপাদনত উদগনি দিছে। আমদানিতকৈ ৰপ্তানি দ্ৰুতগতিত বৃদ্ধি পাইছে যাৰ ফলত বাণিজ্যৰ ঘাটি হ্ৰাস হৈছে

**স্বাভাৱিক ঔদ্যোগিক কাৰ্যকলাপ আৰু কৃষি, বিদ্যুত্ আদিৰ দৰে ৰাজহুৱা উপযোগিতা খণ্ডত ইতিবাচক বৃদ্ধিৰ বাবে ভাৰতৰ জিডিপি বৃদ্ধিৰ হাৰ পুনৰ তৃতীয়ৰ পৰা চতুৰ্থ তিনিমাহলৈ ইতিবাচক হৈ থাকিব।**


তুলনাত ভাৰতে সন্তোষজনক স্থিতি লাভ কৰাৰ মূলতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰত্যাহ্বানক আগভেটি ধৰি কাবু কৰাৰ কৌশলে ভূমিকা পালন কৰিছে। এটা কথা স্পষ্ট যে ২০২০ৰ ২৫ মাৰ্চত দেশত প্ৰথমবাৰৰ বাবে 'লকডাউন' ঘোষণা কৰাৰ এটা দিনৰ পিচতে প্ৰধানমন্ত্ৰীয়ে 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনা'ৰ অধীনত ১.৭০ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছিল। তেওঁৰ শৈলীৰ ধৰণেৰে, প্ৰধান মন্ত্ৰীয়ে তেওঁলোকৰ সৈতে ভাৰ্চুৱেল সভা কৰি সকলো অংশীধাৰীক আত্মবিশ্বাসেৰে লৈছিল। ফাৰ্মাচিউটিকেল কোম্পানী, চিকিৎসক, সামাজিক সংগঠন, কৃষি, শক্তি, শিক্ষা, আইটি আৰু আন সকলো খণ্ডৰ লোকসকলৰ সৈতেই হওক, প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ত তেওঁৰ দায়বদ্ধতা পুনৰায় দোহাৰে । বিভিন্ন ৰাজ্যৰ মুখ্য মন্ত্ৰীসকলক আত্মবিশ্বাসত লোৱা হৈছিল। অভাৱী আৰু দৰিদ্ৰসকলৰ সহায়ৰ বাবে কেৱল প্ৰচেষ্টাই লোৱা হোৱা নাছিল, ইয়ে উৎপাদনৰ বাবে উদ্যোগবোৰক উদগনিও যোগাইছিল। ইয়াৰ ফলত মুখ্য গঠনমূলক সংস্কাৰো সাধন হৈছিল

অৰ্থনীতিক অধিক গুৰুত্ব প্ৰদানেৰে প্ৰধান মন্ত্ৰীয়ে পাঁচটা মন্ত্ৰ- উদ্দেশ্য, অন্তৰ্ভুক্তি, বিনিয়োগ, আন্তঃগাঁথনি আৰু উদ্ভাৱনৰ যোগেৰে স্ব-নিৰ্ভৰশীল হোৱাৰ লক্ষ্য লৈছিল। ইয়াৰ বাবে, চৰকাৰে "ভূমি, শ্ৰম, তৰলতা আৰু আইন"ৰ ওপৰত সমান গুৰুত্ব দিছিল।

প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ পিছত, কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে পাঁচ অংশৰ অৰ্থনৈতিক পেকেজ ঘোষণা কৰে। ই আছিল চৰকাৰৰ এটা কৌশলগত সিদ্ধান্ত।


প্ৰথম দিনা, বিত্ত মন্ত্ৰীয়ে উৎপাদন আৰু যোগান সুচল কৰি ইয়াক শক্তিশালী কৰাৰ বাবে এমএছএমই খণ্ডত সংশোধনৰ ওপৰত গুৰুত্ব দিয়ে। দ্বিতীয় দিনা, তেওঁ নিয়োগ উৎপাদন আৰু গৃহৰ ওপৰত গুৰুত্ব দি কৃষক, শ্ৰমিক, পথৰ বিক্ৰেতাসকলৰ বাবে পেকেজ ঘোষণা কৰে। তৃতীয় দিনা, কৃষি উৎপাদন আৰু পশু পালন খণ্ডৰ বাবে চিন্তা ৰখা হৈছিল। চতুৰ্থ দিনা, আন্তঃগাঁথনি উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, আনহাতে অন্তিম দিনা, গ্ৰাম্য আৰু স্বাস্থ্য আন্তঃগাঁথনি উন্নত কৰাৰ বাবে সংশোধন ঘোষণা কৰা হৈছিল। ইয়ে সূচাই যে প্ৰধান মন্ত্ৰীয়ে আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ দৃষ্টিৰ বাবে এক ৰোডমেপ প্ৰস্তুত কৰিছে। এই

## উদ্যোগৰ উপাৰ্জন আশা কৰাতকৈ ভাল




কোম্পানীবোৰে লাভৰ ২৬ শতাংশ বৃদ্ধি পঞ্জীয়ন কৰে, আনুমানিক -২.১ শতাংশৰ বিপৰীতে। অটোমোবাইল খণ্ডৰ সৈতে, আইটি, ফাৰ্মাচিউটিকেল আৰু চিমেণ্ট কোম্পানীবোৰে লাভৰ শক্তিশালী বৃদ্ধি পঞ্জীয়ন কৰিছে।

## বিদেশী মুদ্ৰা সংৰক্ষণত অভিলেখ বৃদ্ধি




বিদেশী মুদ্ৰা সংৰক্ষণ নতুন স্থানত উপনীত হৈছে। ই ৫৭৫ বিলিয়ন ডলাৰলৈ অভিলেখ সংখ্যাত উপনীত হৈছে। ই হৈছে সৰ্বাধিক। সোণৰ সংৰক্ষণো $১.৩২৮ বিলিয়ন বৃদ্ধি পাইছিল।

## কৃষিত অবিৰত বিকাশ

- কৃষি হৈছে ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড। কৰনা কালত, এই খণ্ডত বৃদ্ধি নথিভুক্ত কৰা হৈছে। ২০২০-২১ চনৰ প্ৰথম ভাগত কৃষি সামগ্ৰীৰ ৰপ্তানিও ৪৩.৪ শতাংশ বৃদ্ধি হৈছে।
- কেৱল এয়াই নহয়, দেশত এই বছৰত খাদ্যশস্যৰ উৎপাদন ২৯৮ নিযুত টন হ'ব বুলি অনুমান কৰা হৈছে, যি ২০১৮-১৯ চনত ২৮৫.২১ নিযুত টন আৰু ২০১৯-২০ চনত ২৯১.৯৫ নিযুত টন আছিল।
- যোৱা বছৰ দাইলৰ উৎপাদন আছিল ২৩.০২ নিযুত টন, আনহাতে এই বছৰ ২৫ নিযুত টন আশা কৰা হৈছে।

## এফডিআইত অভিলেখসংখ্যক বৃদ্ধি

- কৰনা সংকট সত্বেও দেশখনে ২০২০-২১ চনৰ এপ্ৰিল-আগষ্টত ২৭.১ বিলিয়ন ডলাৰ মূল্যৰ এফডিআই লাভ কৰিছে। ২০১৯-২০ ৰ সংশিষ্ট সময়ছোৱাত ই ২৩.৩৫ বিলিয়ন ডলাৰ বিনিয়োগতকৈ ১৬ শতাংশ অধিক।
- বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ মতে, এই সময়ছোৱাত পুনৰবিনিয়োগত মুঠ এফডিআই ১৩ শতাংশ বৃদ্ধি হৈ ৩৫.৭৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছিল, ২০১৯-২০ চনৰ প্ৰথম পাঁচ মাহত ৩১.৬০ বিলিয়ন ডলাৰ আছিল।
- ২০০৮-১৪ চনত ২৩১.৩৭ বিলিয়ন ডলাৰ হোৱাৰ তুলনাত ২০১৪-২০ চনত মুঠ এফডিআই প্ৰৱাহত ৫৫% বৃদ্ধি

সংস্কাৰবোৰ দ্ৰুতগতিত আৰম্ভ কৰা হোৱা নাছিল। দীৰ্ঘম্যাদী পৰিকল্পনাৰ সৈতে ই এক ভালদৰে চিন্তা কৰা কৌশল আছিল।

দৰিদ্ৰৰ বাবে খাদ্যশস্য, জনধন একাউণ্টত ধন স্থানান্তৰ, কৃষকৰ বাবে সন্মান নিধি, প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বাবে নিয়োগ সৃষ্টি কৰা আৰু ভাল জি এছ টি সংগ্ৰহৰ যোগেৰে সফল ৰূপায়ণে অৰ্থনীতি সঠিক দিশেৰে গতি কৰি থকাটো সূচায়।

### বিকাশৰ বাবে এক চাবি হিচাপে পৰিণত হৈছে নিৰ্মাণ খণ্ড


অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ বিকাশ ইঞ্জিন হৈছে উৎপাদন খণ্ড, যাৰ বিকাশ ৰক্ষা কৰাৰ সম্ভাৱনা আছে। এই খণ্ডটোৰে, জিডিপিত ১৫ শতাংশ আৰু দেশৰ শ্ৰমিক লোকসকলৰ ১২ শতাংশ অংশৰ সৈতে প্ৰায় ২৫০ টা উদ্যোগৰ ওপৰত বিভিন্ন প্ৰভাৱ পেলায়।

১০ টা খণ্ডৰ বাবে প্ৰায় ১.৫ লাখ প্ৰডাক্টচন লিংকড ইনচেণ্টিভ আঁচনি (পিএলআই) আৱণ্টনৰ সৈতে ভাৰতক বিশ্বৰ এক নিৰ্মাণ কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ বাবে চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ

ডিজিটেল অৰ্থনীতি

# সততা আৰু স্বচ্ছতাৰ সংস্কৃতিৰ প্ৰচাৰ কৰা

২০১৬ চনত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিমুদ্ৰাকৰণৰ সিদ্ধান্তই কেৱল ক'লা ধন পৰীক্ষা কৰাই নহয়, দেশৰ বিকাশৰ বাবে এক মাইলৰ খুঁটি হিচাপেও প্ৰমাণিত হৈছে। ই ইউনিফাইড পেমেন্ট ইণ্টাৰফেচ (ইউপিআই)ৰ দ্বাৰা সুবিধা প্ৰাপ্ত বিভিন্ন এপৰ যোগেৰে ডিজিটেল লেনদেনৰ এক অতি দক্ষ আন্তঃগাঁথনি সৃষ্টি কৰিছিল।




BHIM
BHARAT INTERFACE FOR MONEY




**ভীম এপৰ বৈশিষ্ট্য**

- ই সকলোধৰণৰ ফোনতে কাম কৰে
- ১৮৯টা বেংকৰ সৈতে সংযোজিত
- ২৪ ঘণ্টাই উপলব্ধ
- বহু সহজ পৰিশোধ
- ২০ ভাষাত উপলব্ধ
- সকলো QR কোডত কাম কৰে
- ১০ টাতকৈ অধিক বেংকৰ সৈতে সংযোজিত কৰিব পাৰি

বিমুদ্ৰাকৰণৰ পিছত, চৰকাৰে ভীম এপটো ডিজিটেল লেনদেনৰ আধাৰ হিচাপে গঢ়িছিল, যাৰ ফলত সমগ্ৰ দেশখনে আজি ডিজিটেল লেনদেনৰ এক সংস্কৃতি ৰক্ষা কৰি আছে। কৰনা মহামাৰীৰ সময়ছোৱাত অভিলেখ পৰ্যায়ত হোৱা ডিজিটেল লেনদেনৰ ধৰণে দেখুৱায় যে চাৰি বছৰ আগতে স্থাপন কৰা ভেটিটো এতিয়া দেশখনক বিকাশৰ এক উন্নত স্তৰলৈ লৈ যাবলৈ সাজু।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যিহেতু কৈছিল, 'সমগ্ৰ বিশ্বই নগদহীন সমাজৰ ফালে আগবাঢ়ি আছে। আপুনি ইলেক্ট্ৰনিক প্ৰণালীৰ যোগেৰে ধন পাব আৰু দিব পাৰে। আপুনি বস্তু কিনিব পাৰে আৰু বিল পৰিশোধ কৰিব পাৰে। আৰম্ভণিতে ই কঠিন হ'ব পাৰে, কিন্তু যেতিয়া ই অভ্যাস হৈ পৰে, ই যথেষ্ট সৰল হ'ব।"

## ভীম এপঃ আপোনাৰ পকেটৰ নতুন বেংক

ভীম এপটো আপোনাৰ ম'বাইল ফোনৰ নতুন সম্পত্তি স্থিতি হৈ পৰিছে। স্বাধীনতা দিৱসত লালকিল্লাৰ ৰামভূমিৰ পৰা প্ৰধানমন্ত্ৰী য়ে কয়, 'অনলাইন ডিজিটেল লেনদেন কিমান দ্ৰুতগতিত বৃদ্ধি পাইছে আপুনি চাব পাৰে। ভীম ইউপিআই এপটো চাওঁক।" যিকোনো লোকে জানি যথেষ্ট গৌৰৱান্বিত হ'ব যে কেৱল ভীম ইউপিআই যোগেৰে কেৱল নৱেম্বৰত ইউপিআই লেনদেন ৩.৯০ লাখ কোটি টকালৈ অতিক্ৰম কৰিছে। মানুহে পৰিৱৰ্তিত পৰিস্থিতিবোৰ কেনেদৰে গ্ৰহণ কৰে তাৰ ই এক উৎকৃষ্ট উদাহৰণ। নৱেম্বৰ মাহত ইউপিআই-ভীম এপ যোগেৰে ২২১ কোটিৰো অধিক লেনদেন কৰা হৈছে, যি হৈছে মুঠ ৩,৮৬,০০০ কোটি টকাৰ সৈতে সৰ্বাধিক লেনদেন। যদি আগৰ বছৰৰ সৈতে তুলনা কৰা হয় তেন্তে কৰনাৰ নিষেধাজ্ঞাৰ পাছতো, ভীম এপৰ যোগেৰে লেনদেন ৮০ শতাংশতকৈ অধিক বৃদ্ধি পাইছে।

লৈছে। ইয়াৰ লক্ষ্য হৈছে ভাৰতক ইয়াৰ প্ৰতিযোগিতামূলক প্ৰান্তৰ যোগেৰে বিশ্বত বিনিয়োগৰ বাবে এক অনুকূল গন্তব্য স্থান হিচাপে গঢ়ি তোলা। ই কেৱল বিশ্বৰ উৎপাদন খণ্ডত এক প্ৰতিদ্বন্দ্বিতামূলক পৰিৱেশ সৃষ্টিয়েই নকৰে নিয়োগ সৃষ্টিও কৰিব।

## ঘৰুৱা উৎপাদনত পৰিৱৰ্তন

ভাৰতে বিশ্বক দেখুৱাইছে যে ধৈৰ্য আৰু সংকল্পৰ জৰিয়তে বিকাশৰ পৰিৱৰ্তন দেখিব পাৰি। ইয়াৰ আটাইতকৈ ডাঙৰ উদাহৰণ হৈছে ব্যক্তিগত সুৰক্ষা সঁজুলি (পিপিই) কিট প্ৰস্তুত কৰা। আগতে, ইয়াক ভাৰতত উৎপাদন কৰা হোৱা নাছিল কিন্তু ক'ৰনাৰ সময়ত প্ৰধান মন্ত্ৰী মোদীয়ে এই উদ্যোগ গ্ৰহণ কৰিছিল। মাত্ৰ দুমাহৰ ল'কডাউনত, ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ পিপিই কিটৰ উৎপাদক হৈ পৰিছিল।

নিশ্চিতভাৱে, ভাৰতৰ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভা আছে। এই কাৰণেই বিশ্বৰ সকলো দেশ আৰু ৰেটিং সংস্থাই ক'বলৈ বাধ্য হয় যে আগন্তক বছৰবোৰত ভাৰতৰ অৰ্থনীতি কেৱল প্ৰাক-কভিড পৰ্যায়লৈ ঘূৰি অহাই নহয়, বিশ্বৰ দ্ৰুততম গতিত বিকশিত অৰ্থনীতি হ'বলৈও গৈ আছে। ■

# "অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ তথ্যৰ ভাল ফলাফললৈ চাই মই সচেতনতাৰে আশাবাদী"



জান হ্যেই টো জাহান হ্যেইৰ পৰা জান ভী ঔৰ জাহান ভীলৈ, ভাৰতে কেৱল জীৱন ৰক্ষা কৰাই নহয়, অৰ্থনীতিক ট্ৰেকলৈ আনিবলৈও বহু পথ অতিক্ৰম কৰিছে। ১৩৭ কোটি জনসংখ্যা থকা দেশখনে কেৱল কভিড-১৯ মহামাৰীৰ প্ৰবল আঘাত ভালদৰে মোকাবিলা কৰাই নহয়, অৰ্থনীতিৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছে। অৰ্থনীতিৰ উথথান বিভিন্ন সূচকৰ দ্বাৰা দৃশ্যমান যিবোৰ সঠিক পৰিকল্পনা, উন্নত কাৰ্যকৰী আৰু এক নিৰ্ণায়ক নেতৃত্বৰ বাবে সম্ভৱ হৈছে। এক আছুতীয়া বাৰ্তালাপত মুখ্য অৰ্থনৈতিক উপদেষ্টা ডঃ কে ভি সুব্ৰমনিয়ামে অৰ্থনীতিৰ ভৱিষ্যতৰ ৰোডমেপকে ধৰি বিভিন্ন বিষয়ত নিউ ইণ্ডিয়া সমাচাৰৰ কনছাল্টিং এডিটৰ বিনোদ কুমাৰ আৰু সন্তোষ কুমাৰৰ সৈতে কথা পাতিছিল। উদ্ধৃত অংশ:

**Q** কভিড-১৯ মহামাৰীৰ পৰীক্ষা কৰাৰ বাবে ভাৰতৰ প্ৰস্তুতি কেৱল জীৱন ৰক্ষা কৰাই নহয়, অৰ্থনীতিক এক নতুন গতিও প্ৰদান কৰিছিল। দেশক এক নতুন আশাৰ দিশে লৈ যোৱা চৰকাৰৰ পৰিকল্পনাই কেনেদৰে কাৰ্যকৰীভাৱে কাম কৰিছিল?

**A** যেতিয়া মাৰ্চত আন দেশত কভিড-১৯ৰ ঘটনা বৃদ্ধি হোৱা আৰম্ভ হৈছিল, আমি প্ৰায় ১০২ বছৰ আগতে হোৱা স্পেনিছ ফ্লুৰ মহামাৰীৰ প্ৰকাৰ অধ্যয়ন কৰিছিলো। ইয়াৰ পৰা এটা কথা পোহৰলৈ আহিছিল যে যিবোৰ দেশত কম মৃত্যুৰ হাৰৰ সৈতে লকডাউন সঠিকভাৱে ৰূপায়ণ কৰা হৈছিল সেইবোৰত অৰ্থনৈতিক পুনৰুদ্ধাৰ যথেষ্ট ভাল আছিল। ইয়াৰ পৰা অনুমানটো ওলাই আহিছিল যে আমি এক দীৰ্ঘম্যাদী ৰণনীতি নিৰ্ধাৰণ কৰিব লাগিব। প্ৰথমে জীৱন ৰক্ষা কৰা আৰু তাৰ পিছত জিডিপিৰ যত্ন লোৱাটো চৰকাৰৰ প্ৰাথমিকতা আছিল। প্ৰধানমন্ত্ৰীয়ে সঠিকভাৱে কৈছিল, 'জান হ্যেই টো জাহান হ্যেই'। মানুহে তেওঁৰ কথা অনুসৰণ কৰাৰ পিছত আৰু মানুহে দ্ৰুতগতিত আৰোগ্য হৈ উঠাৰ পিছত, 'জান

**Q** প্ৰধানমন্ত্ৰীয়ে লক্ষ্য নিৰ্ধাৰণ কৰা $ ৫ ট্ৰিলিয়ন অৰ্থনীতিৰ তাৎপৰ্য কি? কোনো লোকে ইয়ালৈ কিদৰে বৰঙণি আগবঢ়াব পাৰে?

**A** মই ভাবো সেই বিকাশ প্ৰাপ্ত কৰাৰ বাবে বহুতো সংস্কাৰ সূচনা কৰা হৈছে। নাগৰিকৰ বাবে কভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি বিশেষকৈ সৰল নিয়মসমূহ মানি চলাটো জৰুৰী। মাস্ক পিন্ধা, সামাজিক দূৰত্ব বজাই ৰখা আৰু সঘনাই হাত ধোৱাটো নিশ্চিত কৰক। ইয়াৰ প্ৰভাৱ মহামাৰীৰ সৈতে যথেষ্ট সম্পৰ্কিত।

ভী আৰু জাহান ভী'ৰ শ্লোগানে আনলকৰ পৰ্যায়ক্ৰমে ধীৰে ধীৰে প্ৰভাৱ পেলাইছিল। ইউ কেৰ জিডিপি ২০ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে ভাৰতত অধিক কটকটীয়া লকডাউন থকা সত্বেও আৰু ভাৰতৰ জিডিপি ২৩.৯ শতাংশলৈ হল। এতিয়া, পৰিস্থিতি ভাললৈ আহিছে কিয়নো নিৰ্মাণ খণ্ডই অধিক পুনৰুদ্ধাৰ হোৱা দেখুৱাইছে। আমি ভি আকৃতিৰ পুনৰুদ্ধাৰ দেখিবলৈ পাওঁ।

**Q** উদ্যোগ আৰু অন্যান্য খণ্ডই দেশখনক বিকাশৰ পথত ৰখাৰ বাবে অৰ্থনৈতিক সংস্কাৰ আৰু প্ৰধান মন্ত্ৰী মোদীৰ সংকল্পক প্ৰশংসা কৰিছিল। ইয়াৰ কাৰণসমূহ কি?

**A** কভিড-১৯ মহামাৰীৰ পিছত অৰ্থনৈতিক সংকট আগৰ সংকটতকৈ যথেষ্ট পৃথক। ই চাহিদাৰ বাবে নেতিবাচক বিকাশৰ হাৰ সৃষ্টি কৰে, যি দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশত প্ৰভাৱিত কৰে। এনে নহ'ব পৰাটো নিশ্চিত কৰিবলৈ, চৰকাৰে ধাৰাবাহিক সংস্কাৰ গ্ৰহণ কৰিছিল। শ্ৰম সংস্কাৰ, কৃষি সংস্কাৰ, এমএছএমই আৰু পিএলআই আঁচনিৰ সংজ্ঞাগত পৰিৱৰ্তন, এই সকলোবোৰ অতি উৎপাদনক্ষম কাৰণ তেওঁলোকে মুখ্যতঃ দুটা কাম কৰি আছে। প্ৰথমে, তেওঁলোকে অৰ্থনীতিক অধিক আনুষ্ঠানিক হ'বলৈ সক্ষম কৰি আছে। উদাহৰণ স্বৰূপে, যদি আমি ২০১১-১২ ৰ চাকৰিৰ তথ্য ২০১৭-১৮ৰ তথ্যৰ সৈতে তুলনা কৰোঁ, ই বেতনভোগী শ্ৰমিকৰ অনুপাতত পাঁচ শতাংশ বৃদ্ধিৰ সৈতে অনিয়মীয়া শ্ৰমিকৰ অনুপাতত পাঁচ শতাংশ হ্ৰাস হোৱা দেখা যায় যি অৰ্থনীতিৰ আনুষ্ঠানিকতাৰ ইংগিত। দ্বিতীয় অংশটো আছিল চাকৰি খণ্ডত বিকাশ অধিক তীব্ৰ কৰাত মনোনিবেশ কৰা কিয়নো যদি আপুনি কৃষি, নিৰ্মাণৰ দৰে খণ্ডবোৰলৈ লক্ষ্য কৰে, সেইবোৰে অৰ্থনীতিত বৃহৎ পৰিমাণৰ নিয়োগৰ বাবে দায়বদ্ধ।

**Q** এক শক্তিশালী নতুন ভাৰতৰ আধাৰশিলা স্থাপনেৰে বিমুদ্ৰাকৰণৰ পিছত, ডিজিটেল আৰু নগদবিহীন মাধ্যমৰ দিশে অৰ্থনীতি দ্ৰুত গতিত গতি কৰি আছে। এনে সাহসী সিদ্ধান্তৰ আঁৰত চৰকাৰৰ দৃষ্টিভংগী কি আছিল?

**A** অৰ্থনীতিৰ ডিজিটেলকৰণে ইয়াক অধিক দৃঢ় হ'বলৈ আৰু আনুষ্ঠানিক খণ্ড সক্ৰিয় কৰিবলৈ সক্ষম কৰে। JAM (জন ধন, আধাৰ আৰু ম'বাইল)ৰ সৈতে, এটা ট্ৰিনিটি সৃষ্টি কৰা হয়। মই ভাবো কভিড-১৯ সংকটেও প্ৰদৰ্শন কৰিছিল যে বহুতো কাৰ্যকলাপে ডিজিটাইজেশ্যনৰ প্ৰতি এক গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে।

**Q** ভীম এপে চাৰি বছৰ সম্পূৰ্ণ কৰিছে আৰু এই সময়চোৱাত বিশেষকৈ কৰনাৰ সময়ত ডিজিটেল লেনদেনৰ ক্ষেত্ৰত উল্লেখনীয়ভাৱে এক গুৰুতৰ স্থানান্তৰ দেখুওৱা হৈছে। আগলৈ ৰোডমেপ কি?

**A** ভাৰতত, কেৱল এটা ক্লিকেৰে চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত প্ৰয়োজনীয় লোকৰ বেংক একাউণ্টলৈ ধন স্থানান্তৰ কৰা হৈছিল। সামাজিক দূৰত্ব মানি চলি মানুহে ঘৰত বহি ডিজিটেল লেনদেন কৰি আছে। ই মহামাৰীৰ সময়ত যথেষ্ট সহায় কৰিছিল।

**Q** অৰ্থনীতি হৈছে সাধাৰণৰ বাবে এক জটিল শব্দ। অৰ্থনীতিৰ আকাৰ আৰু আচৰণ আন দেশতকৈ কেনেদৰে পৃথক? যিজন সাধাৰণ মানুহৰ বাবে অৰ্থনীতিৰ কাৰিকৰী ভাষা প্ৰাসংগিক নহয়, সহজ শব্দত ইয়াৰ লাভালাভ কেনেদৰে বুজিব পাৰে?

**A** আমি এই বছৰৰ অৰ্থনৈতিক জৰীপত বৰ্ণনা কৰাৰ দৰে যি থালিনোমিকছৰ বিষয়ে কয়। মুদ্ৰাস্ফীতি খাদ্যৰ প্লেটৰ দাম বৃদ্ধিৰ হাৰৰ সৈতে বুজিব পাৰি। একেদৰে, যেতিয়া আমি চাকৰিৰ বিষয়ে কথা কওঁ, ই চাকৰি পোৱা লোকৰ সংখ্যাৰ কথা কয়। একেদৰে, মানুহৰ কাৰ্যকলাপ আৰু তেওঁলোকৰ পৰা সৃষ্টি হোৱা উপাৰ্জনৰ ক্ষেত্ৰত জিডিপি বৃদ্ধি গণনা কৰা হয়। বিশেটো শতাংশ বৃদ্ধি বা হ্ৰাসৰ আধাৰত আধাৰিত। এইবোৰ হৈছে দুই-তিনিটা গুৰুত্বপূৰ্ণ তথ্য যি ক্ষুদ্ৰ অৰ্থনৈতিক বিশ্লেষণৰ বাবে গুৰুত্বপূৰ্ণ।

**Q** প্ৰধান মন্ত্ৰীৰ আত্মনিৰ্ভৰ ভাৰত অভিযান কেনেদৰে অৰ্থনীতিৰ বাবে সহায়ক বুলি প্ৰমাণিত হৈছে?

**A** কিছুমান গুৰুত্বপূৰ্ণ দিশ আছে। প্ৰথমে, আমি বিভিন্ন খণ্ডত আত্মনিৰ্ভৰশীল হৈ পৰিছোঁ। আমি পিপিই কিট উৎপাদনত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ উৎপাদক হৈ পৰিছোঁ। এইটো বুজা গুৰুত্বপূৰ্ণ যে আত্মনিৰ্ভৰশীলতা দক্ষতাৰ সৈতে আহে। কোনো ব্যক্তি, কোম্পানী বা দেশ সক্ষম নহ'লে স্বনিৰ্ভৰশীল হ'ব নোৱাৰে। দ্বিতীয়তে, যদি আপুনি আমাৰ কোম্পানীবোৰে প্ৰদান কৰা সামগ্ৰী আৰু সেৱাবোৰ চাই, তেওঁলোকে উপাৰ্জন পিৰামিডত সৰ্বনিম্ন ২০ৰ পৰা ৩০ শতাংশৰ বাবে সামগ্ৰী নিৰ্মাণ কৰে। কিন্তু এফএমচিজি-ৰ

**Q** প্ৰধানমন্ত্ৰীয়ে সদায় সংকটত সুযোগৰ বিষয়ে কয়। ভাৰতক এখন অৰ্থনৈতিক সৰ্বশক্তিমান দেশ হিচাপে আপুনি কিদৰে চাব?

**A** এই মহামাৰীয়ে এইটো প্ৰমাণিত কৰিলে যে ভাৰতৰ সপোন দূৰদৃষ্টিসম্পন্ন। আমি এটা ত্ৰিমাসিকৰ পৰা আন এটা ত্ৰিমাসিকলৈ দৃষ্টি নিদিও। লকডাউনৰ বাবে অৰ্থনৈতিক কাম-কাজত কিছু ব্যাঘাত জন্মিলে, কিয়নো জীৱন বচাবই লাগিব। যদি আমি মৃত্যুৰ হাৰ লক্ষ্য কৰো, ভাৰতত প্ৰতি ১লাখ লোকত ৫জনৰ মৃত্যু হোৱাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্টত ৬০জনকৈ মৃত্যু হৈছে। স্পেইন, ইটালী, ব্ৰিটেইনত মৃত্যুৰ হাৰ ভাৰততকৈ ১০ৰ পৰা ১২গুণ অধিক। দীৰ্ঘকালীন সপোনে ভাৰতক এক দূৰ দিগন্তলৈ লৈ যাব। ভাৰতে নৈতিক সম্পদ সৃষ্টিৰ এক নিদৰ্শন দাঙি ধৰিছে। জানিব পৰা মতে সপ্তদশ শতিকাৰ মাজভাগত ভাৰত অৰ্থনীতিৰ বিশ্বগুৰু আছিল। ভাৰতৰ জিডিপি বিশ্বৰ মুঠ জিডিপিৰ এক তৃতীয়াংশ(৩৩%) আছিল। অন্যহাতে, মাৰ্কিন যুক্তৰাষ্ট্ৰ, যাক অৰ্থনীতিৰ সৰ্বশক্তিমান বুলি জনা যায়, সেই দেশৰ বিশ্ব জিডিপিৰ বৰঙণি ১৫-১৬শতাংশ।

দৰে কিছুমান খণ্ডত দেশৰ প্ৰান্তীয় অঞ্চলৰ লোকৰ বাবেও যেনে চেম্পু চেচেটৰ দৰে সামগ্ৰী আছে। আমি চেষ্টা কৰি আছো যে কোম্পানীবোৰে তেওঁলোকৰ উপভোক্তাৰ ভিত্তি বহল কৰাৰ বাবে সামগ্ৰী আৰু সেৱা প্ৰদান কৰিব লাগে কিয়নো ভাৰতৰ এক বৃহৎ শক্তি হৈছে যে আমি ১৩৭ বিলিয়ন লোকৰ দেশ।

**Q** আইএমএফ, ৱৰ্ল্ড ইক'নমিক ফ'ৰাম আৰু মোদীজ ৰেটিঙে মহামাৰীৰ সময়তো এক ব্যাপক উন্নতিৰ ইংগিত বহন কৰিছে। এই সুচকসমূহৰ সহায়ত এজন লোকে কিদৰে বুজিব পাৰিব?

**A** আমি আলোচনা কৰিছো যে আনলক পৰ্যায়তো পুনৰুত্থান যথেষ্ট ভাল আৰু সেইটোৱেই এই সংস্থাসমূহৰ ৰেটিঙত প্ৰতিফলিত হৈছে। মই নাভাৱো যে বহুসংখ্যক বিশ্লেষক, গৱেষকে বৰ্তমানৰ তথ্য সংগ্ৰহ কৰে আৰু মাজে সময়ে তেওঁলোকে দীৰ্ঘকালীন গতি-বিধি আওকান কৰে। কিন্তু এই ৰেটিংসমূহ নিশ্চিতভাৱে এক ভাল খবৰ।

**Q** আইএমএফে কৈছে যে ২০৪০ৰ ভিতৰত বিশ্বৰ বিকাশৰ হাৰত ভাৰতৰ বৰঙণি এক তৃতীয়াংশ হ'ব। আপুনি এইটো কিদৰে লক্ষ্য কৰিব?

**A** মই ভাৱো যে নীতি আৰু সংস্কাৰসমূহে ভাৰতীয় অৰ্থনীতিৰ প্ৰয়োজনীয় বিকাশ সাধন কৰিব আৰু আমি নিশ্চিতভাৱে এই পূৰ্বানুমানত উপনীত হ'ম।

**Q** ক'ৰোনা এতিয়াও নিঃশেষ হোৱা নাই। সংস্কাৰসমূহো অব্যাহত আছে। এই ক্ষেত্ৰত বিকাশ ত্বৰান্বিত হৈ থাকিবনে বা পুনৰ অৱনমিত হোৱাৰ কোনো সম্ভাৱনা আছে নেকি?

**A** মই অতিশয় আশাবাদী যে এই তথ্যসমূহে এক ভাল অৰ্থনৈতিক পুনৰুত্থানকে প্ৰদৰ্শিত কৰিছে। কিন্তু এতিয়া শীতকাল হোৱাৰ বাবে আৰু এনে বতৰত কিছু পৰিমাণে, বিশেষকৈ উত্তৰ-ভাৰতত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে, সেয়েহে মই জনসাধাৰণৰ প্ৰতি আহ্বান জনাও যে আপোনালোক অতি সাৱধান হওক, যাতে আক্ৰান্তৰ সংখ্যা অধিক বৃদ্ধি নাপায়। এয়া কেৱল ব্যক্তিগত স্বাৰ্থ নহয়, ইয়াত দেশৰ স্বাৰ্থ জড়িত হৈ আছে।

**Q** আমি কেতিয়া জিডিপিৰ ইতিবাচক স্থানত উপনীত হ'ম?

**A** মোৰ পূৰ্বানুমান এইয়ে তৃতীয় ত্ৰিমাসিক বা চতুৰ্থ ত্ৰিমাসিকত আমি সেই লক্ষ্যত উপনীত হ'ম।

**Q** কৃষি খণ্ডৰ বিকাশত কোনো নেতিবাচক প্ৰভাৱ পৰা নাই। কৃষি খণ্ডত সুযোগ সৃষ্টি কৰাটো সদায় এক চিন্তাৰ বিষয়। চৰকাৰে ১লাখ কোটি টকাৰ কৃষি আন্তঃগাঁথনি পুঁজি গঠনৰ সন্দৰ্ভত ঘোষণা কৰিছে। ই কিদৰে আমাৰ কৃষকসকলক সহায় কৰিব?

**A** কৃষি খণ্ডত অধিক প্ৰভাৱ নপৰাৰ কাৰণটো হৈছে এই খণ্ডত সামাজিক দূৰত্বৰ দৰে সমস্যাই দেখা নিদিয়ে। চৰকাৰে লকডাউনৰ স্বত্তেও সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। কৃষি খণ্ডই এক গাদী প্ৰদান কৰিছে। শেহতীয়া সংস্কাৰসমূহ, বিশেষকৈ কৃষি আইনসমূহ কৃষি খণ্ডৰ বাবে অতি দৰকাৰী, কিয়নো ক্ষুদ্ৰ কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী যিকোনো লোককে বিক্ৰী কৰিব পাৰিব। তদুপৰি, এই খণ্ডত প্ৰায় ৪০ৰপৰা ৪৫শতাংশ লোকে কাম কৰে, য'ত চাকৰি সৃষ্টি কৰাৰ এক ডাঙৰ সম্ভাৱনীয়তা আছে। প্ৰয়োজনীয় বিকাশ উপযুক্ত আন্তঃগাঁথনি অবিহনে অসম্ভৱ। ১লাখ কোটি টকাৰ পুঁজিৰ জৰিয়তে বিনিয়োগ হ'ব। আন্তঃগাঁথনি পুঁজি কৃষি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত কামত আহিব। ■

# এক ৰাষ্ট্ৰ, এক নিৰ্বাচনঃ ভাৰতত আৱশ্যকতা

**গুজৰাটৰ কেৱাড়িয়াত ভাৰতৰ সবাতোকৈ ওখ প্ৰতিমা চৰ্দাৰ পেটেলৰ মূৰ্তিৰ তলত ৮০তম সদৌ ভাৰত প্ৰিজাইডিং বিষয়াৰ সন্মিলন অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণত সংবিধানৰ মূল্যবোধৰ বিষয়ে আলোকপাত কৰে আৰু ‘এক ৰাষ্ট্ৰ, এক নিৰ্বাচন’ৰ বাবে দীৰ্ঘদিনীয়া প্ৰয়োজনীয় আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে।**

















প্ৰতিমাহতে দেশৰ কোনোবাটো নহয় কোনোবাটো প্ৰান্তত নিৰ্বাচন অনুষ্ঠিত হৈ থাকে আৰু এই নিৰ্বাচনে উন্নয়নমূলক কৰ্মৰ ওপৰত প্ৰভাৱ পেলায়। ২৬ নৱেম্বৰ ২০২০ তাৰিখে অনুষ্ঠিত হোৱা ৭১তম সংবিধান দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘এক ৰাষ্ট্ৰ, এক নিৰ্বাচন’ৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে।

৮০তম সদৌ ভাৰত প্ৰিজাইডিং বিষয়াৰ সন্মিলনত ভাষণ প্ৰদান কৰি তেওঁ কয়, “এক ৰাষ্ট্ৰ, এক নিৰ্বাচন’ কেৱল এক আলোচনাৰ বিষয়েই নহয়, ই ভাৰতৰ বাবে আৱশ্যকো। প্ৰতিমাহতে দেশৰ কোনোবাটো নহয় কোনোবাটো প্ৰান্তত নিৰ্বাচন অনুষ্ঠিত হৈ থাকে। আপোনালোকে ভালদৰেই জানে যে ই উন্নয়নমূলক কৰ্মত প্ৰভাৱ পেলায়। গতিকে এক ৰাষ্ট্ৰ, এক নিৰ্বাচনৰ ওপৰত এক বিশেষ অধ্যয়ন তথা তৰ্কৰ অতিশয় আৱশ্যক।”

তাৰোপৰি এক সকলো নিৰ্বাচনৰ বাবে এখন ভোটাৰ তালিকাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে কিয়নো ভিন্ন ভিন্ন নিৰ্বাচনৰ বাবে ভিন্ন ভিন্ন ভোটাৰ তালিকা বিদ্যমান। “আমি কিয় ইমান ধন আৰু সময় ব্যয় কৰি আছো? যিহেতু সকলোৰে ভোটদানৰ বয়স ১৮ বা ততোধিক বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে গতিকে ভিন্ন ভিন্ন ভোটাৰ তালিকা থকাৰো কোনো যুক্তি নাই”, প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

## প্ৰধানমন্ত্ৰীৰ ভাষণৰ গুৰুত্বপূৰ্ণ অংশ

সাধাৰণ নাগৰিকে সংবিধানখন অধিক বিস্তৃতভাৱে বুজিব পৰাকৈ তুলি ধৰাৰ প্ৰয়াস কৰিব লাগিব। সংবিধানৰ জ্ঞানে সাংবিধানিক সুৰক্ষা কৱচ শক্তিশালী কৰিব।

- ১৩০ কোটি জনসাধাৰণে প্ৰতিপন্ন কৰিছে যে সংবিধানৰ তিনিখন ডেউকা-

# সংবিধান দিৱসত বহু-মাধ্যম প্ৰদৰ্শন

সংবিধান দিৱস পালন কৰিবলৈ চৰকাৰে কেইবাটাও কাৰ্যক্ৰম অনুষ্ঠিত কৰে। দেশজুৰি সংবিধানৰ প্ৰস্তাৱনা পাঠৰ কাৰ্যক্ৰমৰ নেতৃত্ব দিয়ে ৰাষ্ট্ৰপতি শ্ৰী ৰামনাথ কোবিন্দে। গুজৰাটৰ কেৱডিয়াত অনুষ্ঠিত এক বিশেষ কাৰ্যক্ৰমে সকলো সাংসদ আৰু নীতি নিৰ্ধাৰক আকৰ্ষণ কৰে। ১,৬০০ বৰ্গফুটৰ এই প্ৰদৰ্শনীত বৈদিক পৰম্পৰাৰ পৰা লিচ্ছৱি গণৰাজ্য হৈ আধুনিক ভাৰতলৈকে গণতন্ত্ৰৰ দীঘলীয়া যাত্ৰা উপস্থাপন কৰা হয়। ষ্টেচ্যু অফ ইউনিটী স্থলীত প্ৰিজাইডিং অফিচাৰসকলৰ ৮০তম অল ইণ্ডিয়া কনফাৰেঞ্চ উপলক্ষে পাৰলিয়ামেণ্টেৰী মিউজিয়াম এণ্ড আৰকাইভছৰ সহযোগত ব্যুৰ' অফ আউটৰিচ কমিউনিকেচনে (বিঅ'চি) আয়োজন কৰা এই প্ৰদৰ্শনীত সংবিধান প্ৰস্তুতিৰ সমগ্ৰ ঘটনাক্ৰম প্ৰদৰ্শন কৰা হয়। সংবিধান সভাৰ গুৰুত্বপূৰ্ণ সদস্য ড° বি আৰ আম্বেদকাৰ, ড° ৰাজেন্দ্ৰ প্ৰসাদ, পণ্ডিত জৱাহৰলাল নেহৰু চৰদাৰ বল্লভভাই পেটেল, শ্যামাপ্ৰসাদ মুখাৰ্জী আদিয়ে ভাষণ দিয়াৰ ফুটেজ, সংবিধান প্ৰস্তুতিৰ বিৰল দৃশ্যৰাজি, ফিল্মছ ডিভিজন অফ ইণ্ডিয়া, মুম্বাইৰ আৰকাইভৰ পৰা আনি প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনীৰ আন এটা আকৰ্ষণ আছিল ৰাজ্যিক বিধানসভাসমূহ, য'ত দৰ্শনাৰ্থীসকলে বিভিন্ন ৰাজ্যৰ বিধানসভা ভৱনসমূহৰ স্থাপত্যৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। প্লাজমা ডিছপ্লেৰ এটাত দৰ্শনাৰ্থীয়ে যিকোনো বেলেগ বেলেগ ভাৰতীয় ভাষাত দেশৰ সংবিধানখন পঢ়াৰ সুবিধা আছিল। এখন ডিজিটেল ফ্লিপ বুকত সংবিধানৰ ওপৰত আলোকপাত কৰা হৈছিল। এখন ডিজিটেল টাচ ৱালত বিভিন্ন ৰাষ্ট্ৰীয় প্ৰতীক দেখুউৱা হৈছিল আৰু আন এক ডিজিটেল প্ৰদৰ্শনীত অন্য সংবিধানৰ প্ৰভাৱ দেখুউৱা হৈছিল।

**এই প্ৰদৰ্শনীত সংবিধান প্ৰস্তুতিৰ বিৰল দৃশ্যৰাজি, ফিল্মছ ডিভিজন অফ ইণ্ডিয়া, মুম্বাইৰ আৰকাইভৰ পৰা আনি প্ৰদৰ্শন কৰা হয়**

বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ ওপৰত তেওঁলোকৰ পূৰ্ণ বিশ্বাস আছে। এই বিশ্বাস অটুট ৰাখিবলৈ ধাৰাবাহিকভাৱে কাম কৰি থকা হৈছে।

- ডিজিটেল ছিকিউৰিটীৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ন' ইয়ৰ কাষ্টমাৰ (কেৱাইচি)। কেৱাইচিৰ এটা নতুন ৰূপ ন' ইয়ৰ কনষ্টিটিউচনেও সাংবিধানিক সুৰক্ষা কৱচ শক্তিশালী কৰিব পাৰে।
- আমি, ভাৰতৰ জনগণে আমাক নিজকে সংবিধান প্ৰদান কৰিলো। সেয়ে, আমি এই কথা নিশ্চিত কৰিব লাগিব যাতে সকলো আইনৰ সৈতে সাধাৰণ জনতাই সংযুক্ত হৈ থকাটো অনুভৱ কৰে
- বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায় পালিকাৰ মাজত সমন্বয় উন্নত কৰিবলৈ বিগত ৬-৭ বছৰত নিৰন্তৰ প্ৰয়াস কৰি থকা হৈছে।
- সকলো ৰাজ্যিক বিধায়িনীৰ বাবে এইটো আৱশ্যকীয় যে তথ্য প্ৰদানৰ দিশত কাম কৰিব লাগে, যাতে এটা কেন্দ্ৰীয় ডাটাবেছ গঢ়ি উঠে, এক আধুনিক ডিজিটেল প্লেটফৰ্ম-নেচনেল ই-বিধান এপ্লিকেশ্যন-ৰ ইতিমধ্যে বিকাশ ঘটোৱা হৈছে।
- যোৱা কেইটামান বছৰত, এনেকুৱা কেইবাশ আইন অপসাৰিত হৈছে। কিন্তু আমি এনে এটা ব্যৱস্থা সৃষ্টি কৰিব নোৱাৰোনে য'ত সংবিধানৰ দৰেই পুৰণি আইনবোৰ স্বয়ংক্ৰিয়ভাৱে সংশোধন ৰ প্ৰক্ৰিয়া থাকে?
- কৰোণা ভাইৰাছ মহামাৰীৰ সময়ত, সংসদৰ দুয়োখন সদনে কটকটীয়া সময়তকৈও অধিক কাম কৰিলে। ■

(Scan QR code for full speech of Prime Minister )



# সাংসদসকলৰ বাবে ৭৬টা ফ্লেট নিৰ্মাণ কৰিবলৈ ৮৬টা ভৱন উন্নত কৰা হয়



*দিল্লীত নৱ-নিৰ্বাচিত সাংসদসকলৰ বাবে থকা-মেলাৰ ব্যৱস্থা এটা দীৰ্ঘদিনীয়া সমস্যা। দীৰ্ঘ সময় ধৰি সাংসদসকল হোটেলত থাকিবলগীয়া হৈছিল আৰু ই চৰকাৰৰ ওপৰত বিত্তীয় বোজাৰ সৃষ্টি কৰিছিল। আনকি সাংসদসকলেও এইটো ভাল পোৱা নাছিল, কিন্তু বাধ্যবাধকতাত পৰিছিল। ২০১৪ৰ পিছত, এই সমস্যা আঁতৰাবলৈ গুৰুত্বসহকাৰে প্ৰচেষ্টা হাতত লোৱা হয়।*

সংসদৰ ওচৰৰ দিল্লীৰ ড০ বিডি ৰোডত ৮০ বছৰৰ পুৰণি ৮০টা ভৱনক পুনৰ উন্নত কৰি ৭৬টা ফ্লেট নিৰ্মাণ কৰা হয়। পৰিৱেশৰ সুৰক্ষাৰ কথা মনত ৰাখি, এই ফ্লেটবিলাকৰ এনাৰ্জি কনজাৰভেচন, ছ'লাৰ আৰু জাবৰ নিষ্কাষন ব্যৱস্থা ৰখা হৈছে। ইয়াত ফ্লাই এছৰ পৰা বনোৱা ইটা ব্যৱহাৰ কৰা হৈছে। তাপমাত্ৰা নিয়ন্ত্ৰণৰ বাবে ইয়াত ডাবল গেজড খিৰিকী লগোৱা হৈছে। শক্তি ৰাহি কৰিবলৈ এলইডি লাইট ফিটিং, পোহৰ নিয়ন্ত্ৰণৰ বাবে অকুপেঞ্চী-বেছড ছেন্সৰ, ভিআৰভি ছিষ্টেমেৰে এয়াৰ কণ্ডিছন, পানীৰ কম খৰচৰ ব্যৱস্থা, সৌৰশক্তি আৰু বৰষুণৰ পানী সংৰক্ষণৰো ব্যৱস্থা কৰা হৈছে। কোভিডৰ প্ৰত্যাহ্বান সত্ত্বেও অনুমোদিত ধনৰ ১৪ শতাংশ ধন ৰাহি কৰি সময়ৰ অপচয় নকৰাকৈ এই নিৰ্মাণ সম্পূৰ্ণ কৰা হয়। ২০২০ৰ ২৩ নবেম্বৰত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক মুকলি কৰে।

## প্ৰধানমন্ত্ৰীৰ ভাষণৰ গুৰুত্বপূৰ্ণ অংশ

- দশকজোৰা সমস্যাও সমাধান কৰিব পাৰি যদিহে সেইবিলাক এৰাই নচলি সমাধানৰ পথ বিচৰা হয়।
- দিল্লীত কেইবাটাও প্ৰকল্প বহুবছৰ ধৰি সম্পূৰ্ণ নোহোৱাকৈ আছে, আৰু এলাগী অৱস্থাত আছিল। কেইবাটাও ভৱনৰ নিৰ্মাণ আৰম্ভ কৰা হয় আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰা হয়। ইয়াৰ ভিতৰত আছে আম্বেদকাৰ নেচনেল মেমৰিয়েল, ড০ আম্বেদকাৰ ইণ্টাৰনেচনেল চেণ্টাৰ, কেন্দ্ৰীয় তথ্য আয়োগৰ নতুন ভৱন আৰু ইণ্ডিয়া গেইটৰ ওচৰত ৱাৰ মেমৰিয়েল।
- কৰোণা ভাইৰাছৰ প্ৰত্যাহ্বানপূৰ্ণ সময় আৰু নতুন ব্যৱস্থাপনাৰ মাজতে সংসদৰ অধিবেশন অনুষ্ঠিত হয়। দেশৰ প্ৰশাসন শৈলীত এক নতুনত্ব প্ৰদান কৰা হৈছে।
- মই নিশ্চিত যে নতুন দশকত দেশক আগুৱাই নিবলৈ পৰৱৰ্তী লোকসভায়ো অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব
- কোৱা হৈছে যে আমি আমাৰ প্ৰকৃত প্ৰস্তাৱ আৰু অভিপ্ৰায়ৰ লগতে দৃঢ় নিৰ্ণয়ৰ জৰিয়তে কৰ্মসমূহ সম্পূৰ্ণ কৰিব পাৰো। ■

(Scan QR code for full speech of Prime Minister )

# ৰাষ্ট্ৰপতিৰ গ্ৰন্থঃ

# এটি বিৰল অন্তৰ্দৃষ্টি

**ৰাম নাথ কোবিন্দৰ গ্ৰন্থসমূহে নব্য ভাৰত সম্পৰ্কে তেওঁৰ ধাৰণাৰ প্ৰতিফলন ঘটাইছে যি ইয়াৰ ঐতিহাসিক আৰু সাংস্কৃতিক মান তন্ত্ৰ (value system)ত প্ৰবলভাৱে মূলযুক্ত হৈ আছে। তেওঁ প্ৰণয়ন কৰা দুখনি গ্ৰন্থ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেন্দ্ৰীয় তথ্য ও সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে উন্মোচন কৰাৰ লগতে ৰাষ্ট্ৰপতিৰ জীৱনৰ ওপৰত দৃষ্টিপাত কৰিছে প্ৰতিৰক্ষা মন্ত্ৰীজনে**




ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দ এজন পাণ্ডিত্যপূৰ্ণ লোক। তেওঁৰ ভাষণসমূহৰ সংকলন এই গ্ৰন্থসমূহে তেওঁৰ ব্যক্তিত্বৰ অন্তৰ্দৃষ্টি আগবঢ়াইছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অকপটে এই কথা উল্লেখ কৰি কয়, "ৰাষ্ট্ৰপতিজনৰ গ্ৰন্থখনিত উল্লেখ থকা কথাসমূহে তেওঁৰ ব্যক্তিত্বৰ প্ৰতিফলন ঘটাইছে।"

ৰাষ্ট্ৰপতিজনে তেওঁৰ কাৰ্যকালৰ তৃতীয় বৰ্ষত ৰচনা কৰা দুখনি গ্ৰন্থ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে ১৯ নৱেম্বৰ, ২০২০ ত উদ্বোধন কৰে। এই গ্ৰন্থ দুখন হৈছে — দ্য ৰিপাব্লিকান এথিক খণ্ড III আৰু লোকতন্ত্ৰ কে স্বৰ — ইয়াত তেওঁৰ নিৰ্বাচিত ভাষণসমূহ আৰু ক'ভিড-১৯ৰ

### গ্ৰন্থখনি সম্পৰ্কে

*দ্য ৰিপাব্লিকান এথিক, খণ্ড III হৈছে ৰাষ্ট্ৰপতিজনৰ ৫৭ নিৰ্বাচিত ভাষণৰ সংকলন। তেওঁৰ ভাষণসমূহৰ পৌনঃপুনিক বিষয়বস্তুসমূহ হৈছে ন্যায়, সমতা, ভাতৃত্ব, অ-হিংসা, সৰ্বজনীন ভাতৃত্বৰ আদৰ্শ, সমাজখনৰ অসুৰক্ষিত অংশৰ অৰ্থে সৰ্বব্যাপী বিকাশ আৰু বিশেষ চিন্তা। এই গ্ৰন্থত ২১শ শতিকাৰ ভাৰতৰ প্ৰতিভাশালী লোকসকলৰদ্বাৰা চালিত এখনি স্পন্দনশীল ৰাষ্ট্ৰ সন্দৰ্ভত তেওঁৰ দৃষ্টি আৰু এটি সুৰক্ষিত আৰু সেউজ ভৱিষ্যৎ অভিমুখে আমাৰ বিশ্বখনৰ পথ নিৰ্দেশনাক সামৰি লোৱা হৈছে। এই ভাষণসমূহ ৰাষ্ট্ৰপতিজনৰ বিশ্বদৰ্শনৰ খিৰিকীসদৃশ হৈ উঠিছে আৰু ই তেওঁৰ মূল্যবোধৰ নীতি আৰু বিশ্বাসৰ অন্তৰ্দৰ্শনো আগবঢ়াইছে।*

বিৰুদ্ধে যুঁজিবলৈ দেশৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰা হৈছে। *দ্য* ৰিপাব্লিকান এথিক ভলিউম থ্ৰী আৰু লোকতন্ত্ৰ কে স্বৰ-তেওঁৰ নিৰ্বাচিত বক্তব্যৰ ওপৰত আৰু কোভিড-১৯ৰ বিৰুদ্ধে দেশৰ তৎপৰতাৰ বিষয়েও উল্লেখ আছে।

এই উপলক্ষে মন্তব্য কৰি, প্ৰতিৰক্ষা মন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰপতিৰ বক্তব্যই নিউ ইণ্ডিয়াৰ বাবে এটা দৃষ্টিভংগী উপস্থাপন কৰে আৰু সমসাময়িক ভাৰতক বুজিবলৈ এই গ্ৰন্থকেইখন সদায় প্ৰাসংগিক হৈ থাকিব আৰু ৰেফাৰেঞ্চ বুক হিচাপে কাম কৰিব। তেওঁ ধাৰণা কৰিছিল যে ৰাষ্ট্ৰপতিজনৰ সৈতে কথা পাতিলে পাতোঁতাজনৰ মনত এটা প্ৰভাৱ ৰৈ যায়। তেওঁৰ

> “ৰাষ্ট্ৰপতিজন বিশাল হৃদয়ৰ লোক যাৰ কথা আৰু কাম একেই, যি তেওঁক এজন সমৰ্থ ব্যক্তি কৰি তোলে। ৰাজনৈতিক ক্ষেত্ৰখনত, বহুলোক আছে যি কয় এটা আৰু কৰে আন এটা। তেওঁলোকৰ কথা আৰু কামৰ সংগতি নাথাকে।
>
> প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে”

সৈতে কাম কৰাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি ৰাজনাথ সিঙে কয়, "ৰাষ্ট্ৰপতিজন বিশাল হৃদয়ৰ লোক যাৰ কথা আৰু কাম একেই, যি তেওঁক এজন সমৰ্থ ব্যক্তি কৰি তোলে। ৰাজনৈতিক ক্ষেত্ৰখনত, বহুলোক আছে যি কয় এটা আৰু কৰে আন এটা। তেওঁলোকৰ কথা আৰু কামৰ সংগতি নাথাকে।" প্ৰতিৰক্ষা মন্ত্ৰীয়ে কয় যে তেওঁৰ সকলো কথা তেওঁৰ অন্তৰৰ নিভৃতৰ পৰা ওলায়; সেয়া হৈছে তেওঁৰ আভ্যন্তৰীণ সচেতনতাৰ কণ্ঠ যি বৃহৎ। গ্ৰন্থত যি আছে সেয়া হৈছে শব্দৰ ৰূপত তেওঁৰ ব্যক্তিত্ব, কৰ্ম মূল্যবোধৰ (জীৱন মূল্য) প্ৰতিফলন। এই ভলিউমত এটা বিশেষ দফা আছে য'ত ৰাষ্ট্ৰপতিজনে গৌতম বুদ্ধ, সন্ত কবীৰ, মহাত্মা গান্ধী, ড° বি আৰ আম্বেদকাৰ আৰু দীনদয়াল উপাধ্যায় আৰু তেওঁলোকৰ সেৱাৰ প্ৰতি মনোযোগ প্ৰকাশ কৰিছে, বিশেষকৈ ২১শ শতিকাত।"ৰাষ্ট্ৰপতি হৈছে ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহৰ সৰ্বোচ্চ কমাণ্ডাৰ। সেনা জোৱানক সাক্ষাৎ কৰিবলৈ ছিয়াচেনৰ দৰে অঞ্চললৈ যাবলৈও তেওঁ ইচ্ছা প্ৰকাশ কৰিছিল, যিটো হৈছে বাহিনীসমূহৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাৰ প্ৰতীক," প্ৰতিৰক্ষা মন্ত্ৰীয়ে কয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীয়ে কয়, "বিভিন্ন বিষয়ৰ ওপৰত ৰাষ্ট্ৰপতিয়ে বহু অনুপ্ৰেৰণা দায়ক বক্তব্য ৰাখিছে। এই গ্ৰন্থত কোভিডৰে যুঁজ দিবলৈ দেশৰ প্ৰচেষ্টাৰ ওপৰত বক্তব্য আছে, য'ত আন দেশতকৈ ভাৰতে বহু ভাল কাম কৰি আছে।" ■

## প্ৰতিৰক্ষা মন্ত্ৰীৰ দৃষ্টিত ৰাষ্ট্ৰপতি

### সংবেদনশীল ৰাষ্ট্ৰপতি

এজন দুখীয়া ছাত্ৰই এটা চাইকেল চলোৱা প্ৰতিযোগিতাত ভাগ ল'বলৈ চেষ্টা চলাই আছিল। তেওঁৰ নিজা চাইকেল নাই বুলি ৰাষ্ট্ৰপতিয়ে জানিব পাৰিলে। তেওঁ তেওঁক ৰাষ্ট্ৰপতি ভৱনলৈ মাতিলে আৰু তেওঁক এখন স্পৰ্টছ বাইচাইকেল উপহাৰ দিয়ে। ই ৰাষ্ট্ৰপতিৰ সংবেদনশীলতাৰ দিশটো প্ৰতিফলিত কৰিছে, যি মানবিক আৰু সৃজনীশীল।

### দুখীয়াৰ প্ৰতি সংকল্পবদ্ধতা

ৰাষ্ট্ৰপতি আছিল এজন প্ৰখ্যাত অধিবক্তা। এটা আইনী বিষয়ত এজন দুখীয়া লোক জড়িত হৈ পৰিছিল কিন্তু অধিবক্তা লগাবলৈ অপাৰগ আছিল। ৰাষ্ট্ৰপতিয়ে তেওঁৰ কেছটো লৈছিল। মানুহক ন্যায় লাভত সহায় কৰাটো তেওঁৰ জীৱনৰ অংশ আছিল। তেওঁ সদায়ে ন্যায়িক সংস্কাৰৰ কথা পাতিছিল। ন্যায় ব্যৱস্থাৰ সংশোধনৰ বাবে তেওঁ চলোৱা প্ৰচেষ্টাৰ ফলতে, উচ্চতম ন্যায়ালয় আৰু বহুতো উচ্চ ন্যায়ালয়ে ৰায়ৰ কপি হিন্দী আৰু স্থানীয় ভাষাত আজি উপলব্ধ কৰি আছে।

### শিক্ষকৰ প্ৰতি সন্মান

ৰাষ্ট্ৰপতিয়ে এখন স্কুলৰ এটা কাৰ্যক্ৰমত ভাগ লৈছিল য'ত তেওঁ নিজৰ আৰম্ভণিৰ শিক্ষা লাভ কৰিছিল। কাৰ্যক্ৰমৰ পিছত, দেশৰ প্ৰথম নাগৰিকজনে তাত উপস্থিত থকা তেওঁৰ শিক্ষকসকলৰ চৰণ স্পৰ্শ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁ এটা বাৰ্তা দিছিল যে মানুহে নিজৰ শিক্ষা গুৰুৰ প্ৰতি বিনয়ী হ'ব লাগে আৰু তেওঁলোকক সন্মান কৰিব লাগে।

# এক নতুন ৰেঙনিৰ দিশত

বেংক সেৱা খণ্ডত একত্ৰীকৰণ, শাৰীৰিক শিক্ষাত ইনফ্ৰা ব'ণ্ড আৰু বুজাবুজি চুক্তিত পুঁজিৰ সানমিহলিয়ে এক ইতিবাচক ভৱিষ্যতৰ ইংগিত বহন কৰিছে

**সিদ্ধান্তঃ** ডিবিএছ বেংক ইণ্ডিয়া লিমিটেড আৰু লক্ষ্মী বিলাস বেংকৰ একত্ৰীকৰণে প্ৰায় ২০ লাখ একাউণ্ট হ'ল্ডাৰক মুনাফা অৰ্জনত অনুমোদন দিয়ে




**মুনাফাঃ**

- ই প্ৰায় ২০ লাখ জমাকাৰীৰ স্বাৰ্থ সুৰক্ষিত কৰিব আৰু বেংকক বিত্তীয় সুস্থিৰতা প্ৰদান কৰিব। ৩০ দিন ধৰি এলভিবি মৰেটৰিয়ামৰ অধীনত আছিল
- নিৰ্দ্ধাৰিত তাৰিখৰ পৰা ডিবিআইএলৰ সৈতে এলভিবি একত্ৰিত হ'ব আৰু ইয়াৰ জৰিয়তে ধন উলিওৱাত থকা বাধা-নিষেধ আঁতৰ হ'ব
- প্ৰায় ৪,০০০ কৰ্মচাৰীৰ কৰ্ম সংস্থানৰ আশংকা আৰু নাথাকে যাক পূৰ্বৰ চৰ্তৱলী সাপেক্ষে ৰখা হ'ব

**সিদ্ধান্তঃ** শাৰীৰিক শিক্ষা আৰু ক্ৰীড়াৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে ব্ৰিকছ দেশসমূহৰ সৈতে বুজাবুজি চুক্তি



**মুনাফাঃ**

- পাঁচখন দেশৰ মাজত ক্ৰীড়াৰ ক্ষেত্ৰত সহযোগিতাই ক্ৰীড়া বিজ্ঞান, ক্ৰীড়া ঔষধ, প্ৰশিক্ষণ কৌশল আদিৰ ক্ষেত্ৰত জ্ঞান বৃদ্ধি কৰিব। ই আন্তৰ্জাতিক টুৰ্নামেণ্টত খেলুৱৈসকলৰ উন্নতি সাধন কৰিব
- ক্ৰীড়াৰ ক্ষেত্ৰত পাঁচখন দেশৰ মাজত হোৱা সহযোগিতা খেলুৱৈসকলৰ বাবে জাতি, বৰ্ণ, অঞ্চল, ধৰ্ম আৰু লিংগ নিৰ্বিশেষে প্ৰযোজ্য হ'ব

**সিদ্ধান্তঃ** এনআইআইএফ ইনফ্ৰাষ্ট্ৰাকচাৰ ডেব্ট ফাইনেঞ্চিং প্লেটফৰ্ম লগতে অসীম ইনফ্ৰাষ্ট্ৰাকচাৰ ফাইনেঞ্চি লিমিটেড আৰু এনআইআইএফ ইনফ্ৰাষ্ট্ৰাকচাৰ ফাইনেঞ্চি লিমিটেডত ৬,০০০ কোটি টকাৰ মূলধন একত্ৰীকৰণত অনুমোদন

**মুনাফাঃ**

- পৰৱৰ্তী ৫ বছৰত ই আন্তঃগাঁথনি খণ্ডলৈ প্ৰায় ১ লাখ কোটি টকাৰ ঋণ আগবঢ়াব
- এই প্ৰক্ৰিয়াই বেংকসমূহক আন্তঃগাঁথনিমূলক প্ৰকল্পত সকাহ দিব আৰু নতুন সেউজ ক্ষেত্ৰৰ প্ৰকল্পৰ বাবে ঠাই মুকলি কৰিব।
- লগতে আশা কৰা হৈছে যে ব'ণ্ড মাৰ্কেটৰ পৰা ডেবট প্লেটফৰ্মে ডেবটৰ উত্থান ঘটাব আৰু ট্ৰাষ্টেড ইণ্টাৰমিডিয়েৰী হিচাপে কাম কৰিব

**সিদ্ধান্তঃ** ইনষ্টিটিউট অফ চাৰ্টাৰ্ড একাউণ্টেণ্টছ অফ ইণ্ডিয়া আৰু নীডাৰলেণ্ডছৰ ভেৰেনাইজিং ভেন ৰেজিষ্টাৰ কণ্ট্ৰ'লাৰ্ছৰ মাজত বুজাবুজি চুক্তি

**মুনাফাঃ**

- ই নীডাৰলেণ্ডছ আৰু ভাৰতৰ মাজত একাউণ্টিং, ফাইনেঞ্চিয়েল আৰু অডিট নলেজ বেছৰ ক্ষেত্ৰত সহায় কৰিব
- ই ভাৰতীয় চাৰ্টাৰ্ড একাউণ্টেণ্টৰ বাবে অধিক কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰাত সহায় কৰিব
- ই আইচিএআইৰ সদস্যসকলক লাভবান কৰিব আৰু তেওঁলোকৰ সম্ভাৱনাৰ ক্ষেত্ৰখন সম্প্ৰসাৰিত কৰিব ■

# সকাৰাত্মকতাই সংকটক সুযোগত পৰিণত কৰে

আইআইটি খৰগপুৰৰ এজন এলুমনাইয়ে খেলুৱৈসকলৰ বাবে এটা বেটাৰী মাস্কৰ বিকাশ ঘটায়, যিটো আনকি প্ৰশিক্ষণৰ সময়তো ব্যৱহাৰ কৰিব পাৰি আৰু জম্মু-কাশ্মীৰত এজন দানশীলে ছেনিটেৰী কিট বিতৰণ কৰে

## কৰোণা ভাইৰাছ আৰু প্ৰদূষণৰ পৰা বাচিবলৈ বেটাৰী মাস্ক



কৰোণা ভাইৰাছ আৰু প্ৰদূষণৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ বিভিন্ন প্ৰচেষ্টা অব্যাহত থকাৰ সময়তে খৰগপুৰ আইআইটি আৰু আইআইএম কলকাতাৰ এজন ছাত্ৰ পীযুষ অগ্ৰৱালে এটা বেটাৰী মাস্ক বিকশিত কৰে। এই মাস্কৰ বিশেষত্ব হৈছে যে ই ব্যৱহাৰকাৰীক পৰ্যাপ্ত অক্সিজেন দিবলৈ ইয়াত দুখন বেটাৰী চালিত ফেন লগোৱা থাকে। প্ৰায় আঠ ঘণ্টা ধৰি ইয়াৰ বেটাৰী চলে। প্ৰজেক্ট কৱচ মাস্কৰ অধীনত চৰকাৰৰ সহযোগিতাত এই মাস্ক তৈয়াৰ কৰা হয়। একোটা মাস্কৰ দাম ৩,০০০টকা। পীযুষে কৈছে যে মাস্কত দুখন ফেন লগোৱা থাকে, এখনে অক্সিজেনৰ যোগান ধৰে আৰু আনখনে কাৰ্বনডাই অক্সাইড আৰু ধূলি উলিয়ায়। সেয়ে ব্যৱহাৰকাৰীয়ে সতেজ বতাহ পায় এই ব্ৰেণ্ড মোক্ষ মাস্ক পিন্ধিলে। এই মাস্ক স্বাস্থ্য কৰ্মী, ছেনিটাইজেচন ৱৰ্কাৰৰ বাবে বিশেষভাবে বনোৱা হৈছে। ইয়াত কৰ্মচাৰী নিযুক্তি হৈ আছে আৰু নতুন নতুন কৌশল শিকি আছে। অহা বছৰৰ অলিম্পিকৰ বাবে প্ৰস্তুতি চলাই থকা খেলুৱৈয়ে এই মাস্ক ব্যৱহাৰ কৰি আছে।

## ছেনিটেৰী কিট বিতৰণক প্ৰশংসা



সমাজৰ বাবে কিবা এটা কৰাৰ হাবিয়াসে নতুনত্ব সৃষ্টিত অৰিহণা যোগায়। জম্মু আৰু কাশ্মীৰৰ শ্ৰীনগৰৰ ইৰফানাই বিনামূলীয়াকৈ ছেনিটেৰী কিট বিতৰণ কৰি এই কথা প্ৰতিপন্ন কৰি দেখুৱালে। মাহেকীয়াৰ সময়ত ল'বলগীয়া স্বাস্থ্যৰ যতনৰ সজাগতাৰ অংশ হিচাপে ইৰফানাই ছেনিটেৰী নেপকিন বিতৰণ কৰে। কাশ্মীৰ উপত্যকাৰ শ্ৰীনগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া গাঁওবিলাকত এতিয়া তেওঁৰ 'ইভা ছেফটী ডুৰ' নামৰ এই বিনামূলীয়া কিট ছোৱালী আৰু মহিলাসকলৰ বাবে সহজলভ্য। কোভিড-১৯ লকডাউনৰ সময়ত তেওঁ অভাৱীসকলক এই কিটৰ যোগান ধৰে। শ্ৰীনগৰত তেওঁ এতিয়ালৈকে প্ৰায় ১৫টা ৰাছৰুমত এই মেনষ্ট্ৰুৱেল কিটৰ যোগান ধৰিছে। দেউতাকৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ তেওঁ এনেকৈ মেনষ্ট্ৰুৱেল কিট বিতৰণ কৰাৰ কথা ভাবে। এই কিটৰ থাকে ছেনিটেৰী নেপকিন, এণ্টিস্পাস্মডিক আৰু হেণ্ড ৱাছ। ইয়াত অন্তৰ্বাস, বেবী ডাইপাৰ আৰু ছেনিটাইজাৰো থাকে।

RNI No. : DELASS/2020/78827
December: 16-31, 2020

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95/2020-22 posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 13-17 advance Fortnightly **(Publishing Date December 05, 2020, Pages-40)**



बाधाएं आती हैं आएं, घिरें प्रलय की घोर घटाएं,
पावों के नीचे अंगारे, सिर पर बरसें यदि ज्वालाएं,
निज हाथों में हंसते-हंसते, आग लगाकर जलना होगा
कदम मिलाकर चलना होगा।

अटल बिहारी वाजपेयी
(अटल बिहारी वाजपेयी)

Assamese

**Editor: Kuldeep Singh Dhatwalia**, Principal Director General, PIB, New Delhi

**Published & Printed by: Satyendra Prakash**, Director General, BOC on behalf of Bureau of Outreach and Communication

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at** Viba Press Pvt Ltd. C66/3, Okhla Ind Area Phase-II, New Delhi 20